Content includes AI-generated material

অমৃতপাল সিঙৰ তিনি সহযোগীক মুকলি



বিতং বাতৰি ৫নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM


TUESDAY, MARCH 18, 2025 ■ মঙলবাৰ, ৪ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮০ Guwahati, Assam ।। মূল্যঃ এটকা

## ভূপেনক লাগে, অখিলক নালাগে! পঞ্চায়ত নিৰ্বাচনক লৈ দুই মেৰুত দুই বিৰোধী

# ৩০ মাৰ্চ! পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাৰ বাবে কংগ্ৰেছৰ ‘ডেডলাইন’

খেতিৰ বতৰত নিৰ্বাচন অনুষ্ঠিত কৰি মানুহক কৰ্মবিমুখ নকৰিবলৈ আহ্বান অখিল গগৈৰ

**ই-সংবাদ, ১৭ মাৰ্চঃ** অসম প্ৰদেশ কংগ্ৰেছে পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ৩০ মাৰ্চৰ ভিতৰত ঘোষণা নকৰিলে গৌহাটি উচ্চ ন্যায়ালয়ৰ কাষ চাপিব বুলি ভাবুকি দি হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰক কঠোৰ সতৰ্কবাণী প্ৰদান কৰিছে। দলৰ সভাপতি ভূপেন কুমাৰ বৰাই বিলম্ব হোৱাৰ ফলত কেন্দ্ৰীয় গ্ৰামোন্নয়ন পুঁজিত ১১০০ কোটি শেষাংশ ৪ পৃষ্ঠাত




নতুন দিল্লীত নিউডিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টফাৰ লাক্সনক আদৰণি প্ৰধানমন্ত্ৰীৰ

## অমিত শ্বাহক কংগ্ৰেছৰ ক্ষমা খোজাৰ দাবী

**ই-সংবাদ, ১৭ মাৰ্চঃ** অসমীয়াই মূৰত লোৱা, থাপনা পাতি মূৰ দোঁৱা স্বাভিমানৰ প্ৰতীক গামোচাক কোনোবাই অপমান কৰিব সেয়া শেষাংশ ৩ পৃষ্ঠাত

## উপগ্ৰহক লৈ উপলুঙা কৰিছে, অসম্ভৱক সম্ভৱ কৰাই আমাৰ কামঃ মুখ্যমন্ত্ৰী



**ই-সংবাদ, ১৭ মাৰ্চঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দীৰ্ঘদিনৰ মূৰকত আজি ফেচবুক লাইভ আহি কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। বিহু আৰু ঝুমুৰৰ পিছতে এইবাৰ হোলী গীতক লৈ ৰেকৰ্ড গঢ়িবলৈ বৃহৎ আয়োজন শেষাংশ ২ পৃষ্ঠাত

## অসমত বনাঞ্চল হ্ৰাস! লোকসভাত উদ্বেগ গৌৰৱৰ

**ই-সংবাদ, ১৭ মাৰ্চঃ** অসমত বনাঞ্চল যথেষ্ট হ্ৰাস আৰু হোলোঙাপাৰ গিবন অভয়াৰণ্যত তেল আৰু প্ৰাকৃতিক গেছ অন্বেষণৰ বিষয়টোক লৈ তীব্ৰ শেষাংশ ৩ পৃষ্ঠাত



## বিধায়ক পৰমাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গ্ৰেপ্তাৰ ২ ভাতৃ

**ই-সংবাদ, ছিপাঝাৰ/মঙলদৈ, ১৭ মাৰ্চঃ** সমষ্টি উন্নয়নত ব্যৰ্থ ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীৰ বিৰুদ্ধে প্ৰতিবাদ কৰি ৰঙা ঘৰৰ আলহী হ'ল দুই ভাতৃ। হাজৰিকাপাৰাৰ পিঠাখোৰা গাঁৱত ৫ পৃষ্ঠাত

### বিধায়ক পত্নীৰ অভিযোগক লৈ তৎপৰ আৰক্ষী

## আৰক্ষীক নিদি, ন্যায়িক জিম্মাত দিয়া হ'ল ৰীতমক

**ই-সংবাদ, ১৭ মাৰ্চঃ** বহু বিতৰ্কিত বিজেপি বিধায়ক মানৱ ডেকাৰ বিৰুদ্ধে সামাজিক মাধ্যমত তথ্য উন্মোচন কৰি গ্ৰেপ্তাৰ হোৱা অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ ৰীতম সিঙক লখিমপুৰ সত্ৰ ন্যায়াধীশ বিশেষ আদালতে ২৯ শেষাংশ ৪ পৃষ্ঠাত



## অপহৃত বিজেপি বিধায়কৰ নাতিনী! আটক অভিযুক্তৰ পিতৃ

**ই-সংবাদ, মৰিগাঁও, ১৭ মাৰ্চঃ** ৰাজ্যখনৰ শাসকীয় বিজেপি দলৰ এজন বিধায়কৰ এগৰাকী নাবালিকা নাতিনীয়েকক এজন যুৱকে অপহৰণ কৰা বুলি শেষাংশ ৪ পৃষ্ঠাত

## চন্দ্ৰযান-৫ৰ বাবে ইছৰ'ক অনুমোদন কেন্দ্ৰৰ

**নতুন দিল্লী, ১৭ মাৰ্চঃ** মহাকাশ গৱেষণাত আৰু এখোজ আগুৱাই যাবলৈ সাজু হৈছে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা। ইছৰ'ৰ মুৰব্বী ভি নাৰায়ণনে কয় যে



চন্দ্ৰযান-৫ অভিযানৰ বাবে কেন্দ্ৰই অনুমোদন দিছে। চন্দ্ৰযান-৩ৰ ঐতিহাসিক সফলতাৰ পিছত যোৱা বছৰ কেন্দ্ৰই চন্দ্ৰযান-৪ৰ বাবে সেউজ শেষাংশ ২ পৃষ্ঠাত

## ঘৰলৈ আহি আছে সুনীতা-বুচ!

**ৱাশ্বিংটন, ১৭ মাৰ্চঃ** অৱশেষত পৃথিৱীৰ বুকুলৈ উভতিবলৈ সাজু হৈছে নাছাৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুচ উইলম'ৰ। আন্তঃৰাষ্ট্ৰীয় মহাকাশ শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# উপগ্ৰহক লৈ উপলুঙা কৰিছে, অসমন্তৱক

কৰাৰ ঘোষণা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। বৰপেটা দোল উৎসৱক লৈ অভিলেখ গঢ়াৰ ঘোষণা আজি মুখ্যমন্ত্ৰীয়ে কয় যে বৰপেটাৰ সকলো সত্ৰৰ উন্নয়নত সহায় কৰাৰ পৰিকল্পনাৰ বিষয়ে প্ৰকাশ কৰে। এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰি ৫ হাজাৰ স্থানীয় যুৱক-যুৱতীয়ে হোলী গীত প্ৰদৰ্শন কৰিব। এক নতুন অভিলেখ গঢ়িবলৈ আলোচনা চলি আছে বুলি কয়। শেহতীয়াকৈ বহুল চৰ্চিত অসমৰ নিজা ছেটেলাইটক লৈ আজি বিৰোধিৰ প্ৰত্যাহ্বান স্বীকাৰ কৰে মুখ্যমন্ত্ৰীয়ে। অসম চৰকাৰে ভাৰতীয় ৰাষ্ট্ৰীয় মহাকাশ প্ৰচাৰ আৰু অনুমোদন কেন্দ্ৰৰ সহযোগত নিজা উপগ্ৰহ অসমছেট স্থাপনৰ বাবে বাজেটত প্ৰস্তাৱ আগবঢ়াইছিল। তাৰ পিছতে চৰকাৰক তীব্ৰ সমালোচনা কৰে বিৰোধিয়ে। আজি বিৰোধিক উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ নিজা উপগ্ৰহক লৈ একাংশই মোক উপলুঙা কৰিছে। অসমৰ নিজা উপগ্ৰহ কেনেকৈ হ'ব? দুই এজনে কৈছে অসমৰ নিজা উপগ্ৰহ কৰিব নোৱাৰে। কিন্তু অসমন্তৱক সম্ভৱ কৰাই হৈছে আমাৰ কাম। অসমীয়াই এৰাতিত গড় বান্ধি ৰামসিংহ ঔৰংজেৱক পৰাভূত কৰিছিল। গতিকে অসমৰ নিজা উপগ্ৰহ কৰিব পাৰিম। মুখ্যমন্ত্ৰীয়ে দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত গুৱাহাটীৰ সৰুসজাইৰ দৰে এখন ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনা ঘোষণা কৰে। ইয়াৰ উপৰিও, প্ৰশিক্ষণৰ সুবিধা বৃদ্ধি কৰাৰ বাবে একাডেমী চৌহদৰ ভিতৰত এখন চিবিএছই বিদ্যালয়, এটা দক্ষতা কেন্দ্ৰ আৰু এখন নাৰ্চিং স্কুল স্থাপন কৰাৰ ঘোষমা কৰে। ভাৰতীয় সেনাৰ চিকিৎসা মহাবিদ্যালয়ৰ আৰ্হিত আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ঘোষণা কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত, অসমত ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীয়ে শীঘ্ৰেই ঘৰ পাব। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে ১৯ মাৰ্চত বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে গ্ৰেজুৱেট আৰু পোষ্ট গ্ৰেজুৱেট শিক্ষকৰ পৰীক্ষাৰ ফলাফল মে' মাহত প্ৰকাশ হ'ব বুলি কৈ কয় যে মে' মাহৰ প্ৰথম সপ্তাহত পোষ্ট গ্ৰেজুৱেট আৰু গ্ৰেজুৱেট শিক্ষকৰ ৯০৭৫টা পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফল ছেৱাই ঘোষণা কৰিব। ফাইনেল নিযুক্তি ১০ অক্টোবৰত হ'ব। ১০ অক্টোবৰলৈ আপোনালোকে ধৈৰ্য ধৰক। মুখ্যমন্ত্ৰীয়ে পুনৰ কয় যে যিসকল শিক্ষকে মোক সুধি আছে যে ৫৫৫০ৰ লিষ্ট কেতিয়া দিব। এপ্ৰিল মাহৰ ভিতৰত ডকুমেণ্ট ভেৰিফিকেচনৰ কাম সম্পূৰ্ণ কৰিম। মে' মাহৰ পৰা প্ৰভিজনেল লিষ্ট ওলাব। কিন্তু নিযুক্তি ১০ অক্টোবৰত হ'ব। নতুন নিযুক্তিৰ তালিকা ১০ অক্টোবৰৰ পিছত ওলাব। ১০ অক্টোবৰত যিসকলে নিযুক্তি পাব, তেওঁলোকে স্বাভাৱিকভাৱেই নতুন নিযুক্তিত এলপিৰ শিক্ষক এলপিত অৱতীৰ্ণ হ'ব নোৱাৰিব। কিন্তু আপাৰ প্ৰাইমাৰীৰ মেৰিট লিষ্টত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত হ'ব পাৰে। এডিআৰেই পৰীক্ষাত উত্তীৰ্ণসকলৰ বাবে হিমন্ত বিশ্ব শৰ্মাই কয় যে এডিআৰইত উত্তীৰ্ণসকলৰ বাবে জুনত অনুষ্ঠিত হ'ব আন এক পৰীক্ষা। এডিআৰেই চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ বাবে এতিয়া এটা অ'ৰেল টেষ্ট হ'ব। এই পৰীক্ষা জুন মাহত অনুষ্ঠিত হ'ব। আমাৰ লক্ষ্য হৈছে যাতে এডিআৰইৰ নিযুক্তিও ১০ অক্টোবৰত দিব পাৰো আৰু নৱেম্বৰ, ডিচেম্বৰ, জানুৱাৰীৰ ভিতৰত নতুন বিজ্ঞাপন দিয়া। আনহাতে, অসম আৰক্ষীৰ খালী পদক লৈ মুখ্যমন্ত্ৰীয়ে কয় যে বছৰৰ শেষৰফালে অসম আৰক্ষীত খালী হৈ থকা পদসমূহৰ বিজ্ঞাপন দিয়া হ'ব। মেট্ৰিক পৰীক্ষাত শেহতীয়াকৈ সমাজ অধ্যয়নৰ পৰীক্ষাৰ বিষয়ত উদ্বেগ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শৰ্মাই নিশ্চিত কৰে যে শিক্ষাৰ্থীসকলক অতিৰিক্ত নম্বৰ প্ৰদান কৰাৰ বিষয়ে আলোচনা চলি আছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত গৃহ প্ৰদানত উৎকোচ দিয়াৰ অভিযোগ উত্থাপিত হোৱাত মুখ্যমন্ত্ৰীয়ে পৰিৱৰ্তনৰ ঘোষণা কৰে। জীৱিকা সখীসকলে এতিয়া কাৰ্যকৰীকৰণ তদাৰক কৰিব। প্ৰৱঞ্চনা প্ৰতিৰোধ কৰিবলৈ এক জিঅ'-টেগিং প্ৰণালী প্ৰৱৰ্তন কৰা হৈছে। যাৰ ফলত খণ্ড আৰু জিলা পৰ্যায়ত বাস্তৱ ট্ৰেকিঙত অনুমতি দিয়া হৈছে। ২০ মাৰ্চত ডিব্ৰুগড়ত কেবিনেট অনুষ্ঠিত হ'ব। য'ত প্ৰাথমিক শিক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বিষয়ে আলোচনা কৰা হ'ব। ১০০ জন শিক্ষাৰ্থী থকা বিদ্যালয়ত প্ৰধান শিক্ষক নিয়োগ কৰা। কমেও ৫০ জন শিক্ষাৰ্থী থকা বিদ্যালয়ক পুনৰ বিবেচনা কৰা হ'ব। ২০০৬ চনৰ আগতে স্থাপিত বিদ্যালয়সমূহৰ অগ্ৰাধিকাৰ দিয়া হ'ব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। বিত্তমন্ত্ৰীৰ শেহতীয়া বাজেট ঘোষণাৰ কথা উল্লেখ কৰি দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে কল্যাণমূলক আঁচনিসমূহৰ কথা উল্লেখ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চন্দ্ৰযান-৫ৰ বাবে ইছৰ'ক অনুমোদন

সংকেত দিছিল। এইবাৰ ইছৰ'ৱে আৰম্ভ কৰিছে চন্দ্ৰযান-৫ৰো প্ৰস্তুতি। উল্লেখ্য যে, ইছৰ'ৱে ২০০৮ চনত চন্দ্ৰৰ ৰাসায়নিক, খনিজ আৰু ফটোজিঅ'লজিকেল বৈশিষ্ট্য অধ্যয়নৰ বাবে প্ৰথম অভিযান চন্দ্ৰযান-১ আৰম্ভ কৰিছিল। যদিও চন্দ্ৰযান-২ সম্পূৰ্ণৰূপে সফল নহ'ল, তথাপিও মহাকাশ সংস্থাটোৱে নিজৰ উচ্চ শক্তিসম্পন্ন কেমেৰাৰ পৰা গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিছিল। অৱশ্যে চন্দ্ৰযান-৩ অভিযানেৰে ভাৰতে ইতিহাস সৃষ্টি কৰে, যাৰ সাক্ষী হৈছিল সমগ্ৰ বিশ্ব। ইতিমধ্যে ভাৰতে ২০২৭ চনৰ ভিতৰত চন্দ্ৰযান-৪ উৎক্ষেপণৰ পৰিকল্পনা কৰিছে। ইয়াৰ সমান্তৰালকৈ চন্দ্ৰযান-৫ৰ প্ৰস্তুতিও আৰম্ভ হৈছে। জানিব পৰা মতে চন্দ্ৰযান-৫ অভিযানত ব্যৱহৃত ৰভাৰখন অধিক শক্তিশালী হ'ব। চন্দ্ৰযান-৩ৰ ৰভাৰ প্ৰজ্ঞানৰ ওজন আছিল মাত্ৰ ২৫ কেজি, চন্দ্ৰযান-৫ৰ ৰভাৰৰ ওজন হ'ব ২৫০ কিলোগ্ৰাম, যিটো প্ৰায় দহগুণ বেছি। চন্দ্ৰ অভিযানৰ ক্ষেত্ৰত ইটোৰ পিছত সিটো সফলতা স্থাপন কৰি ভাৰতে নতুন উচ্চতাত উপনীত হ'বলৈ বিচাৰিছে। চন্দ্ৰযান-৫ সফল হ'লে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই চন্দ্ৰৰ অজ্ঞাত ৰহস্য উন্মোচনৰ ক্ষেত্ৰত আৰু এখোজ আগুৱাই যাব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘৰলৈ আহি আছে সুনীতা-বুচ!

কেন্দ্ৰত সুদীৰ্ঘ ৯ মাহ কটোৱাৰ পিছত মঙলবাৰে সন্ধিয়া ফ্ল'ৰিডাৰ উপকূলত অৱতৰণ কৰাৰ কথা দুই মহাকাশচাৰীৰ। মূল পৰিকল্পনা অনুসৰি উইলিয়ামছ আৰু উইলম'ৰে বয়িঙৰ ষ্টাৰলাইনাৰ মহাকাশযানত মাত্ৰ সাত দিন মহাকাশ অভিযানত নামিছিল। কিন্তু ইঞ্জিনৰ বিসংগতি আৰু হিলিয়াম লিক হোৱাৰ বাবে ষ্টাৰলাইনাৰক নিৰাপদ ঘোষণা কৰা নহ'ল। ফলত নাছাই তেওঁলোকৰ উভতি অহাৰ পৰিকল্পনা পিছুৱাই দিবলৈ বাধ্য হয়। এই কঠিন পৰিস্থিতি অতিক্ৰম কৰাৰ পিছত এতিয়া তেওঁলোক স্পেচএক্সৰ ক্ৰু ড্ৰেগন কেপচুলৰ জৰিয়তে পৃথিৱীলৈ উভতি আহিব। তেওঁলোকৰ লগত থাকিব আন এজন আমেৰিকান মহাকাশচাৰী আৰু এজন ৰাছিয়ান মহাকাশচাৰী। দীৰ্ঘদিন ধৰি নাছা আৰু স্পেচএক্সে মসৃণ অৱতৰণ নিশ্চিত কৰিবলৈ বতৰৰ আৰ্হি নিৰীক্ষণ কৰি আহিছিল। পৰিস্থিতি অনুকূল হোৱাৰ বাবে নিৰ্ধাৰিত সময়ৰ এদিন আগতেই এইবাৰ পৃথিৱীলৈ ঘূৰাই অনাৰ সিদ্ধান্ত লোৱা হৈছে। নাছাই ঘোষণা কৰা অনুসৰি, ১৮ মাৰ্চ মঙলবাৰে উইলিয়ামছ আৰু উইলম'ৰে মহাকাশ কেন্দ্ৰ এৰিব। তেওঁলোকৰ কেপচুলটো ফ্ল'ৰিডাৰ উপকূলত অৱতৰণ কৰাৰ সম্ভাব্য সময় সন্ধিয়া ৫:৫৭ বজাত (পুব সময়) বা নিশা ৯:৫৭ বজাত (জিএমটি) নিৰ্ধাৰণ কৰা হৈছে। অনুকূল বতৰৰ বাবে এই সময় নিৰ্ধাৰণ কৰা হৈছে। প্ৰথম অৱস্থাত ২০ মাৰ্চত তেওঁলোকক ঘূৰাই অনাৰ পৰিকল্পনা আছিল যদিও সম্ভাব্য প্ৰতিকূল বতৰৰ পৰিস্থিতিৰ কথা মনত ৰাখি এদিন আগতে ঘূৰাই অনাৰ সিদ্ধান্ত লোৱা হয়। ইফালে নাছাই এই মহাকাশ অভিযানৰ প্ৰত্যাৱৰ্তন লাইভ সম্প্ৰচাৰ কৰাৰ পৰিকল্পনা কৰিছে। সোমবাৰে নিশা ১০:৪৫ বজাৰ পৰা (পুব সময় অনুসৰি) সম্প্ৰচাৰ আৰম্ভ হ'ব। মহাকাশচাৰীসকলৰ পৃথিৱীলৈ উভতি অহাৰ প্ৰতিটো মুহূৰ্ত নাছাৰ টিভি, নাছাৰ অফিচিয়েল ৱেবছাইট, নাছাৰ ইউটিউব চেনেলত লাইভত প্ৰত্যক্ষ কৰিব পাৰিব বিশ্ববাসীয়ে। দুয়োৰে প্ৰত্যাগমণৰ বাবে এতিয়া অধীৰ বিশ্ববাসী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকসভাত উদ্বেগ গৌৰৱৰ

প্ৰতিক্ৰিয়াৰ মাজতে আজি এই বিষয় দুটাক লোকসভাত উত্থাপন কৰে। আজি লোকসভাত অসমত বনাঞ্চল যথেষ্ট হ্ৰাস হোৱাৰ অভিযোগ উত্থাপন কৰি উদ্বেগ প্ৰকাশ কৰিছে লোকসভাত কংগ্ৰেছ দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে। লগতে হোলোঙাপাৰ গিবন অভয়াৰণ্যত তেল আৰু প্ৰাকৃতিক গেছ অন্বেষণৰ অনুমতি প্ৰদান কৰাত গৌৰৱ গগৈয়ে ডাঙৰ তেল কোম্পানীৰ স্বাৰ্থ জড়িত থকা বুলিও লোকসভাত প্ৰশ্ন উত্থাপন কৰে। বন ধ্বংসত জড়িত জিলা বন বিষয়াৰ ভূমিকাক লৈ তদন্ত হ'বনে বুলি কঠোৰ প্ৰশ্ন কৰে। পৰিৱেশ সংবেদনশীল হোলোঙাপাৰ গিবন অভয়াৰণ্য এলেকাৰ ভিতৰত তেল আৰু গেছ অন্বেষণৰ অনুমতি কিয় দিয়া হৈছিল বুলি প্ৰশ্ন কৰে গগৈয়ে। গৌৰৱ গগৈয়ে কয় যে এটা ডাঙৰ তেল কোম্পানীয়ে হোলোঙাপাৰ গিবন অভয়াৰণ্যত তেল আৰু গেছ অন্বেষণ কৰিব বিচাৰে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে ৰেড এলেকা তথা পৰিৱেশ সংবেদনশীল হিচাপে গিবন অভয়াৰণ্যত তেল আৰু গেছ অন্বেষণৰ অনুমতি নাথাকে। বন্যপ্ৰাণী অভয়াৰণ্য অন্বেষণৰ অনুমতি দিবই নোৱাৰে। কিন্তু অনুমতি দিয়া হৈছিল কিয়? পাৰিপাৰ্শ্বিকভাৱে সংবেদনশীল এলেকাত এনে কাৰ্যকলাপ নিষিদ্ধ। কেনেকৈ বন্যপ্ৰাণীৰ অনুমোদন লাভ কৰিছিল সেই সন্দৰ্ভত তেওঁ স্পষ্টীকৰণ দাবী কৰে আৰু অসমৰ জৈৱ বৈচিত্ৰ্যৰ বাবে ভাবুকি বুলি অভিহিত কৰে। কেন্দ্ৰীয় বন পৰিৱেশ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধমান সিঙে গগৈৰ প্ৰশ্নৰ উত্তৰ দি কেন্দ্ৰীয় চৰকাৰে চৰকাৰী নীতি নিৰ্দেশনাসমূহ পালন কৰি কাম কৰা বুলি দাবী কৰি কয় যে বন সংৰক্ষণ নিয়ামৱলী-১৯৮০ অনুসৰি সকলো নীতি-নিৰ্দেশনা দিয়াই আছে। উন্নয়নমূলক কাম-কাজ কেনেদৰে আগুৱাই নিব তেনেদৰে বন সংৰক্ষণৰ নিয়মাৱলী আছে তাৰ দ্বাৰা পৰিৱেশ আৰু বন ধ্বংস ৰোধ কৰিবলৈ যি কৰাৰ দৰকাৰ সেয়া চৰকাৰে কৰিব বুলি কয়। লগতে কাৰ্বি আংলং আৰু ডিমা হাচাওৰ সেইজ আৱৰণ ধ্বংস হোৱাৰ অভিযোগ আনি কাৰণ জানিব খোজে গগৈয়ে। বিগত দুই তিনি বছৰত বনাঞ্চল বৃদ্ধিৰ হোৱাৰ পৰিৱৰ্তে হ্ৰাস হোৱা বুলি উল্লেখ কৰে। আইএছএফআৰ প্ৰকাশিত প্ৰতিবেদনৰ তথ্য উল্লেখ কৰি গগৈয়ে কয় যে ২০২১ৰ পৰা ২০২৩ চনৰ ভিতৰত ৮৬.৬৬ বৰ্গ কিলোমিটাৰ বনাঞ্চল হ্ৰাস পাইছে। কাৰ্বি আংলং আৰু ডিমা হাচাওত জংঘল কাটি অবৈধ কয়লা খনন কৰি থকাৰ ফলত বনাঞ্চল হ্ৰাস পাইছে বুলি সদনত উদাত্ত কণ্ঠে তথ্য উল্লেখ কৰে গগৈয়ে। গগৈৰ দাবীৰ বিপৰীতে বন পৰিৱেশ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধমান সিঙে বনাঞ্চল বৃদ্ধি হোৱা বুলি দাবী কৰে। ৭৪৮.৬৫ বৰ্গ কিলোমিটাৰ বৃদ্ধি পাইছে। কিন্তু গৌৰৱ গগৈৰ তথ্য শুদ্ধ বুলি স্বীকাৰ কৰি .০৩৮ শতাংশ বনাঞ্চল হ্ৰাস বুলি উল্লেখ কৰে। সাংসদ গৌৰৱ গগৈৰ দাবী শুদ্ধ বুলি স্বীকাৰ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে কিয় বনাঞ্চল হ্ৰাস হৈছে তাৰ তদন্ত কৰা হ'ব। অসমত বনাঞ্চলৰ যথেষ্ট হ্ৰাস হোৱাত উদ্বেগ প্ৰকাশ কৰি লোকসভাত কংগ্ৰেছ দলৰ উপ-দলপতি গৌৰৱ গগৈয় অসমত বনাঞ্চল হ্ৰাস হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি আজি সদনত যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে অসমৰ ডিমা হাচাও, কাৰ্বি আংলঙত দ্ৰুত গতিত বনাঞ্চল হ্ৰাস কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা উত্তৰ বিচৰাক অনাগত দিনত ৰাজনীতিৰ চৰ্চাৰ বিষয় হ'ব পাৰে। আনহাতে, অসমৰ মান-অভিমান জড়িত হোলোঙাপাৰ গিবন অভয়াৰণ্যত তেল আৰু প্ৰাকৃতিক গেছ খননৰ অনুমতি প্ৰদানক লৈ প্ৰশ্ন তোলে। গৌৰৱ গগৈয়ে অবৈধ কয়লা খননৰ নামত কেনেদৰে ডিমা হাচাও, কাৰ্বি আংলং ধ্বংস কৰা হৈছে সেয়া স্বচক্ষে চাবলৈ শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধিক এলেকা পৰিভ্ৰমণ কৰিবলৈ দাবী উত্থাপন কৰিছে। লগতে স্থানীয় বন বিষয়াৰ ভূমিকাক তদন্ত কৰিবলৈ চৰকাৰক দাবী জনাইছে। অসমৰ মান-অভিমান জড়িত হোলোঙাপাৰ গিবন অভয়াৰণ্যত তেল আৰু প্ৰাকৃতিক গেছ খননৰ অনুমতি প্ৰদানক লৈ গৌৰৱ গগৈয়ে আজি কয় যে কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰণালয়ৰ অধীনস্থ বন উপদেষ্টা পৰিষদৰ পেনেলে বেদান্ত তেল আৰু গেছ কোম্পানীক গিবন অভয়াৰণ্যৰ ৪.৪৯ হেক্টৰ ভূমিত তেল খননৰ অনুমতি প্ৰদান কৰিছিল। কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰণালয়ে হোলোঙাপাৰাৰ গিবন অভয়াৰণ্যত বেদান্তক তৈল খনন চলোৱাৰ ষ্টেজ ওৱান অনুমতি প্ৰদান কৰাত প্ৰশ্ন উত্থাপন কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা উত্তৰ দাবী কৰে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে কয় যে হোলোঙাপাৰ গিবন অভয়াৰণ্যত নামেৰে এটা অৰ্থনৈতিক সংবেদনশীল মণ্ডল আছে। অৰ্থনৈতিকভাৱে সংবেদনশীল অঞ্চলত বহু কাম-কাজ নিষিদ্ধ। ২০১৮ চনত অধিসূচনা জাৰি কৰি তেল আৰু প্ৰাকৃতিক গেছ খননৰ দৰে কাৰ্যকলাপ নিষিদ্ধ কৰা হয়। কিন্তু ২০১৯ চনত যেতিয়া চূড়ান্ত অধিসূচনা হয় তেতিয়া তাত তেল আৰু প্ৰাকৃতিক গেছ খননৰ কথা অন্তৰ্ধান হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অমিত শ্বাহক কংগ্ৰেছৰ ক্ষমা খোজাৰ

কংগ্ৰেছে সহ্য নকৰে। গামোচক লৈ কৰা অপমানৰ প্ৰতিবাদত আজি অসম প্ৰদেশ কংগ্ৰেছে গুৱাহাটীত এক বিশাল প্ৰতিবাদৰ কাৰ্যসূচী পালন কৰে আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰতিমূৰ্তি দাহ কৰে। গামোচাৰ প্ৰতি কৰা এই অপমানৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীজনক ৰাজহুৱাভাৱে ক্ষমা খুজিবলৈ দাবী জনাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে। আজি দিনৰ ১২ বজাত গুৱাহাটীৰ লাষ্টগেটৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে মিলিত হৈ বিজেপি নেতৃত্বাধীন চৰকাৰখনে বাৰে বাৰে অসমবাসীক প্ৰতাৰণা আৰু অপমানিত কৰাৰ অভিযোগ উত্থাপন কৰি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ মুৰ্দাবাদ ধ্বনি দিয়ে। প্ৰতিবাদী কংগ্ৰেছ নেতা-কৰ্মীসকলে অসমীয়া গামোচাক লৈ কেৱল বিজেপিয়ে ৰাজনীতি কৰে বুলি উল্লেখ কৰি বিজেপিৰ নেতাসকল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক নিলাজ আখ্যা দিয়ে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক বিপুল গগৈৰ নেতৃত্বত কংগ্ৰেছ কৰ্মীসকলে বিজেপি হায়ঃ হায়ঃ ধ্বনি দিয়ে। সাংবাদিককেৰে হোৱা বাৰ্তালাপত বিপুল গগৈয়ে কয় যে অসমীয়াৰ আদৰৰ গামোচাখন মুখ্যমন্ত্ৰীয়ে ডিঙিত পিন্ধাবলৈ যোৱা স্বত্বেও কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে গামোচাখন প্ৰত্যাখ্যান কৰা কথাটো অসমবাসীৰ প্ৰতি এক অপমান বুলি উল্লেখ কৰে। গগৈয়ে কয় যে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই অজানিতে মিচিং জনগোষ্ঠীৰ সন্মানীয় বস্ত্ৰ 'ৰিবি গাচেং'ৰ ওপৰত আসন গ্ৰহণ কৰাৰ ঘটনাৰ বিতৰ্ক কৰি বিজেপিৰ বিধায়কে সংবাদমেল দিছিল আৰু সভাপতি ভূপেন বৰাই ইয়াৰ বাবে ক্ষমা খুজিবলগীয়া হৈছিল। এতিয়া বিজেপিৰ নেতাই অসমৰ গামোচাক প্ৰত্যাখ্যান কৰাৰ বাবে আমি ক্ষমা খোজাৰ দাবী উত্থাপন কৰিছো। অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ উপ-সভাপতি নৃপেন ঠাকুৰীয়া, বালিকা লাহন পেগু, গুণকান্ত গগৈ, সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, অৰুণ টিৱাৰী, জ্যেষ্ঠ নেতা কুশল শৰ্মা, মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মা প্ৰমুখ্যে নেতা-কৰ্মীসকলে প্ৰায় এঘণ্টা জুৰি আজি ধৰ্ণা কাৰ্যসূচী পালন কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত অসম প্ৰদেশৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় যে বিজেপিৰ নেতাসকলে ভোট বিচাৰি ৰাইজৰ আগত আৱেগিক হৈ গামোচা পৰিধান কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সময়ে সময়ে গাচোমাখন কান্ধত লয়। অসমৰ স্বাভিমানৰ প্ৰতীক গামোচাক লৈ ৰাজনীতি নকৰিবলৈ বৰাই সকীয়াই দিয়ে আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গামোচাৰ প্ৰতি কৰা অনাদৰৰ বাবে অসমৰ ৰাইজৰ আগত ক্ষমা বিচাৰিব লাগে বুলি উল্লেখ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষীক নিদি, ন্যায়িক জিম্মাত দিয়া

মাৰ্চলৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। আদালতে পুনৰ জামিন নাকচ কৰাৰ লগতে আৰক্ষীক জিম্মাত নিদি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে ৰীতম সিঙক। লখিমপুৰ আৰক্ষীয়ে যোৱা ১৫ মাৰ্চত গুৱাহাটী নিজ বাসভৱনৰ পৰা বলপূৰ্বে গ্ৰেপ্তাৰ কৰি লখিমপুৰলৈ লৈ গৈছিল ৰীতম সিঙক। ৰীতমক আজি পুনৰবাৰ স্থানীয় বিশেষ আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে কংগ্ৰেছ নেতাজনক আৰক্ষীক জিম্মাত দিয়াৰ পৰিৱৰ্তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ১৫ মাৰ্চত গ্ৰেপ্তাৰ হোৱা ৰীতম সিঙক ১৬ মাৰ্চত সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱাত আজি পুনৰ ১০ বজাত আদালতত হাজিৰ কৰোৱাৰ নিৰ্দেশ দিছিল। ৰীতম সিঙক আৰক্ষীয়ে জিম্মাত বিচাৰিছিল দিও ৰীতম সিঙৰ অধিবক্তাৰ বিৰোধ কৰাত আদালতে আৰক্ষীৰ জিম্মাত নিদি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। জামিন আৱেদনৰ শুনানি গ্ৰহণ কৰি আজি আদালতে পুনৰ ২৯ মাৰ্চলৈ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে ৰীতমক। কংগ্ৰেছৰ মুখপাত্ৰজনৰ বিৰুদ্ধে বিজেপিৰ বিতৰ্কিত বিধায়ক মানৱ ডেকাৰ পত্নী ৰাজশ্ৰী শইকীয়াই লখিমপুৰ সদৰ থানাত এক গোচৰ ৰুজু কৰিছিল। বিধায়কৰ পত্নীৰ গোচৰৰ ভিত্তিত লখিমপুৰ আৰক্ষীয়ে ৰীতম সিঙক গুৱাহাটীৰ পৰা লখিমপুৰলৈ লৈ যায়। ৰীতম সিঙে সামাজিক মাধ্যমত বিধায়কজনৰ বিৰুদ্ধে ধৰ্ষণৰ গোচৰ ৰুজু হৈ থকাৰ অভিযোগ অনাৰ লগতে 'ঘৰজোঁৱাই' বুলি অভিযোগ আনিছিল। বিধায়ক পত্নীয়ে এই অভিযোগে বিধায়ক আৰু তেওঁৰ মানহানি হোৱা বুলি গোচৰ ৰুজু কৰিছিল। আৰু ভাৰতীয় ন্যায় সংহিতাৰ ৩৫৬ (২-বি) অধীনত গোচৰ ৰুজু হৈছিল। উল্লেখ্য যে আন এটা গোচৰত বিধায়ক পত্নীয়ে অনুসূচিত জাতিৰ হোৱাৰ বাবে তেওঁ সুৰক্ষা বিচাৰি আৱেদন কৰিছিল। মন কৰিবলগীয়া কথাটো হ'ল বিতৰ্কিত কৰ আয়ুক্ত হেমৰাম কেওটৰ জীয়ৰী হোৱাৰ সূত্ৰে বিধায়ক পত্নীয়ে নিজকে অনুসূচিত জাতিৰ বুলি দাবী কৰিছে। কৰ আয়ুক্ত হেমৰাম কেওট অনুসূচিত জাতিৰ লোক হয় নে নহয় সেই বিষয়ত এসময়ত চৰ্চা চলিছিল আৰু হেমৰাম কেওটৰ পত্নীৰ গোচৰৰ আধাৰতে মানৱ ডেকা এবাৰ জেললৈ যাবলগীয়া হৈছিল। বিধায়কজনৰ বিৰুদ্ধে গোচৰ ৰুজু হৈ আছে বুলি নিৰ্বাচন আয়োগৰ শপতনামাত মানৱ ডেকাই নিজেই উল্লেখ কৰিছে। আদালতৰ বিচাৰাধীন বিষয়টো শেষ মুহূৰ্তত কি মোৰ লয় সেয়া লক্ষ্যণীয় হ'ব। ৰীতমৰ গ্ৰেপ্তাৰে প্ৰতিক্ৰিয়া অব্যাহত ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩০ মাৰ্চ! পঞ্চায়ত নিৰ্বাচনৰ দিন

টকা কেন্দ্ৰলৈ উভতি যোৱাৰ আশংকা কৰিছে। যি টকা অব্যৱহৃত হৈ আছে। বৃহস্পতিবাৰে মধ্য অসমত সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপৰ সময়ত বৰাই কয় যে আমি ইতিমধ্যে সিদ্ধান্ত লৈছো যদি চৰকাৰে ৩০ মাৰ্চৰ আশে পাশে নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাত বিফল হয়, তেন্তে আমি ৪৮ ঘণ্টাৰ ভিতৰত গৌহাটি উচ্চ ন্যায়ালয়লৈ যাম। তেওঁ বিশ্বাস ব্যক্ত কৰে যে ন্যায়পালিকাই সময়মতে নিৰ্বাচন নিশ্চিত কৰিব, যি গ্ৰাম্য উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ। কংগ্ৰেছে বাৰে বাৰে পঞ্চায়ত নিৰ্বাচন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখাৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰিছে। তৃণমূল প্ৰকল্পৰ বাবে কেন্দ্ৰীয় পুঁজি অৱৰুদ্ধ কৰাৰ কথা উল্লেখ কৰি আহিছে। বৰাই উল্লেখ কৰে যে যদি নিৰ্বাচন ততোধিক বিলম্বিত হ'লে কেন্দ্ৰৰ অব্যৱহৃত ১,১০০ কোটি প্ৰত্যাহাৰ কৰিব পাৰে। ৰাজ্য চৰকাৰৰ পৰা কোনো আনুষ্ঠানিক সঁহাৰি নোপোৱাৰ বাবে, কংগ্ৰেছে এক দৃঢ় সময়সীমা নিৰ্ধাৰণ কৰিছে। প্ৰশাসনৰ নিষ্ক্ৰিয়তাই তেওঁলোকক ন্যায়িক হস্তক্ষেপ বিচাৰিবলৈ বাধ্য কৰে বুলি উল্লেখ কৰে। পঞ্চায়ত নিৰ্বাচন স্থানীয় শাসনৰ বাবে গুৰুত্বপূৰ্ণ আৰু অচলাৱস্থাৰ বাবে অসমৰ গাঁওবোৰত উন্নয়নমূলক পদক্ষেপবোৰ বন্ধ হোৱাৰ আশংকা আছে। আনহাতে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে সংবাদমেল সম্বোধন কৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব নালাগে বুলি চৰকাৰক দাবী জনাইছে। অখিল গগৈয়ে কয় যে বিজেপি চৰকাৰে পঞ্চায়ত নিৰ্বাচন হোহকা-পিচলা কৰি পাতিব বিচাৰিছে। এতিয়া যি সময়ত বিজেপি চৰকাৰে পঞ্চায়ত নিৰ্বাচন পাতিব বিচাৰিছে, সেই সময়ত মই পাতিব নালাগে বুলিহে কওঁ। ৰাইজৰ দলৰ সভাপতি আৰু নিৰ্বাচিত জনপ্ৰতিনিধি হিচাপে অসম চৰকাৰক আহ্বান জনাওঁ যে খেতিৰ সময়ত পঞ্চায়ত নিৰ্বাচন বন্ধ কৰিব লাগে। বিহুৰ পাছতেই যদি নিৰ্বাচন হয়, তেতিয়া মানুহ তাতেই ব্যস্ত হৈ পৰিব। এতিয়ালৈকে যিহেতু চৰকাৰে নিৰ্বাচন নাপাতিলেই, গতিকে এপ্ৰিল-মে' মাহতো নালাগে। অখিল গগৈৰ প্ৰশ্ন, বিহুৰ পাছত যদি আকৌ জনসাধাৰণ নিৰ্বাচনক লৈ ব্যস্ত হৈ পৰিবলগীয়া হয়, তেতিয়াহ'লে অসমীয়া মানুহে খেতি কৰিব কেতিয়া? অখিল গগৈয়ে চৰকাৰক সমালোচনা কৰি কয়, জাতিটোক উৎপাদনশূণ্য কৰি চৰকাৰে হিতাধিকাৰী কৰি পেলাইছে। এই যুক্তি ডাঙি ধৰি অখিল গগৈয়ে এপ্ৰিল-মে' মাহত নিৰ্বাচন পতাৰ বিৰোধিতা কৰে। তেওঁ পুনৰ কয়, ৰাইজৰ দলৰ সভাপতি হিচাপে দায়িত্বসহকাৰে মই অসমৰ মুখ্যমন্ত্ৰী আৰু নিৰ্বাচন আয়োগক অনুৰোধ জনাইছো যে, এই সময়ত পঞ্চায়ত নিৰ্বাচন পাতিব নালাগে। খেতিৰ পাছত যেতিয়া আজৰি সময় থাকিব, তেতিয়া নিৰ্বাচন পাতিবলৈ অনুৰোধ কৰিছো। খেতি এৰি যদি নিৰ্বাচন, বিহুৰ কম্পিটিচন, ঝুমুৰ, ব'ল ব'ম আদিত অংশ লৈ থাকোঁতে অসমীয়া মানুহ উৎপাদন বিমুখ হৈ পৰিছে। মানুহক পেচাদাৰী হ'বলৈ শিকোৱা সময়ত কেৱল হিতাধিকাৰী আৰু উৎসৱত মগন কৰি সোৰোপা জাতিত পৰিণত কৰিছো। যি সময়ত জাতিক পেচাদাৰী কৰি গঢ়ি তুলিব লাগে, সেই সময়ত চৰকাৰে আনৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছে। এনেদৰে অখিল গগৈয়ে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বিৰোধিতা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অপহৃত বিজেপি বিধায়কৰ নাতিনী!

অভিযোগ উত্থাপন হোৱা ঘটনাই সৰ্বত্ৰে ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, শুকুৰবাৰৰ পৰা ৰহস্যজনকভাৱে সন্ধানহীন হৈ আছিল বিধায়কজনৰ নাতিনীয়েক। এই ঘটনা সন্দৰ্ভত নাবালিকাগৰাকীৰ পৰিয়ালে মৰিগাঁও সদৰ থানাত ৭৮/২০২৫, বিএনএছৰ ১৪০(৩), ১১১(২)(বি) ধাৰাত এটা গোচৰ ৰুজু কৰিছিল। ৰুজু কৰা উক্ত গোচৰটোত যুৱতীগৰাকীৰ পৰিয়ালে ইয়াক এক অপহৰণ কাণ্ড বুলি সন্দেহ কৰিছিল। লগতে এই অপহৰণ কাণ্ডৰ মূল নায়ক হিচাপে মৰিগাঁও চহৰৰ সমীপৰ দন্দুৱা অঞ্চলৰ আৰমান ৰহমান নামৰ এজন যুৱকলৈ পৰিয়ালে আঙুলি টোঁৱাইছে। ইয়াৰ পৰিপ্ৰেক্ষিতত শুকুৰবাৰৰ পৰা ভাগে ভাগে মৰিগাঁও আৰক্ষীয়ে অপহৃত নাবালিকা আৰু যুৱকজনক বিচাৰি ব্যাপক অভিযান চলাই ফুৰিছে। এই ঘটনাটো সংঘটিত হোৱা তিনিদিন পাৰ হ'ল যদিও নাবালিকাগৰাকী আৰু অপহৰণৰ অভিযুক্ত আৰমান ৰহমানৰ সন্ধান আজিও উলিয়াবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে। ইফালে, এই ঘটনাক লৈ অসম আৰক্ষীৰ বৰমূৰীয়া বিষয়াসকল এতিয়া টোপনি যাব নোৱাৰা অৱস্থা হৈছে বুলি জনা গৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে আজি আৰমানৰ পিতৃ ফিজুলৎ ৰহমানক আটক কৰিছে। ইয়াৰ উপৰিও অভিযুক্ত আৰমানৰ বন্ধু ভৱজিত মেধি, অবিনাশ ঠাকুৰীয়া ৰহমান আৰু এগৰাকী কিশোৰীকো আৰক্ষীয়ে আটক কৰি মৰিগাঁও থানাত সোধাপোছা অব্যাহত ৰাখিছে। উল্লেখ্য যে এই ঘটনাৰ পাছতে আজি মৰিগাঁৱৰ দন্দুৱা হাফিজীয়া মাদ্ৰাছাত খিলঞ্জীয়া মুছলমান ৰাইজে এখন সভা অনুষ্ঠিত কৰি অভিযুক্ত যুৱকজনৰ পৰিয়ালক এঘৰীয়া কৰিছে বুলি জানিব পৰা গৈছে। শেহতীয়াকৈ লাভ কৰা তথ্য অনুসৰি উক্ত যুৱতীগৰাকীৰ সৈতে অভিযুক্ত যুৱকজনক গোলাঘাট জিলাৰ সৰুপথাৰত উদ্ধাৰ হৈছে। অৱশ্যে এইক্ষেত্ৰত অধিক তথ্য প্ৰদানৰ পৰা বিৰত আছে আৰক্ষী। এই ঘটনাই সমগ্ৰ মৰিগাঁৱত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধায়ক পৰমাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি

পথ নিৰ্মাণ নকৰাত ৰাইজে পৰমানন্দ ৰাজবংশীক আৱদ্ধ কৰি প্ৰতিবাদ কৰিছিল। প্ৰতিবাদ কৰিছিল কেইবা শ লোকে। কেইবা শ লোকে প্ৰতিবাদ কৰিবলৈ আহিছিল যদিও দুই ভাতৃক টাৰ্গেট কৰি গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আজি ঘৰৰ পৰা উঠাই আৰক্ষী থানাত বহুৱাই ৰাখি শেষত গোচৰ ৰুজু কৰি দুই ভাতৃক গ্ৰেপ্তাৰ কৰে ছিপাঝাৰ আৰক্ষীয়ে। ১৫ মাৰ্চত পৰমানন্দ ৰাজবংশী কেইবা শ লোকৰ ৰোষত পৰিছিল। সেই বাতৰি কৰাত ১৬ মাৰ্চত সাংবাদিকে প্ৰকাশ কৰাত পইছা পালে সাংবাদিকে মাতৃকো বিক্ৰী কৰিব বুলি বিতৰ্কিত মন্তব্য কৰাৰ লগতে ৰাজবংশীৰ ঘনিষ্ঠৰ এজাহাৰৰ ভিত্তিত দুই ভাতৃক ধৰি আনি থানাত বহুৱাই ৰাখে। শেষত কেইবা ঘণ্টা থানাত বহুৱাই ৰাখি দুই ভাতৃক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। সাংবাদিকক লৈ অশালীন ভাষা ব্যৱহাৰ কৰি ক্ষান্ত নাথাকিল বিতৰ্কিত বিধায়ক ৰাজংবশী। প্ৰতিবাদত অংশ লোৱা দুই ভাতৃ হিতেশ ডেকা আৰু মুকেশ ডেকাক গ্ৰেপ্তাৰ কৰে। মুকেশ ডেকা পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলৰ আছিল। মুকেশ ডেকাৰ পত্নী ৰূপা ডেকা বিজেপিৰ হাজৰিকাপাৰাৰ ৭ নং পঞ্চায়তৰ ৱাৰ্ড সদস্য। আজি ছিপাঝাৰ থানা চৌহদত ৰূপা ডেকাই বিধায়ক ৰাজবংশীৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰি কয় যে বিধায়কক মই ছাৰ বুলি মাতিছিলো, আজি মই তেওঁক ঘৃণা কৰো। মই বিজেপি দলত কৰ্মী বুলি কবলৈ লাজ পাইছো। মোৰ স্বামী আৰু দেওৰৰ একো দোষ কৰা নাই। ৰূপা ডেকাই ক্ষোভ উজাৰি কয় যে ৱাড সদস্য হিচাপে ময়েই তেওঁক পথ দেখুৱাবলৈ মাতি আনিছিলো। গাঁৱৰ মহিলাসকলে তেওঁক কথাখিনি কৈছিল। কিন্তু বিধায়কজনৰ চালকজনেহে ৰাইজক বেয়া ব্যৱহাৰ কৰাত ৰাইজে বেয়া পাইছে। দুই এক ফাকুৱা খেলি অহা লৰাই চিঞৰ বাখৰ কৰিছে যদিও আমাৰ গাঁৱৰ ৰাইজে বিধায়কক বেয়া ব্যৱহাৰ কৰা নাই বুলিও তেওঁ কয়। ফাকুৱাৰ নিশা দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ হাজৰিকাপাৰা গাঁৱত উত্তেজনা বিয়পিছিল। গাঁওখনৰ একাংশ ৰাইজে বিধায়ক পৰমানন্দ ৰাজবংশীক আৱদ্ধ ধৰি পথ নিৰ্মাণ নকৰাত পতিবাদ কৰিছিল। পথটো নিৰ্মাণৰ নামত ৰাইজৰ পৰা বিষয়া-অভিযন্তাই ৩০ টকা ঘোচ লৈছিল। যাৰ ফলত ক্ষুদ্ধ গাঁওখনৰ ৫ শতাধিক ৰাইজে বিধায়কগৰাকীৰ গাড়ী আৱদ্ধ কৰি জবাবদিহি কৰিছিল। ইয়াকে লৈ সমষ্টিত তীব্ৰ উত্তেজনাই বিৰাজ কৰাৰ সময়তে আজি দুই প্ৰতিবাদকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰাত ৰাইজ জাঙুৰ খাই উঠিছে। বিধায়কগৰাকীৰ ঘনিষ্ঠই দিয়া এজাহাৰৰ ভিত্তিত আজি দুই সহোদৰ ভাতৃক ছিপাঝাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। ইয়াকে লৈ অঞ্চলটোত অব্যাহত আছে উত্তেজনা। ছিপাঝাৰ সমষ্টি বিজেপিৰ ভোটৰ দুৰ্গ হৈছে বৃহত্তৰ হাজৰিকাপাৰা অঞ্চল। ভোটৰ বিন্যাস চাই বিধায়ক ৰাজবংশীয়েও উক্ত অঞ্চলতে বহু উন্নয়নমূলক কাম কৰা বুলিও দাবী কৰিছে বিজেপি কৰ্মীসকলে। কিন্তু উক্ত স্থানতে নিশা বিধায়কজনক ৰাইজে আৱদ্ধ ধৰি জবাবদিহি কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সাধাৰণতে শিক্ষা-সাহিত্য-সংস্কৃতিত আগবঢ়া ছিপাঝাৰৰ ভোটাৰসকল যথেষ্ঠ সচেতন। বিগত নিৰ্বাচনত ৰাজবংশীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানত ৰাইজে ভোটদান কৰি বিজয়ী কৰিছিল। কিন্তু বিধায়কজনৰ অসংলগ্ন আৰু অপ্ৰাসংগিক কথা-বাৰ্তাই প্ৰতিষ্ঠান বিৰোধী ঢৌ বলিবলৈ আৰম্ভ কৰিছে। ইফালে সাংবাদিকসকলক লৈ কৰা অশোভনীয় মন্তব্যক লৈ জিলাখনত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। প্ৰতিক্ৰিয়া দেখি লগে লগে সংবাদ মাধ্যমক ক্ষমা বিচাৰে যদিও সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰা পৰমানন্দ ৰাজবংশীক লাউপাত-কচুপাত নবকি মুখ্যখন চম্ভালিবলৈ পৰামৰ্শ দিছে বিভিন্ন জনে। বিতৰ্কই লগ নেৰা বিধায়কগৰাকীৰ ঘনিষ্ঠই দিয়া এজাহাৰৰ ভিত্তিত আজি পিঠাখোৱাৰ দুই ভাতৃ হিতেশ ডেকা আৰু মুকেশ ডেকাক কাৰাগাৰলৈ প্ৰেৰণ কৰাত পুনৰ সৃষ্টি হৈছে উত্তেজনা। ইপিনে, গাঁওখনৰ গুৰুত্বপূৰ্ণ পথটোৰ উন্নয়নৰ নামত কমিচনৰাজৰ পোহাৰ মেলা ধুৰন্ধৰ কনিষ্ঠ অভিযন্তা নিতুমণি মজুমদাৰক আটক কৰাৰ পৰিৱৰ্তে প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰাত সমষ্টিটোত সৃষ্টি হৈছে বিৰূপ প্ৰতিক্ৰিয়াৰ। দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতাৰ পাঠ পঢ়াই অহা চৰকাৰখনৰ এটা পথৰ উন্নয়নৰ নামত সংঘটিত অবাঞ্চিত ঘটনাই ফোপোলা স্বৰূপটো উদঙাই দিয়াত খোদ বিজেপিৰে একাংশ নিষ্ঠাৱান কৰ্মীৰ চকু কপালত উঠিছে। আনকি এনে কাণ্ডই সমষ্টিটোত আগন্তুক বিধানসভা নিৰ্বাচনত শাসকীয় দলটো বিপদত পৰাৰ আশংকা প্ৰকাশ পাইছে।

# ডিব্ৰুগড় কাৰাগাৰৰ পৰা মুকলি অমৃতপালৰ ৩ সহযোগী

**ই-সংবাদ, ১৭ মাৰ্চঃ** ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ পৰা পঞ্জাৱলৈ প্ৰত্যাৱৰ্তন কৰা হ'ব ৰাৱিছ পঞ্জাৱ দেৰ মুৰব্বী অমৃতপাল সিঙক। পঞ্জাৱ চৰকাৰে খালিস্তানি বিচ্ছিন্নতাবাদী আৰু লোকসভাৰ সাংসদ অমৃতপাল সিঙৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ (এনএছএ) ম্যাদ বৃদ্ধি নকৰাৰ সিদ্ধান্ত লৈছে। যাৰ ফলত নিয়মীয়া আদালতৰ প্ৰক্ৰিয়াত বিচাৰৰ সন্মুখীন হ'বলৈ পঞ্জাৱলৈ উভতাই অনাৰ পথ প্ৰশস্ত হৈছে। বৰ্তমান এনএছএৰ অধীনত আটক কৰা সিঙক ২০২৫ চনৰ এপ্ৰিলত এনএছএৰ আটকৰ পৰা ম্যাদ সমাপ্ত হ'ব। পঞ্জাৱ আৰক্ষীয়ে কাৰাগাৰত বন্দী খাদুৰ চাহিবৰ সাংসদ অমৃতপাল সিঙৰ সাতজন সহযোগীক অসমৰ ডিব্ৰুগড় কাৰাগাৰৰ পৰা ঘূৰাই অনাৰ পৰিকল্পনা কৰিছে। কিয়নো ৰাজ্য চৰকাৰে কঠোৰ ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ (এনএছএ) অধীনত আটকৰ সম্প্ৰসাৰণ নকৰাৰ সিদ্ধান্ত লৈছে। পঞ্জাৱৰ ডিজিপি গৌৰৱ যাদৱে কয় যে তেওঁলোকক এনএছএৰ পৰা মুকলি কৰাৰ পিছত সাতজন সহযোগীয়ে আজনালা আৰক্ষী থানাত হোৱা আক্ৰমণৰ সন্দৰ্ভত বিচাৰৰ সন্মুখীন হ'ব। আৰক্ষী অধীক্ষক হৰিন্দৰ সিং গিলৰ নেতৃত্বত এটা আৰক্ষী দল ডিব্ৰুগড়ত উপস্থিত হৈছে। ডিব্ৰুগড়ৰ আদালতত হাজিৰ কৰোৱা হ'ব আৰু তেওঁলোকৰ ট্ৰেঞ্জিট ৰিমাণ্ড বিচাৰিব যাতে তেওঁলোকক পঞ্জাৱলৈ ঘূৰাই আনিব পৰা যায়। ২০২৩ চনৰ মাৰ্চ মাহৰ বৃহৎ নিৰাপত্তা বেষ্টনীৰ মাজত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা ৰাৱিছ পঞ্জাৱ দেৰ মুৰব্বী অমৃতপাল সিঙৰ তিনি ঘনিষ্ঠ সহযোগীক সোমবাৰে পঞ্জাৱ আৰক্ষীৰ এটা ২৫ জনীয়া দলে জিম্মাত লয়। স্থানীয় আদালতৰ পৰা অনুমতি লাভ কৰাৰ পিছতে পঞ্জাৱ আৰক্ষীৰ দলটোৱে গুৰমিত সিং বুক্কানৱালা, ভগৱন্ত সিং আৰু বসন্ত সিঙৰ জিম্মাত লয়। পঞ্জাৱ আৰক্ষীৰ দলটোৱে ডিব্ৰুগড় কাৰাগাৰত বন্দী অমৃতপালসহ সাতজন ৰাৱিছ পাঞ্জাৱ দে সদস্যৰ ট্ৰেঞ্জিট ৰিমাণ্ডৰ বাবে আবেদন কৰিছিল। কিন্তু কিছু আইনী জটিলতাৰ বাবে তেওঁলোকৰ মাত্ৰ তিনিজনক ট্ৰেঞ্জিট ৰিমাণ্ডক অনুমতি দিয়ে আদালতে। পঞ্জাৱ আৰক্ষীয়ে মঙলবাৰে বাকী সদস্যসকলৰ ট্ৰেঞ্জিট ৰিমাণ্ডৰ বাবে পুনৰ আবেদন কৰিব। কুলৱন্ত সিং ধালিৱাল, গুৰিন্দৰপাল সিং ঔজলা ওৰফে গুৰি ঔজলা, হৰজিৎ সিং আৰু দলজিৎ সিং কালচিৰ বাবে ট্ৰেঞ্জিট ৰিমাণ্ডৰ বাবে পুনৰ আবেদন কৰিব। ২০২৩ চনৰ আজনালা আৰক্ষী থানা আক্ৰমণৰ গোচৰৰ বাবে পঞ্জাৱলৈ নিয়া হয়। পঞ্জাৱ আৰক্ষীয়ে ২০২৩ চনৰ আজনালা আৰক্ষী থানা আক্ৰমণৰ ঘটনাৰ সন্দৰ্ভত আনুষ্ঠানিকভাৱে সাতজনক গ্ৰেপ্তাৰ কৰিব। ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ (এনএছএ) অধীনত আটক কৰা হৈছিল। কিন্তু পঞ্জাৱ আৰক্ষীয়ে থানা আক্ৰমণৰ গোচৰত আনুষ্ঠানিকভাৱে অভিযুক্ত কৰা নাছিল। আম আদমী পাৰ্টিৰ পঞ্জাৱ চৰকাৰে ৰাৱিছ পাঞ্জাৱ ডিৰ সাতজন সদস্যৰ বিৰুদ্ধে এনএছএ ম্যাদ বৃদ্ধি নকৰাৰ সিদ্ধান্ত লয় দুবছৰীয়া আটকৰ ম্যাদ ১৯ মাৰ্চত শেষ হ'ব। অৱশ্যে পঞ্জাৱ চৰকাৰে পৰৱৰ্তী সিদ্ধান্ত নোলোৱালৈকে অমৃতপাল সিং, বৰিন্দৰ সিং জোহাল আৰু পাপলপ্ৰীত সিঙকে ধৰি বাকী তিনিজন ৰাৱিছ পাঞ্জাৱ ডি সদস্যই ডিব্ৰুগড় কাৰাগাৰত থাকিব। অমৃতপাল সিঙে ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত ডিব্ৰুগড় কাৰাগাৰত থাকোতেই খাদুৰ চাহিবৰ পৰা সাংসদ নিৰ্বাচিত হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদ

# অৰুণোদয় নোপোৱা মহিলাৰ ৰণচণ্ডী ৰূপ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৭ মাৰ্চঃ** অৰুণোদয়ৰ নামত পইচা খোৱা বন্ধ কৰক, অৰুণোদয়ৰ নামত দুৰ্নীতিৰ বন্ধ কৰক, অৰুণোদয়ৰ দালালকেইটাক গ্ৰেপ্তাৰ কৰক, অৰুণোদয়ৰ নামত দালালৰাজ বন্ধ কৰক, অৰুণোদয় আমাক লাগিবই ইত্যাদি বিভিন্ন প্ৰতিবাদী শ্ল'গানত আজি একপ্ৰকাৰ কঁপি উঠিল তিনিচুকীয়া চহৰৰ বৰগুৰি। বাণিজ্যিক চহৰ তিনিচুকীয়াৰ সমীপৰ বৰগুৰিস্থিত জিলা ৭ পৃষ্ঠাত



মাইক্ৰ'ফাইনেন্সৰ পৰা অৰুণোদয়, বৃদ্ধ পেঞ্চনৰ পৰা স্মাৰ্ট মিটাৰলৈকে বিভিন্ন দাবীত উত্তাল তিনিচুকীয়া

# চোৰাং সৰবৰাহৰ পূৰ্বে ডিব্ৰুগড়ত জব্দ ১৬ কোটি টকাৰ দুস্প্ৰাপ্য চেঙা মাছ

**ই-সংবাদ, ডিব্ৰুগড়, ১৭ মাৰ্চঃ** সচৰাচৰ অসমৰ গাঁৱৰ খাল-বিলত বৰশী টোপালেই খেদা মাৰি অহা চেঙা বা চেঙেলীৰ মূল্য শুনিলে আপোনাৰো হয়তো চকু কপালত উঠিব। সুন্দৰ যৌৱনক আজীৱন ধৰি ৰাখিবৰ বাবেই এই চেঙা মাছৰপৰা প্ৰস্তুত কৰা ঔষধ শেষাংশ ৭ পৃষ্ঠাত

# কৰ ফাঁকিৰে মিডিয়া হাউচ চলোৱা দুলাল বৰাক ১২ লাখ টকাৰ জৰিমনা

**ই-সংবাদ, ১৭ মাৰ্চঃ** পুনৰ বিপদত পৰিছে বহু বিতৰ্কিত আৰটিআই কৰ্মী দুলাল বৰা। তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত আৱেদন কৰি ধন লোৱাৰ বহু অভিযোগ তথা নিজৰ ৱেব পৰ্টেলত বাতৰি কৰি মানুহক প্ৰৱঞ্চনা কৰাৰ অভিযোগত জেল খাই অহা দুলাল বৰাৰ বিৰুদ্ধে এইবাৰ কৰ ফাঁকি দিয়াৰ অভিযোগ উত্থাপন হৈছে। শেষাংশ ৭ পৃষ্ঠাত

# দুজাক বৰষুণতেই বুৰিল ৰংঘৰৰ বাকৰি, ক্ষোভিত পৰ্যটক

## অপৰিকল্পিত নিৰ্মাণ, অবৈধ দখলৰ পৰিণতি!

**ই-সংবাদ, শিৱসাগৰ,১৭ মাৰ্চঃ** আহোম ৰাজত্ব কালৰ স্থাপত্য শৈলীৰ অপূৰ্ব নিদৰ্শন ঐতিহাসিক ৰংঘৰ একাঁঠু পানীৰ তলত। বিগত তিনিটা দিনত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰংঘৰ পৰিণত হৈছে জলাশয়ত। ৰংঘৰ বাকৰিত জমা হোৱা পানীৰ মাজত ৰংঘৰে যেন হেৰুৱাই পেলাইছে আহোম ৰাজত্বৰ শৌৰ্য। অৱশ্যে বিষয় সন্দৰ্ভত কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ নাই কোনো প্ৰতিক্ৰিয়া অথবা কৰণীয় বুলি অভিযোগ উত্থাপন কৰিছে জাতীয় দল-সংগঠনৰ নেতৃত্বই। টাই আহোম যুৱ শেষাংশ ৮ পৃষ্ঠাত

# অৰুণোদয় আঁচনি দিয়াৰ নামত তিতাবৰত সংঘটিত ব্যাপক অনিয়ম

**ই-সংবাদ, তিতাবৰ, ১৭ মাৰ্চঃ** যিসময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সকলো বিভাগৰ দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে তেনে সময়তে তিতাবৰ গ্ৰামাঞ্চলত একাংশ বিজেপি কৰ্মীৰ কৰ্মকাণ্ডই ৰাইজক ক্ষুব্ধ কৰি তোলাৰ অভিযোগ শেষাংশ ৭ পৃষ্ঠাত

# শিৱসাগৰত ৩ এটিএমৰ বেটাৰী চোৰ গ্ৰেপ্তাৰ

**ই-সংবাদ, শিৱসাগৰ, ১৭ মাৰ্চঃ** শিৱসাগৰ সদৰ আৰক্ষীয়ে আজি কাহিলী পুৱাতে ৰেল ষ্টেচনৰ সমীপৰ এটা ডেস্পত অভিযান চলাই এছ বি আই এ টি এম ৰ পৰা চুৰি হোৱা তিনিটা বেটাৰী সহ তিনিজনক গ্ৰেপ্তাৰ কৰে। চোৰ তিনিটা হৈছে শেষাংশ ৮ পৃষ্ঠাত

# সতীৰ্থৰ পত্নীৰ ওপৰত বেয়া চকু সেনা বিষয়াৰ

**ই-সংবাদ, ১৭ মাৰ্চঃ** মেঘালয়ৰ এগৰাকী ভাৰতীয় সেনা বিষয়াৰ বিৰুদ্ধে উত্থাপন হৈছে যৌন নিৰ্যাতনৰ গুৰুতৰ অভিযোগ।সেনাৰ অসম ৰেজিমেণ্ট চেণ্টাৰৰ কমাণ্ডেণ্ট ব্ৰিগেডিয়াৰ নীলেশ আনন্দৰ বিৰুদ্ধে একাধিকবাৰ অশালীন শেষাংশ ৯ পৃষ্ঠাত

## সুৰাৰ বাবেই দুজনৰ মৃত্যু

# বিষাক্ত সুৰাই গণ্ডগোল লগাইছে গোঁসাইগাঁৱত

**ই-সংবাদ, ১৭ মাৰ্চঃ** গোসাঁইগাঁও মহকুমাৰ জলেশ্বৰী গাঁৱত বিষাক্ত সুৰা সেৱন আৰু ইয়াৰ পৰিণতিত সংঘটিত হোৱা হত্যাকাণ্ডৰ মৰ্মান্তিক ঘটনাই স্তম্ভিত কৰিছে ৰাইজক। শনিবাৰে ৰাতি সংঘটিত এই ঘটনাত চাৰি সন্তানৰ মাতৃ দুলাৰী শেষাংশ ৮ পৃষ্ঠাত

# ‘আমাৰ অধিকাৰ খৰ্ব হৈছে’, চন্দ্ৰপুৰৰ উচ্ছেদক লৈ সংবাদমেল

**ই-সংবাদ, ১৭ মাৰ্চঃ** সোমবাৰে চন্দ্ৰপুৰৰ চাপৰিত চন্দ্ৰপুৰ কৃষি বহুমুখী সমিতিয়ে শেহতীয়াকৈ অঞ্চলটোত সংঘটিত উচ্ছেদৰ বিৰোধিতাৰে এখন সংবাদমেল সম্বোধন কৰে। বিগত ১ মাৰ্চত অঞ্চলটোৰ কৃষিভূমিত চলিছিল প্ৰশাসনৰ বুলড'জাৰ। এই ঘটনাক তীব্ৰ গৰিহণা প্ৰদান কৰি সংগঠনটোৰ দাবী, অঞ্চলটোত উচ্ছেদ চলাবলৈ ২ নং চন্দ্ৰপুৰ গাওঁ কল্যাণ সমিতিৰ সভাপতি আৰু সম্পাদকে প্ৰশাসনক আহ্বান জনাইছিল। তেওঁলোকে



গাওঁ কল্যাণ সমিতিৰ কোনো ধৰণৰ সভা আহ্বান নকৰাকৈ আৰু স্থানীয় দল- সংগঠনৰ মতামত নোলোৱাকৈ ব্যক্তিগতভাৱে প্ৰসাসনক এই আহ্বান জনাইছিল। নিজাববীয়াকৈ কেনেকৈ এনে সিদ্ধান্ত গ্ৰহণ শেষাংশ ৮ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অৰুণোদয় নোপোৱা মহিলাৰ ৰণচণ্ডী

আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে জিলাখনৰ বিভিন্ন প্ৰান্তৰপৰা অহা কেইবাশ অৰুণোদয় আঁচনিৰপৰা বঞ্চিত মহিলাই। বিশেষকৈ তিনিচুকীয়া জিলাৰ বৰুৱাহোলা, বাৰেকুৰি, বুঢ়ীদিহিং টেকেৰী গাঁৱৰপৰা অহা কেইবাশ মহিলাই আজি স্বতঃস্ফূৰ্তভাৱে ওলাই আহি জিলা আয়ুক্ত কাৰ্য্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰে। নাৰী মুক্তি সংগ্ৰাম সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সহযোগত ৰূপায়ণ কৰা উক্ত প্ৰতিবাদী কাৰ্যসূচীত অৰুণোদয় আঁচনিৰ লগতে অন্যান্য আঁচনিসমূহৰ ক্ষেত্ৰত হোৱা অনিয়মসমূহৰ সন্দৰ্ভতো সৰৱৰ হৈ পৰে প্ৰতিবাদকাৰী মহিলাসকলে। মাইক্ৰ' ফাইনেঞ্চৰ ঋণ মাফ, অৰুণোদয় আঁচনিত ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালৰ এগৰাকীক অন্তৰ্ভুক্তিকৰণ, অৰুণোদয় আঁচনিত ১,২৫০ টকাৰ পৰিৱৰ্তে ৫,০০০ টকালৈ বৃদ্ধি, বৃদ্ধ পেঞ্চনৰ ২৫০ টকাৰ পৰিৱৰ্তে ৫,০০০ টকালৈ বৃদ্ধি, পি এম এ ৱাই আঁচনিত প্ৰকৃত হিতাধিকাৰীক অন্তৰ্ভুক্তিকৰণ, অৰ্ধনিৰ্মিত পি এম এ ৱাই গৃহ সম্পূৰ্ণ নিৰ্মাণ, স্মাৰ্ট মিটাৰ লগোৱা বন্ধ কৰা, লগাই সম্পূৰ্ণ হোৱা স্মাৰ্ট মিটাৰ ঘূৰাই নিয়াৰ দাবীৰ সন্দৰ্ভতো প্ৰতিবাদ সাব্যস্ত কৰে মহিলাসকলে। হাতে-হাতে ৰেচন কাৰ্ড লৈ প্ৰতিবাদত বহা মহিলাসকলে অৰুণোদয় আঁচনিৰ নামত ব্যাপক দুৰ্নীতিৰ অভিযোগ তোলাৰ লগতে বিজেপি দলৰ বুথ সভাপতিসকলে অৰুণোদয় আঁচনিৰ প্ৰ-পত্ৰ দিয়াৰ নামত ১০০-২০০ টকা সংগ্ৰহ কৰাৰ লগতে গাঁৱৰ একাংশ মহিলাক অৰুণোদয় আঁচনি দিয়াৰ প্ৰতিশ্ৰুতিৰে ৫০০-৭০০ টকা পৰ্য্যন্ত সংগ্ৰহ কৰাৰ অভিযোগৰ লগতে বিজেপি দলৰ একাংশ বুথ সভাপতিয়ে নিজৰ অঙহী-বঙহীক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰি প্ৰকৃত দুখীয়া মহিলাক বঞ্চিত কৰাৰো অভিযোগ তোলে। সমগ্ৰ বিষয়টো চৰকাৰে উচিত তদন্ত কৰি ধন সংগ্ৰহ কৰা বুথ সভাপতিসকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰো দাবী জনায়। চৰকাৰে অৰুণোদয় আঁচনিৰপৰা বঞ্চিত দুখীয়া মহিলাসকলক অৰুণোদয় প্ৰদান নকৰিলে অনাগত দিনত এই সংগ্ৰাম দিছপুৰলৈও যাব বুলিও হুংকাৰ দিয়ে নাৰী মুক্তি সংগ্ৰাম সমিতিৰ এগৰাকী বিষয়ববীয়াই।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অৰুণোদয় আঁচনি দিয়াৰ নামত

উত্থাপন হৈছে। শেহতীয়াকৈ অৰুণোদয় আঁচনিৰ নামত তিতাবৰ গ্ৰামাঞ্চলৰ ঠায়ে ঠায়ে একাংশ বিজেপি কৰ্মীয়ে ব্যাপক অনিয়ম সৃষ্টি কৰাৰো ৰাজহুৱা অভিযোগ উঠিছে। যোগ্য লোকক অৰুণোদয়ৰ আঁচনিৰপৰা বঞ্চিত কৰি নিজৰ খেয়াল-খুচীমতে একাংশ সামৰ্থৱান লোককো অৰুণোদয়ত অন্তৰ্ভুক্ত কৰা বুলি গুৰুতৰ অভিযোগ উঠিছে। আজি তিতাবৰৰ মাধপুৰ, মেলামাটি আদি গাঁৱত অৰুণোদয় আঁচনিত প্ৰকৃত হিতাধিকাৰীৰ নাম নথকাক লৈ একাংশ মহিলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মাধপুৰৰ একাংশ মহিলায়ে আঁচনিৰ ধন লাভৰপৰা বঞ্চিত হোৱাৰ ক্ষোভত মাধপুৰ পঞ্চায়তৰ কাৰ্যালয়ৰ চৌহদতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আমাক অৰুণোদয় লাগিবই, অৰুণোদয়ক গেৰুৱাকৰণ নকৰিব বুলি মহিলাসকলে বিপুল দাবী জনোৱাৰ লগতে শাসকীয় দলৰ একাংশ বুথৰ বিষয়ববীয়াই তেওঁলোকক কংগ্ৰেছৰ দলৰ সমৰ্থক বুলি সন্দেহ কৰি এনেদৰে বঞ্চিত কৰাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। অৰুণোদয়ৰ ধন লাভ নকৰি প্ৰতিবাদ কৰিবলৈ ওলাই অহা মহিলাসকলৰ ভিতৰত বহুকেইগৰাকী বিধৱা, স্বামী নিৰ্যাতিতা, অবিবাহিত মহিলা, দৰিদ্ৰ, বিকলাংগ আৰু বৃদ্ধা মহিলাও আছিল। ভুক্তভোগী একাংশই ক্ষোভেৰে সংবাদ মাধ্যমৰ আগত কয় যে অৰুণোদয় পাবলগাসকলে পোৱা নাই। অৰুণোদয় আঁচনি থকাৰ আগৰে পৰা ৰেচন কাৰ্ড থকাৰ পিছতো অৰুণোদয় লাভ কৰা নাই। ইয়াৰ বিপৰীতে ধনী ব্যক্তি একাংশকো অৰুণোদয়ত অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে এইক্ষেত্ৰত এক উচিত তদন্ত কৰি যোগ্য হিতাধিকাৰীক শীঘ্ৰে অৰুণোদয়ত অন্তৰ্ভুক্ত কৰিবলৈ ভুক্তভোগীসকলে দাবী জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চোৰাং সৰবৰাহৰ পূৰ্বে ডিব্ৰুগড়ত জব্দ

সেৱন কৰা হয় বুলি আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰবাদ আছে। ডিব্ৰুগড়ৰ বন বিভাগে ১৬ মাৰ্চত ডিব্ৰুগড় বিমানবন্দৰত জব্দ কৰে বহু কোটি টকাৰ মূল্যৰ চেঙা মাছ। ডিব্ৰুগড়ত এনে বৃহৎ পৰিমাণৰ দুষ্প্ৰাপ্য চেঙা মাছ জব্দ কৰাক লৈ সৃষ্টি হৈছে চাঞ্চল্যৰ। ডিব্ৰুগড় বিমান বন্দৰৰপৰা বৃহৎ পৰিমাণৰ নিষিদ্ধ চেঙা মাছ আজি জব্দ কৰে বন বিভাগে। জানিব পৰা অনুসৰি ইণ্ডিগ' বিমানেৰে বহিঃৰাজ্যলৈ সৰবৰাহ কৰিবলৈ লোৱাৰ সময়তে বন বিভাগে গোপন সূত্ৰ পমখেদি উক্ত মাছখিনি জব্দ কৰে। বিমান বন্দৰত বন বিভাগে অভিযান চলাই জব্দ কৰিবলৈ সক্ষম হয় মুঠ ২,২০০ টা দুষ্প্ৰাপ্য চেঙা মাছ। মুঠ ৩৩ টা কাৰ্টুনত থকা এই বৃহৎসংখ্যক মাছৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য বহু কোটি টকা হ'ব বুলি জানিব পৰা গৈছে। আনহাতে, বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, তিনিচুকীয়াৰ গুইজানৰপৰা যদু সৰকাৰ নামৰ যুৱকজনে মোহনবাৰী বিমান বন্দৰৰ পৰা ইণ্ডিগ' বিমানেৰে সৰবৰাহ কৰিবলৈ চেষ্টা কৰিছিল এই মাছখিনি। উল্লেখযোগ্য যে কলিকতাৰ এটা কোম্পানীৰ জৰিয়তে তিনিচুকীয়াৰ গুইজানৰপৰা যদু সৰকাৰ নামৰ যুৱকজনে আন দুজন ব্যৱসায়ীৰ সৈতে মাছখিনি নিবলৈ চেষ্টা কৰিছিল। সূত্ৰ অনুসৰি ইন্দোনেছিয়া, জাপান, থাইলেণ্ড, চীন, মালয়েছিয়াকে ধৰি আন্তঃৰাষ্ট্ৰীয় দেশলৈ সৰবৰাহ কৰা হয় এই দুষ্প্ৰাপ্য মাছবিধ। তাৎপৰ্যপূৰ্ণ যে তিনিচুকীয়া জিলাৰ বিভিন্ন ভিতৰুৱা অঞ্চলৰপৰা অতি কম মূল্যত ক্ৰয় কৰাৰ পাছত কলিকতাত উক্ত কোম্পানীৰ ওচৰত প্ৰতিটো মাজত এশ বিশ টকাকৈ বিক্ৰী কৰে আৰু কলিকতাপৰা আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ বৃহৎ মূল্যৰ বিনিময়ত এই মাছ সৰবৰাহ কৰা হয়। যুৱকজনে কেমেৰাৰ সন্মুখত প্ৰায় ১৫ বছৰৰ পূৰ্বৰপৰা এই ব্যৱসায় কৰি অহা বুলি জানিবলৈ দিছে। বৰ্তমান বন বিভাগে এই মাছ জব্দ কৰা পাছত পৰীক্ষা বাবে প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে বিগত ২০২৩ বৰ্ষত বিমানবন্দৰত ৭০০ টা একেধৰণৰ মাছ জব্দ কৰিছিল বন বিভাগে। আন এক তথ্য অনুসৰি কলিকতাত প্ৰতিটো চেঙা মাছৰ মূল্য ৭৫,০০০ টকা। সেই অনুসৰি প্ৰায় ১৬ কোটি টকা মূল্য হ'ব এই জব্দ কৰা মাছৰ মূল্য। কিন্তু আন্তঃৰাষ্ট্ৰীয় বজাৰত এই মূল্য আৰু অধিক হ'ব বুলি ধাৰণা কৰা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কৰ ফাঁকিৰে মিডিয়া হাউচ চলোৱা

মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই এজন লোকৰ অভিযোগৰ ভিত্তিত তদন্ত কৰি কৰ ফাঁকি দিয়াৰ তথ্য ধৰা পেলায়। দুলাল বৰাৰ এটা ৱেব পৰ্টেলত এজন লোকে ধন বিনিয়োগ কৰিছিল। সেই কথা গোপনে ৰাখিছিল। যেতিয়া লোকজনে অভিযোগ দাখিল কৰিছিল তেতিয়া সকলো কথা ওলাই পৰিছিল। বৃহৎ ধন বিনিয়োগ লৈ সেই তথ্য কৰ আদায় দিয়াৰ সময়ত দাখিল কৰা নাছিল। যাৰ ফলত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে সেই প্ৰৱঞ্চনা ধৰা পেলাই উত্তৰ দিবলৈ জাননী জাৰি কৰিছিল। কিন্তু দুলাল বৰাই সঠিক তথ্য-পাতি দাখিল কৰিব নোৱাৰাত বৰাক জিৰমনা বিহা হয়। কৰ ফাঁকি দিয়াৰ বাবে দুলাল বৰাক ১২ লাখ টকা জৰিমনা বিহা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, দুলাল বৰাৰ মালিকানাধীন প'ৰ্টেলত ধন বিনিয়োগ কৰিছিল বিতৰ্কিত চিকিৎসক মৃদুপৱন নাথে। কৰ ফাঁকি দি প'ৰ্টেল চলাই থকা কাৰ্য মুখ্যমন্ত্ৰী ভিজিলেন্সে তদন্ত কৰি পোহৰলৈ আনে। অৱশেষত কৰ ফাঁকি দিয়াৰ বাবেই দুলাল বৰাই ভৰিবলগীয়া হয় ১২ লাখ টকা।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'আমাৰ অধিকাৰ খৰ্ব হৈছে', চন্দ্ৰপুৰৰ

কৰিব পাৰে বুলি সংবাদমেলত ক্ষোভ ব্যক্ত কৰে চন্দ্ৰপুৰ কৃষি বহুমুখী সমিতিৰ প্ৰণৱ কলিতাই। সংগঠনটোৰ হৈ বক্তব্য ৰখি অন্য এগৰাকী ব্যক্তিয়ে কয়, আমাৰ অধিকাৰ খৰ্ব কৰা হ'ল। চৰকাৰে আমাক ধন্যবাদহে দিব লাগে। আমি চাকৰি বিচাৰি ঘূৰি ফুৰা নাই। যুগ যুগ ধৰি এই অঞ্চলটোত কলং আৰু ব্ৰহ্মপুত্ৰৰ বান-খহনীয়াকো নেওচি তাঁতীমৰা, চন্দ্ৰপুৰ, ঠাকুৰকুচি, শিঙিমাৰী আদিৰ লোকে খেতি কৰি আহিছে। শেহতীয়াকৈ অঞ্চলটোত খেতিৰ বাবে মানুহক সংস্থাপন দিয়াৰো চিন্তা-চৰ্চা কৰা হৈছিল। চৰ-চাপৰিৰ খেতিৰ অভিজ্ঞ লোকক এই অঞ্চলত এবছৰ বা দুবছৰৰ বাবে চুক্তিবদ্ধ কৰি সংস্থাপন কৰা হৈছিল। কিন্তু এই সংস্থাপন নিগাজী নহয়। এক নিৰ্দিষ্ট সময়ৰ বাবেহে। আনফালে এই সমগ্ৰ অভিযোগ সন্দৰ্ভত গাওঁ কল্যাণ সমিতিৰ মন্তব্য, এই অঞ্চলটোত অচিনাকী মানুহে মাটি কিনা-বেচা কৰি অহা দৃষ্টিগোচৰ হোৱাত গাঁৱৰ মানুহখিনিৰ সুৰক্ষাৰ কথা চিন্তা কৰি আমি অভিয়োগ দিয়াটো সত্য। কিন্তু আমি কেতিয়াও উচ্ছেদ কৰাৰ বাবে অনুৰোধ কৰা নাছিলো। এইবুলি প্ৰচাৰিত হোৱা কথাটো সঁচা নহয়। আমি কেৱল প্ৰশাসনক জনাইছো যে য'ত অবৈধভাৱে অচিনাকী মানুহে মাটিৰ কিনা-বেচা কৰি আছে, সেই সম্পৰ্কতহে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আঙুলিয়াই দিছো। চৰ-চাপৰিত কোনে বাস কৰি আছে, কোনে কি কৰিছে, সেয়া আমি নাজানো। এই সম্পৰ্কত যদি চৰকাৰে কিবা ব্যৱস্থা লৈছে তাৰ বাবে আমি জবাবদিহি নহয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিষাক্ত সুৰাই গণ্ডগোল লগাইছে

হাছদা (৪৫)ক হানি-খুঁচি নিৰ্মমভাৱে হত্যা কৰা হৈছে। স্থানীয় লোকে জনোৱা মতে ঘটনাৰ বিৱৰণী অনুসৰি, বিষাক্ত সুৰা সেৱনৰ ফলত দুজনৰ মৃত্যু হোৱাৰ পিছত উত্তেজিত অৱস্থাত দুলাৰী হাছদাক লক্ষ্য কৰি এক গোষ্ঠীয় আক্ৰমণ চলাইছিল। ৰাতি সংঘটিত হোৱা এই হত্যাকাণ্ডৰ পাছত পুৱাতেই গাঁৱৰ ৰাইজে মৃতদেহ প্ৰত্যক্ষ কৰি পুলিচক খবৰ দিয়ে। লগে লগে গোসাঁইগাঁও আৰক্ষীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰে। আৰক্ষীৰ প্ৰাৰম্ভিক অনুসন্ধানৰ পাছত একে গাঁৱৰে লক্ষ্মীৰাম মূৰ্মু (৩২) আৰু মংগল মূৰ্মু (৩৫) নামৰ দুগৰাকী ব্যক্তিক সন্দেহৰ ভিত্তিত আটক কৰা হৈছে। পৰৱৰ্তী সময়ত আৰক্ষীৰ প্ৰাথমিক জেৰাত উক্ত ব্যক্তি দুজনেই এই অপৰাধত জড়িত থকাৰ কথা স্বীকাৰ কৰা বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। লগতে এই হত্যাকাণ্ডৰ আঁৰত বিষাক্ত সুৰাৰ বিক্ৰীৰ সম্পৰ্ক থকাৰ সম্ভাৱনাও তদন্তৰ প্ৰাথমিক স্তৰতেও ওলাই পৰিছে। আনফালে, দুলাৰী হাছদাৰ মৃত্যুৱে তেওঁৰ স্বামী আৰু চাৰি নাবালক সন্তানক অসহায় অৱস্থাত উপনীত কৰিছে। স্থানীয় ৰাইজে পৰিয়ালটোক সাহায্যৰ হাত আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ লগতে দ্ৰুত ন্যায়ৰ বাবেও দাবী উত্থাপন কৰিছে। ঘটনা সম্পৰ্কত গোসাঁইগাঁও আৰক্ষীৰ এজন বিষয়াই কয়, ঘটনাটো গভীৰভাৱে বিশ্লেষণ কৰি অভিযুক্তসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'বলৈ প্ৰস্তুত। বিষাক্ত মদ্যপানৰ পৰা হোৱা পাৰ্শ্বক্ৰিয়াও আমাৰ তদন্তৰ বিষয়। উল্লেখ্য যে এই ঘটনাৰ পাছত বৰ্তমান অঞ্চলটোত উত্তেজনাই বিৰাজ কৰিছে। যাৰ বাবে এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত আৰক্ষীৰ টহল বঢ়োৱা হৈছে বুলি জানিব পৰা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দুজাক বৰষুণতেই বুৰিল ৰংঘৰৰ বাকৰি

পৰিষদৰ কেন্দ্ৰীয় সভাপতি দীগন্ত তামুলীয়ে আজি ৰংঘৰৰ এই অৱস্থাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁ ইয়াৰ বাবে কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ লগতে শিৱসাগৰ জিলা প্ৰশাসনক ধিক্কাৰ প্ৰদান কৰি কয় যে অসমীয়াৰ আৱেগ ৰংঘৰৰ এই অৱস্থাৰ বাবে দায়ী অপৰিকল্পিত নিৰ্মাণ আৰু অবৈধ দখল। বহু কোটি টকীয়া ৰংঘৰ প্ৰকল্পৰ বাবে ৰূপহী পথাৰত হোৱা অপৰিকল্পিত নিৰ্মাণৰ বাবে এনে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি তেওঁ অভিযোগ আনে। লগতে ৰংঘৰৰ পানী নিষ্কাষণৰ বাবে থকা মেচিজানত হোৱা অবৈধ দখলৰ ফলত মেচিজানৰ অস্তিত্ব শেষ হৈ যোৱাৰ বাবেও এনে পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি তেওঁ অভিযোগ আনে। ৰংঘৰৰ এনে অৱস্থাৰ অনতিপলমে অৱসান ঘটাবলৈ তামুলীয়ে দাবী উত্থাপন কৰে। সেইদৰে ৰংঘৰৰ এনে দুৰ্গতিক লৈ খেদ প্ৰকাশ কৰে পৰ্যটকে। অসমৰ পৰিচয় ৰংঘৰৰ দৰে এক প্ৰাচীন কীৰ্তিচিহ্নৰ এনে অৱস্থা অসমৰ বাবে লজ্জাজনক বুলিও মন্তব্য কৰে একাংশ পৰ্যটকে। আনহাতে বিষয় সন্দৰ্ভত পুৰাতত্ব বিভাগৰ এক সূত্ৰই এই সমস্যা এই বছৰেই প্ৰথম নহ'য় বুলি উল্লেখ কৰে। কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ সূত্ৰই কয় যে বিগত বছৰতে এই বিষয়ত শিৱসাগৰ জিলা আয়ুক্তক অৱগত কৰি এক পৰিকল্পিত নলাৰ বাবে প্ৰস্তাৱ দিয়া হৈছিল। বিগত বছৰত অনুৰূপ সমস্যাৰ সৃষ্টি হৈছিল যদিও এইবাৰ ৰংঘৰ প্ৰকল্পৰ বাবে ৰূপহী পথাৰত আৱণ্টন পোৱা ভূমিত ব্যাপক হাৰত মাটি ভৰোৱাৰ বাবে ৰংঘৰ বাকৰিৰ উচ্চতা হ্ৰাস পাইছে। ফলত ৰংঘৰ বাকৰিৰ উচ্চতা হ্ৰাস পাইছে। ফলত ৰংঘৰ বাকৰিত জমা হোৱা পানী কোনো ফালৰ পৰা ওলাই যোৱাৰ সুবিধা নোহোৱাত এনে কৃত্ৰিম বানৰ সৃষ্টি হৈছে বুলি পুৰাতত্ব বিভাগৰ সূত্ৰই জানিব দিয়ে। ৰংঘৰৰ বাকৰিত এইদৰে জমা হোৱা পানীয়ে ৰংঘৰৰ ক্ষতি সাধন কৰাৰো সম্ভাৱনা প্ৰকট কৰিছে।বছৰৰ আগতিয়া বৰষুণৰ ফলত এই অৱস্থাৰ সৃষ্টি হলে ভৰ বাৰিষাত ৰংঘৰৰ তলৰ মহলাত পানী উঠা নিশ্চিত। ফলত ৰংঘৰৰ আধাৰ আৰু দেৱালৰ ব্যাপক ক্ষতি হোৱাৰ সম্ভাৱনা প্ৰকট কৰিছে বিজ্ঞ মহলে।এতিয়া প্ৰশ্ন হয় ৰংঘৰৰ সুৰক্ষাৰ বাবে কেন্দ্ৰীয় পুৰাতত্ব বিভাগ, শিৱসাগৰ জিলা প্ৰশাসন আৰু ৰংঘৰ প্ৰকল্পৰ ঠিকা লাভ কৰা ঔম কনষ্ট্ৰাকচনে কি ব্যৱস্থা হাতত লয়!!

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত ৩ এটিএমৰ বেটাৰী চোৰ

ভলা গোৱালা,চহিদুৰ আলী আৰু নাজিমা বেগম। বিগত কিছুদিনৰ পৰা শিৱসাগৰ নগৰৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চলত থকা একাংশ এ টি এম ৰ পৰা বেটাৰী আৰু কিছু যন্ত্ৰপাতি চোৰে চুৰি কৰি আহিছিল। আজি কাহিলীপুৱাতে শিৱসাগৰ নগৰৰ মাজমজিয়াত তথা দ'লমুখ চাৰিআলিৰ সমীপত থকা ভাৰতীয় ষ্টেট বেংকৰ এটা এ টি এম ৰ পৰা চুৰি হৈছিল বেটাৰী সহ কিছু যন্ত্ৰপাতি। এ টি এম ত চোৰে লুটপাত চলাই আৰক্ষীৰ নিদ্ৰা হৰণ কৰা চোৰৰ বিৰুদ্ধে আজি পুৱাৰে পৰা শিৱসাগৰ সদৰ আৰক্ষী থানাৰ আৰক্ষীয়ে খিপ্ৰতাৰে অভিযান চলায়। এই অভিযান কালত আৰক্ষীয়ে শিৱসাগৰ নগৰৰ ষ্টেচন চাৰিআলিৰ সমীপৰ ৰেল ষ্টেচনৰ প্ৰৱেশ পথৰ কাষতে থকা এটা ডেম্পৰ পৰা এ টি এম ৰ পৰা চুৰি হোৱা সামগ্ৰী খিনি উদ্ধাৰ কৰে। এই চুৰি ঘটনাৰ লগত জড়িত ভলা গোৱালা , চহিদুৰ আলী আৰু নাজিমা বেগমক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এই চোৰ কেইজনৰে সম্পৰ্ক থকা ফিৰোজ আলি নামৰ এজনো এনে কুকৰ্মত জড়িত থকাৰ অভিযোগ উঠিছে। উল্লেখ্য যে , শিৱসাগৰ নগৰৰ সমীপৰ বিভিন্ন অঞ্চল আৰু জিলা খনৰ বিভিন্ন প্ৰান্তত থকা একাংশ ডেম্পত মাজে-সময়ে চুৰি সামগ্ৰী উদ্ধাৰ কৰাৰ ঘটনা সংঘটিত হৈছে। কাঠফুলাৰ দৰে গঢ় লৈ উঠা এই ডেম্প সমূহৰ বাবে শিৱসাগৰত চুৰি ঘটনা বৃদ্ধি পোৱাৰ অভিযোগ উত্থাপিত হৈছে। চুৰি কাৰ্য্য ৰোধৰ বাবে শিৱসাগৰ জিলা প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## ভাৰত আক্ৰমণৰ পৰিকল্পনা কৰা সন্ত্ৰাসবাদী নিহত

# কুখ্যাত উগ্ৰপন্থী মুফতি আব্দুল নুৰজাইক গুলীয়াই হত্যা

**ই-সংবাদ, ১৭ মাৰ্চঃ** পাকিস্তানত ইজনৰ পিছত সিজন শীৰ্ষ সন্ত্ৰাসবাদী নেতাৰ ওপৰত সংঘটিত হৈছে আক্ৰমণৰ ঘটনা। এইবাৰ এই তালিকাত যোগ হ'ল জমিয়ত উলেমা ইছলামৰ নেতাৰ নাম। দেওবাৰে কুৱেটা বিমানবন্দৰৰ সমীপত কুখ্যাত উগ্ৰপন্থী মুফতি আব্দুল বাকী নুৰজাইক গুলীয়াই হত্যা কৰা হয়। অচিনাক্ত বন্দুকধাৰীয়ে ৰাজহুৱা স্থানতে সন্ত্ৰাসবাদীজনৰ ওপৰত গুলীবৰ্ষণ কৰি পলায়ন কৰে। এই ঘটনাত গুৰুতৰভাৱে আহত মুফতি আব্দুল বাকীক হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। এই হত্যাকাণ্ডৰ আঁৰত কোন আছে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। কিন্তু যোৱা কেইবছৰমানৰ পৰা পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত ইজনৰ পিছত সিজনকৈ উগ্ৰপন্থী নেতাক হত্যা কৰা হৈছে। লস্কৰ-ই-তৈবা, জৈছ-ই-মহম্মদ, আৰু হিজবুল মুজাহিদীনৰ কেইবাজনো শীৰ্ষ নেতাৰ ওপৰত সংঘটিত হৈছে আক্ৰমণৰ ঘটনা। মাত্ৰ দুদিন পূৰ্বে পঞ্জাব প্ৰদেশৰ ঝেলুমত লস্কৰৰ নেতা জিয়া-উৰ-ৰহমান ওৰফে নাদীম ওৰফে আবু কাটালক গুলীয়াই হত্যা কৰা হয়। খবৰ অনুসৰি, কাটাল লস্কৰৰ মুৰব্বী হাফিজ ছঈদৰ অতি ঘনিষ্ঠ আছিল। ভাৰতীয় চোৰাংচোৱাৰ তথ্য অনুসৰি ২০০০ চনৰ আৰম্ভণিতে তেওঁ কাশ্মীৰৰ পুঞ্চ-ৰাজৌৰী অঞ্চলত সক্ৰিয় আছিল। ২০০৫ চনত পাকিস্তানলৈ উভতি আহি তেওঁ সীমা অতিক্ৰম কৰি সন্ত্ৰাসবাদী নেটৱৰ্ক চলাই আছিল। তেওঁ ভাৰতত একাধিক আক্ৰমণৰ পৰিকল্পনা কৰা বুলি অনুমান কৰা হৈছে। ইফালে, উগ্ৰপন্থীৰ ধাৰাবাহিক নিৰ্মূলক লৈ পাকিস্তানত উত্তেজনা অব্যাহত আছে। এই হত্যাকাণ্ডৰ আঁৰত কোন আছে, সেয়া এতিয়াও স্পষ্ট হোৱা নাই কিম্বা কোনো সংগঠনে দায়িত্বও স্বীকাৰ কৰা নাই। অৱশ্যে এই ধাৰাবাহিক ঘটনাই পাকিস্তানৰ নিৰাপত্তা পৰিস্থিতিক লৈ প্ৰশ্ন উত্থাপন কৰিছে।

# ৰাষ্ট্ৰপতি শাসন সত্বেও মণিপুৰত বাঢ়িছে উত্তেজনা

## সান্ধ্য আইনেৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা

**ইম্ফল, ১৭ মাৰ্চঃ** মণিপুৰৰ চুৰাচান্দপুৰ জিলাত পুনৰ উকমুকোৱা উত্তেজনাৰ পৰিপ্ৰেক্ষিতত সোমবাৰে জিলাখনত ১৬৩ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে প্ৰশাসনে। দেওবাৰে হামাৰ সম্প্ৰদায়ৰ শীৰ্ষ নেতা ৰিচাৰ্ড হামাৰৰ ওপৰত সংঘটিত হোৱা আক্ৰমণৰ পিছতে পুনৰ উত্তপ্ত হৈ পৰিছিল চুৰাচান্দপুৰৰ পৰিস্থিতি। উল্লেখ্য যে, দেওবাৰে সন্ধিয়া প্ৰায় ৭:৩০ বজাত চুৰাচান্দপুৰৰ জেনহাং লামকা অঞ্চলৰ ভি কে মণ্টেছৰী কমপ্লেক্সত হামাৰ ইনপুইৰ সাধাৰণ সম্পাদক ৰিচাৰ্ড হামাৰৰ ওপৰত আক্ৰমণ সংঘটিত হয়। একাংশ লোকে তেওঁক মাৰপিট কৰাৰ অভিযোগ উত্থাপন হৈছে। ঘটনাৰ লগে লগে স্থানীয় ৰাইজে আক্ৰমণকাৰীক চিনাক্ত কৰিবলৈ দাবী জনায়। প্ৰতিবাদকাৰীয়ে চহৰজুৰি বন্ধ ৰখাৰ চেষ্টা চলায়, কিছু কিছু অঞ্চলত প্ৰতিবাদকাৰীয়ে শিলগুটি দলিওৱাৰ দৰে ঘটনাও সংঘটিত হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ অতিৰিক্ত জিলা দণ্ডাধীশে সোমবাৰে ১৬৩ ধাৰা আৰোপ কৰি জিলাখনত নিষেধাজ্ঞা জাৰি কৰে। এই ধাৰা অনুসৰি জৰুৰীকালীন পৰিস্থিতিত আইন-শৃংখলা বজাই ৰাখিবলৈ প্ৰশাসনে পোনপটীয়াকৈ নিষেধাজ্ঞা জাৰি কৰিব পাৰে। প্ৰশাসনে জাৰি কৰা নিৰ্দেশত কোৱা হৈছে, "চুৰাচান্দপুৰৰ আৰক্ষী অধীক্ষকৰ পৰা এক প্ৰতিবেদন পোৱা গৈছে, য'ত আইন-শৃংখলাৰ পৰিস্থিতিৰ অৱনতি ঘটিব পাৰে বুলি ইংগিত দিয়া হৈছে। ইয়াৰ ফলত বিভিন্ন সম্প্ৰদায়ৰ মাজত উত্তেজনা বিয়পিব পাৰে আৰু প্ৰাণহানি বা সা-সম্পত্তিৰ ক্ষতি হোৱাৰ সম্ভাৱনা আছে।" এই আদেশ অনুসৰি পাঁচজন বা তাতকৈ অধিক লোকৰ সমাগম হোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে, লগতে লাঠি, ৰড, শিল বা যিকোনো অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই নিয়াত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইফালে, হামাৰ ইনপুইয়ে এই আক্ৰমণক তীব্ৰ গৰিহণা দি দোষীক আত্মসমৰ্পণৰ দাবী জনায়। সংগঠনটোৱে এক বিবৃতিত কয়, "এজন সম্প্ৰদায়ৰ নেতাৰ প্ৰতি এনে কাপুৰুষ আচৰণ সম্পূৰ্ণ নিন্দনীয়। ই স্পষ্ট প্ৰৰোচনা আৰু সমগ্ৰ সম্প্ৰদায়ক অপমান কৰাৰ সমান।" সংগঠনটোৱে লগতে কয় যে, ১৭ মাৰ্চৰ পুৱা ১০ বজাৰ ভিতৰত দোষীয়ে ৰেংকাইৰ হামাৰ ইনপুই কাৰ্যালয়ত আত্মসমৰ্পণ কৰিব লাগিব। যদি নহয় তেন্তে আমি নিজাববীয়াকৈ ব্যৱস্থা ল'বলৈ বাধ্য হ'ম। আনহাতে, চুৰাচান্দপুৰৰ জিলা দণ্ডাধীশ ধৰুণ কুমাৰে জনগোষ্ঠীসমূহৰ মাজত শান্তিপূৰ্ণ আলোচনাৰ আহ্বান জনাইছে। তেওঁ কয়, "আমাৰ জিলাখনে বহু বছৰ ধৰি ঐক্য আৰু বৈচিত্ৰ্যৰ মাজত সহাৱস্থানৰ নিদৰ্শন দাঙি ধৰিছে। শান্তি বজাই ৰখাটোৱেই এতিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ। হিংসাই কোনো সমস্যাৰ সমাধান নকৰে। আলোচনাৰ জৰিয়তে উমৈহতীয়া ভিত্তিত উপনীত হোৱাটো সকলোৰে স্বাৰ্থত হ'ব।" মন কৰিবলগীয়া যে ২০২৩ চনৰ মে' মাহৰ পৰা মণিপুৰত মেইটেই আৰু কুকি-জোমি-হামাৰ জনগোষ্ঠীৰ মাজত জাতিগত সংঘৰ্ষ অব্যাহত আছে। এই পৰ্যন্ত ২৫৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৯ হাজাৰো অধিক লোক স্থানচ্যুত হৈছে।মুখ্যমন্ত্ৰী এন বীৰেণ সিঙৰ পদত্যাগৰ পিছত ১৩ ফেব্ৰুৱাৰীত মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰা হৈছিল। এনে পৰিপ্ৰেক্ষিতত এতিয়া ৰাজ্যখনৰ ভৱিষ্যত একপ্ৰকাৰ অনিশ্চিত হৈ পৰিছে। এতিয়া অনাগত দিনত ৰাষ্ট্ৰপতি শাসনে ৰাজ্যখনক কোনদিশে লৈ যায় সেয়া সময়েহে ক'ব পাৰিব বুলি সকলোৱে মন্তব্য কৰা দেখা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সতীৰ্থৰ পত্নীৰ ওপৰত বেয়া চকু সেনা বিষয়াৰ

আচৰণ সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰিছে এগৰাকী কৰ্ণেলৰ পত্নীয়ে। অভিযোগকাৰীয়ে যোৱা সোমবাৰে আৰক্ষীক এই অভিযোগ দাখিল কৰে। অভিযোগত তেওঁ উল্লেখ কৰে যে ব্ৰিগেডিয়াৰ নীলেশ আনন্দে তেওঁক দীৰ্ঘদিন ধৰি বিভিন্ন ধৰণে হাৰাশাস্তি কৰি আহিছিল। কেতিয়াবা ঠাট্টা-মস্কৰা কৰি, কেতিয়াবা শাৰীৰিক ঘনিষ্ঠতাৰ চেষ্টাৰে, কেতিয়াবা ভাবুকি দি তেওঁক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰে কনিষ্ঠ বিষয়াৰ পত্নীয়ে। তেওঁ অভিযোগ কৰে যে শেহতীয়াকৈ এই কাণ্ড সংঘটিত হৈছিল ৮ মাৰ্চত, অফিচাৰ মেছত আয়োজিত এক অনুষ্ঠানত। মহিলাগৰাকী উপস্থিত থকাৰ সময়ত ব্ৰিগেডিয়াৰে তেওঁক লৈ অশালীন মন্তব্য কৰে। অভিযোগ অনুসৰি মানা কৰাৰ কৰাৰ পিছত এনে আচৰণ বন্ধ কৰা নাছিল সেনা বিষয়াগৰাকীয়ে। আনকি অভিযোগত দাবী কৰা হৈছে যে এটা সময়ত তেওঁ বিষয়াজনৰ পত্নীৰ প্ৰতি গালি-গালাজ আৰু অশ্লীল ভাষা ব্যৱহাৰ কৰিছিল। তাৰ পিছত, তেওঁ শাৰীৰিকভাৱে তেওঁৰ কাষ চাপিবলৈ চেষ্টা কৰে। ইফালে, অভিযোগনামাত ইয়াৰ পূৰ্বেও এনে ঘটনা সংঘটিত কৰা বুলি দাবী কৰিছে মহিলাগৰাকীয়ে। ২০২৩ চনৰ ১৩ এপ্ৰিলত ব্ৰিগেডিয়াৰে গৃহ প্ৰৱেশৰ পাৰ্টিত এগৰাকী মহিলাই পিন্ধা কাপোৰক লৈ আপত্তিজনক মন্তব্য কৰাৰ অভিযোগ উত্থাপন হৈছিল। কেৱল সেয়াই নহয়, দুমাহৰ পাছত মহিলাগৰাকীয়ে স্বামীৰ সন্মুখতে তেওঁক হাতত ধৰি ৰাজহুৱা স্থানত টানি অনাৰ অভিযোগো উত্থাপন কৰে। ইফালে, এই পৰিস্থিতিক লৈ আবেগিকভাৱে সাহস গোটাব পৰা নাছিল বাবেই ইমান দিনে মৌন হৈ থকা বুলি মন্তব্য কৰে কৰ্ণেল পত্নীয়ে। ইতিমধ্যে আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ কেইবাটাও ধাৰাত যৌন নিৰ্যাতন, এগৰাকী মহিলাৰ বিনয়ক ক্ষোভিত কৰা, ভয় দেখুওৱা আদি ধাৰাত গোচৰ ৰুজু কৰিছে। তদন্ত আৰম্ভ কৰা হৈছে, আৰু সেনাইও বিষয়টোত চকু ৰাখিছে। অৱশ্যে পৰৱৰ্তী সময়তহে লক্ষণীয় হ'ব মহিলাগৰাকীয়ে তেওঁৰ অভিযোগৰ প্ৰতি ন্যায় লাভ কৰে নে নকৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## মাজুলীত লুৰীণজ্যোতি গগৈঃ যোৰহাট-মাজুলী দলঙক লৈ বিজেপিয়ে ৰাজনীতি কৰিব

# ৰাইজৰ মাজত বিজেপিৰ বিৰুদ্ধে ভিতৰি এক শক্তিশালী চেতনা প্ৰৱাহিত হৈ আছে

**ই-সংবাদ, মধ্য মাজুলী, ১৭ মাৰ্চঃ** ব্যক্তিগত এক ভ্ৰমণসূচীৰে আজি মাজুলীত উপস্থিত হোৱা অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে অসমৰ সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটক লৈ বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য কৰে। মাজুলীত উপস্থিত হৈ গগৈয়ে মাজুলীৰ আলিমূৰ মাজগাঁৱৰ তেওঁ মাতৃসম জ্ঞান কৰা চুনু দাসৰ গৃহত উপস্থিত হৈ মাতৃগৰাকীৰ খবৰ লৈ ওভতাৰ সময়ত সাংবাদিকৰে মুখামুখি হৈ লুৰীণজ্যোতি গগৈয়ে কয় যে অসমৰ মাটি, ভেটি, ভাষা, কৃষ্টি সুৰক্ষিত কৰিবৰ কাৰণে জাতীয় জীৱনৰ যিখন মহাসংগ্ৰাম সেইখন সংগ্ৰামৰ এজন আজন্ম সৈনিক হিচাপে থাকিব খোজো। সভ্যতা প্ৰতিষ্ঠাৰ অসমীয়া মানুহৰ যুঁজখনত এজন সৈনিক হৈ থাকোতে যাতে আমাৰ মাজত আপোচবিহীন স্বাভিমানী জাতীয় চেতনা নিহিত হৈ থাকে তাৰবাবে ভগৱন্তৰ পৰা তেওঁ আশীৰ্বাদ কামনা কৰে। ইফালে, আগন্তুক পঞ্চায়ত নিৰ্বাচন ৩০ মাৰ্চৰ ভিতৰত ঘোষণা নকৰিলে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কংগ্ৰেছ আদালতৰ দ্বাৰস্থ হ'ব বুলি ঘোষণা কৰা আলমত লুৰীণজ্যোতি গগৈৰ প্ৰতিক্ৰিয়া বিচৰাত তেওঁ কয় যে বিজেপি চৰকাৰে নিৰ্বাচন পাতিবলৈ ভয় কৰিছে। যোৱা লোকসভা নিৰ্বাচনৰ সময়ত গ্ৰাম্য অঞ্চলত বিজেপিৰ বিৰুদ্ধে ৰাইজে ভোট প্ৰদান কৰিছে। যোৰহাট, ডিব্ৰুগড়ৰৰ পঞ্চায়ত অঞ্চলসমূহত তেওঁলোকৰ ফলাফল শোচনীয়। সেই ভয় কৰিয়েই পঞ্চায়ত নিৰ্বাচন বিজেপিয়ে পিছুৱাই আছে। অসমৰ ৰাইজৰ মাজত বিজেপিৰ বিৰুদ্ধে ভিতৰি ভিতৰি এক শক্তিশালী চেতনা প্ৰৱাহিত হৈ থকা বিজেপিয়ে উমান পাইছে বুলি উল্লেখ কৰি বিজেপিৰ বাবে সেয়ে এতিয়া পঞ্চায়ত নিৰ্বাচন পিছুৱাই থকাৰ বাহিৰে গত্যন্তৰ নাই। লগতে বিৰোধী ৰাজনৈতিক শক্তিয়ে এতিয়া ঐক্যবদ্ধতাৰে যুঁজ দিয়াৰ প্ৰয়োজন আছে বুলি তেওঁ মন্তব্য কৰে। আনহাতে, যোৰহাট-মাজুলী সংযোগী দলঙৰ শেহতীয়া পথ যোগাযোগ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ব্যয় বিত্ত সমিতিয়ে প্ৰায় ৭০০ কোটি টকাৰ সংশোধিত ব্যয় আকলনৰ অনুমোদন জনোৱাৰ পিছত সম্প্ৰতি দলংৰ পুনঃনিবিদাৰ পৰ্যায়লৈ যোৱাৰ প্ৰাকমুহূৰ্তত দলংখনৰ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত লুৰীণজ্যোতি গগৈয়ে কয় যোৰহাট-মাজুলী দলং বিজেপিয়ে বহুদিনৰপৰা ৰাজনৈতিক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। ঠিকা আৱন্টনৰপৰা আৰম্ভ কৰি বিভিন্ন সময়ত ৰাজনীতি কৰি হুহকা-পিচলা কৰি আহি আগন্তুক ২০২৬ৰ নিৰ্বাচনতো দলংখনক লৈ ৰাজনৈতিক স্বাৰ্থসিদ্ধি কৰিবলৈ কাম-কাজ কৰিব। যোৰহাট-মাজুলী দলংখনক মাজুলীবাসী ৰাইজৰ আৱেগ। গতিকে মাজুলীবাসী ৰাইজৰ প্ৰতি দায়বদ্ধতা প্ৰদৰ্শন কৰি চৰকাৰে দলংখনক ৰাজনৈতিক হাথিয়াৰ হিচাপে কেতিয়াও ব্যৱহাৰ কৰিব নালাগে বুলি উল্লেখ কৰে। আনহাতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভ্ৰমণত কালত সৃষ্টি হোৱা গামোচাৰ বিতৰ্ক সন্দৰ্ভত লুৰীণজ্যোতি গগৈয়ে কয়-- অসম ভ্ৰমণৰ সময়ত অসমৰ মুখ্যমন্ত্ৰীকে ধৰি অন্যান্য মন্ত্ৰীসকলৰ গামোচাক গ্ৰহণ নকৰাতো অসমৰ জাতীয় জীৱনৰ স্বাভিমান গামোচাৰ প্ৰতি দেশৰ গৃহমন্ত্ৰীৰ অপমান। এয়া অসমৰ সমাজজীৱন, জাতীয় জীৱনকো কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অপমান কৰিছে বুলি গগৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ইফালে, অজাপৰ সভাপতিগৰাকীয়ে মাজুলীৰ বনগাঁৱৰ যোগী গাঁৱৰ অবিৰত ভাগৱত পাঠ অনুষ্ঠানতো আজি অংশগ্ৰহণ কৰে। সভাপতিগৰাকীক অজাপৰ মাজুলী জিলা সমিতিৰ বিষয়ববীয়াসকলে সংগ প্ৰদান কৰে।

# কলগাছিয়াত বগাহাতীত পৰিণত জলজীৱন মিছন

**ই-সংবাদ, কলগাছিয়া, ১৭ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত উদমাৰী আৰু শওপুৰ গাঁৱত এটুপাল খোৱাপানীৰ বাবে হাহাকাৰ কৰিব লগা হৈছে ৰাইজে। বগাহাতীত পৰিণত হৈছে চৰকাৰৰ জলজীৱন মিছন আঁচনি। অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ বৰপেটা সংমণ্ডলৰ অন্তৰ্গত উদমাৰী পানী যোগান আঁচনিখন নিৰ্মাণ কৰাৰ কিছুদিন পিছৰেপৰাই পানীৰ পাইপ ফাটি আৰু টেপসমূহ ভাঙি-চিঙি লণ্ডভণ্ড হৈ থকাৰ ফলত বন্ধ হৈ আছে খোৱাপানীৰ যোগান। ফলত প্ৰায় এবছৰ ধৰি ৰাইজে পানী পোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে। মাজে-সময়ে পৰীক্ষামূলকভাৱে পানীৰ মটৰ চলোৱা হয় যদিও ৰাইজে পানী পাবলৈ সক্ষম নহয়। আনহাতে, পাইপসমূহৰ খবৰ ল'বলৈও বিভাগীয় মানুহ নাহে বুলি অভিযোগ উত্থাপন হৈছে। ৰাস্তাৰ কাষে কাষে দিয়া পানীৰ টেপসমূহ ভাঙি যোৱাত গঞা ৰাইজে এটুপাল বিশুদ্ধ খোৱাপানীৰ অভাৱত আয়ৰণ আৰু আৰ্চেনিকযুক্ত পানী সেৱন কৰিব লগা হৈছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে প্ৰতিটো পৰিয়ালকে বিশুদ্ধ পানী যোগান ধৰাৰ




বাবে জলজীৱন মিছন নামেৰে অভিলাষী এই আঁচনিখন গ্ৰহণ কৰিছিল আৰু অসমত ৭১,৬৭,৮৮৬ টা পৰিয়ালক পানী সংযোগ দিবৰ বাবে অনুমোদন জনায়। অসমত ৭,৭৫২ টা জল জীৱন মিছনৰ কাম সম্পূৰ্ণ হৈছে যদিও ৪,০৪৭ টাত ভালদৰে পানী পাই আছে। কিন্তু সম্পূৰ্ণ হোৱা ৩,৭০৫ টা আঁচনিয়ে পানীযোগান ধৰিবলৈ সক্ষম হোৱা নাই। সেইদৰে উদমাৰী পানী যোগান আঁচনিখন প্ৰায় ডেৰ বছৰ ধৰি নিৰ্মাণ কৰা হৈছে যদিও নিৰ্মাণৰ পিছৰপৰাই অকামিলা হৈ আছে। সেয়ে শীঘ্ৰে পাইপ মেৰামতি কৰি আঁচনিখন পুনৰুজ্জীৱীত কৰি খোৱাপানী যোগান ধৰাৰ বাবে অসম চৰকাৰক দাবী জনাইছে ভুক্তভোগী ৰাইজে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# দৰঙত দিমীলাৰ মথাউৰি নিৰ্মাণত অনিয়ম

**ই-সংবাদ, দুনী, ১৭ মাৰ্চঃ** দৰঙৰ দিমীলা নদীৰ মথাউৰি নিৰ্মাণত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। নৈৰ বালিৰে পালমৰা কাম কৰাৰ অভিযোগ উঠিছে ঠিকাদাৰৰ বিৰুদ্ধে। বহু ঠাইত নদীৰ ভিতৰ ভাগৰপৰাই মাটি কাটি মথাউৰিত দিয়া পৰিলক্ষিত হৈছে। মূলতঃ জলসম্পদ বিভাগৰ বিষয়া-অভিযন্তাৰ দায়িত্বহীনতাৰ সুযোগ লৈছে ঠিকাদাৰে। প্ৰাককলন উলংঘা কৰি কাৰ্যতঃ বানমুক্ত ছিপাঝাৰৰ আশাত চেঁচাপানী ঢালিছে। নদীখনৰ কোনো কোনো অংশত খহনীয়াৰ ক্ষেত্ৰত অতি বিপদজনক স্থানত নৈৰ গড়াতে মথাউৰি নিৰ্মাণ কৰা পৰিলক্ষিত হৈছে। ঠায়ে ঠায়ে পূৰ্বৰ মথাউৰিৰ ওপৰতে মাটি পেলাই নিৰ্মাণ কৰা হৈছে নতুন মথাউৰি। নিৰ্মীয়মান মথাউৰিত নদীখনৰ ভিতৰভাগৰ বালিয়া মাটি ব্যৱহাৰ কৰাৰ লগতে পালমৰা কামেৰে মথাউৰিটো নিৰ্মাণ কৰিবলৈ বিচৰাত সচেতন ৰাইজ স্তম্ভিত হৈছে। বিশেষকৈ ভালুকৰ সাঙিসদৃশ পাগুাঘাটত স্থাপন কৰা দুনী বোৰতী জলসিঞ্চন প্ৰকল্পৰ আঠখন পানীদুৱাৰে বাৰিষা পানীৰ স্বাভাৱিক গতিত ভেঁটাৰ সৃষ্টি কৰে। ফলত জলসিঞ্চন আঁচনিখনৰ সন্মুখ অংশত কালৰূপ ধাৰণ কৰি সমগ্ৰ নামনি অংশত জলপ্ৰলয়ৰ সৃষ্টি কৰে নদীখনে। এনে দিশৰ প্ৰতি লক্ষ্য ৰাখি অতিমাত্ৰা পানী যাতে জলসিঞ্চন আঁচনিখনৰ দুই কাষে বৈ যাব পাৰে তেনে সুযোগ ৰাখি কোটিটকীয়া নিৰ্মীয়মাণ মথাউৰিটো নিৰ্মাণ কৰিব লাগিছিল। তাকে নকৰি অভিযন্তা আৰু ঠিকাদাৰে বিপদজনক স্থানখিনিত জলসিঞ্চন আঁচনিখনৰ কাষেৰে মথাউৰিটো নিৰ্মাণ কৰিবলৈ লোৱাত সম্ভাব্য বিপদৰ আশংকাত ভুগিছে স্থানীয় ৰাইজে। আনহাতে, জলসিঞ্চন বিভাগে নদীখনৰ পূব-দক্ষিণ পাৰত নিৰ্মাণ কৰা পুৰণি মথাউৰিটো ইতিমধ্যে বহু স্থানত খহনীয়াৰ কবলত পৰিছে। আশ্চৰ্যজনকভাৱে সেই পুৰণি মথাউৰিটোৰ ওপৰতে বালিয়া মাটি দি নতুন ৰূপ দিয়াৰ চেষ্টা কৰিছে ঠিকাদাৰে। নৈৰ গড়াৰপৰা চাৰি-পাঁচ ফুটো মাটি নথকা বিপদজনক স্থানসমূহটো পুৰণি মথাউৰিটোক নতুন ৰূপ দিবলৈ কৰা অপচেষ্টাৰ ফল বাৰিষা কালত সমগ্ৰ অঞ্চলটোৰ ৰাইজে ভোগ কৰিবলগীয়া হ'ব বুলি আশংকা কৰিছে। আৰম্ভণি পৰ্যায়ত কৃষিভূমি যাতে অধিক বিনষ্ট নহয় তাৰপ্ৰতি লক্ষ্য ৰাখি মথাউৰি নিৰ্মাণ কৰিব লাগে বুলি একাংশ লোকে বিভাগক অনুৰোধ জনাইছিল। জলসিঞ্চন বিভাগে নিৰ্মাণ কৰা পুৰণি মথাউৰি অংশৰ কাষে কাষে নতুন মথাউৰিটো নিৰ্মাণ কৰা হ'ব বুলি ঠিকাদাৰ আৰু অভিযন্তাই খুটি পুতি মাটিৰ সীমা নিৰ্ধাৰণ কৰি দিছিল। তাৰবাবে ৰাইজে বিভাগে নিৰ্ধাৰণ কৰি দিয়া স্থানৰপৰা গছ-বাঁহ আদি কাটি অথবা ভাঙি পেলাবলৈ সন্মতি দিছিল। সেই অনুসৰি মথাউৰিৰ কাষৰ অংশ মুকলিও কৰিছিল, কিন্তু ৰহস্যজনকভাৱে পূৰ্বৰ স্থান সলনি কৰি পুৰণি মথাউৰিটোতে মাটি জাপি ঠিকাদাৰ, বিভাগীয় বিষয়া অভিযন্তাই ঘী-মৌ খোৱাৰ পৰিকল্পনা ৰচনা কৰা বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে এই মথাউৰিটোৰ সৈতে দুনী, বুঢ়া, চেঙেলীয়া, বোনমাঝা গাঁও পঞ্চায়তৰ কুৰিখনতকৈয়ো অধিক গাঁৱৰ ৰাইজৰ বৃহত্তৰ স্বাৰ্থ জড়িত হৈ আছে। তাৰপিছতো গুৰুত্বপূৰ্ণ বিষয়টো লঘু কৰি বিভাগীয় অভিযন্তাই ক্ষুদ্ৰস্বাৰ্থৰ বাবেই ৰাইজৰ বাবে এটা জলবোমা সদৃশ মথাউৰি উপহাৰ দিবলৈ বিচৰা বুলি ৰাইজৰ মাজত চৰ্চা চলিছে। উল্লেখ্য, প্ৰতিবছৰে বাৰিষা কালৰূপ ধাৰণ কৰা দিমীলা নদীৰ সাৰেঙৰ পৰা দুই সুঁতি মুখলৈ দুয়োপাৰে ১০ কিলোমিটাৰকৈ মথাউৰি নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছে জলসম্পদ বিভাগে। ৭০.১৭ কোটি টকা আৱণ্টন দিছে সংশ্লিষ্ট বিভাগে। চলিত বৰ্ষৰ ৯ জানুৱাৰীত ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে মথাউৰি নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছিল। এতিয়া দিমীলা নদীৰ মথাউৰি নিৰ্মাণত হোৱা বিসংগতিয়ে মথাউৰিৰ স্থায়িত্ব সন্দৰ্ভত প্ৰশ্ন উত্থাপন হৈছে ৰাইজৰ মাজত। বাৰিষা কালত নদীখনৰ পানীৰ সোঁত বৃদ্ধি পালে নদীখনৰ কাষতে নিৰ্মাণ কৰা মথাউৰিৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব বুলি চৰ্চা চলিছে। কোটিটকীয়া দিমীলাৰ মথাউৰি নিৰ্মাণত হোৱা দুৰ্নীতি-অনিয়ম আৰু বিসংগতি দূৰ কৰি এটা শক্তিশালী মাথাউৰি নিৰ্মাণ কৰিবলৈ দাবী জনাইছে ৰাইজে।

# গীতিকাৰ, সুৰকাৰ, চৈয়দ চাদুল্লালৈ মঘাই ওজা বঁটা

**ই-সংবাদ, ডিব্ৰুগড়, ১৭ মাৰ্চঃ** গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী, সুৰকাৰ, গীতিকাৰ তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত বাদ্যযন্ত্ৰী চৈয়দ চাদুল্লালৈ আগবঢ়োৱা হৈছে। যোৰহাটৰ হাতীগড় নাওশলিয়াত থকা মঘাই ওজা কলাক্ষেত্ৰ সমাজে আয়োজন কৰা গণশিল্পীগৰাকীৰ ৪৫ সংখ্যক মৃত্যু দিৱসত এই বঁটা ঘোষণা কৰা হয়। উল্লেখযোগ্য যে চৈয়দ চাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰদ্বাৰা ১৯৭৭ চনতে গণশিল্পীগৰাকীৰ দীঘলীয়া সাক্ষাৎকাৰ গ্ৰহণ কৰি আৰু তেওঁৰ ঢোলবাদন বাণীবদ্ধ কৰি তেওঁৰ স্থিতি যুগমীয়া কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত তেওঁ মঘাই ওজাক লৈ গীত ৰচনা কৰি আকাশবাণীত বাণীবদ্ধ কৰাৰ লগতে গণশিল্পীগৰাকীৰ জীৱন সম্পৰ্কীয় আলখ্যও ৰচনা কৰিছিল। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ উদ্যোক্তা সমাজে জনাইছে।

## কাকপথাৰত চিকিৎসাধীন হ'বলগীয়া হ'ল শিশু

# চিঙৰাৰ মাজত বাদাম, আলুৰ সলনি ওলাল বিড়িৰ টুকুৰা

**ই-সংবাদ, কাকপথাৰ, ১৭ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত কাকপথাৰত চিঙৰা খাই অসুস্থ হৈ চিকিৎসা গ্ৰহণ কৰিবলগীয়া হ'ল এটি শিশুৱে। কাকপথাৰ চহৰৰ মাজমজিয়াত অৱস্থিত সকলোৰে চিনাকি দত্ত হোটেলে যোগান ধৰা চিঙৰাৰ মাজত ওলাইছে জনতা বিড়ি। কাকপথাৰ ১ নং তেজী গাঁও নিবাসী ভবেন মৰাণ নামৰ এগৰাকী শিক্ষকে ঘৰলৈ বুলি দত্ত হোটেলৰপৰা কেইটামান গৰম গৰম চিঙৰা ক্ৰয় কৰি লৈ গৈছিল। সেই চিঙৰাৰ আধাঅংশ খাই হঠাৎ অসুস্থ হৈ পৰে শিক্ষকগৰাকীৰ ৯ বছৰীয়া কন্যা সন্তান। লগে লগে পিতৃয়ে লক্ষ্য কৰি চিঙৰাৰ মাজত দেখা পালে মাৰাত্মক জনতা বিড়িৰ এটা টুকুৰা। ইতিমধ্যে চিঙৰাৰ মাজৰ আলু বাদামৰ লগতে জনতা বড়িৰ এটা অংশ পেটলৈ গৈছিল শিশুটিৰ। তাৰপাছতে অসুস্থ হৈ পৰে শিশুটি। পিতৃয়ে লগে লগে চতুৰ্থ শ্ৰেণীত অধ্যয়নৰত শিশুটিক চিকিৎসালয়লৈ নি চিকিৎসা কৰায়। উক্ত বিষয়টো হোটেলখনৰ কৰ্মচাৰীসকলক অৱগত কৰাত কৰ্মচাৰীসকলে এটা সাধাৰণ



ঘটনাৰ দৰে ব্যৱহাৰ কৰে। শিক্ষকগৰাকীয়ে কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা, মৰাণ ছাত্ৰ সন্থাক বিষয়টো অৱগত কৰে। শিক্ষক গৰাকীৰ লগতে সংগঠনৰ বিষয়ববীয়াসকলে দত্ত হোটেলত উপস্থিত হৈ তিনিচুকীয়া জিলা খাদ্য সুৰক্ষা, অসামৰিক যোগান বিভাগৰ লগত যোগাযোগ কৰি বিষয়টো অৱগত কৰে। অসুস্থ শিশুটিৰ পিতৃয়ে খাদ্য সুৰক্ষা, অসামৰিক যোগান বিভাগলৈ বিষয়টোৰ ওপৰত তদন্ত কৰি হোটেলখনৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ লিখিত আবেদন কৰাৰ কথা জানিব পৰা গৈছে। এতিয়া খাদ্য সুৰক্ষা, অসামৰিক যোগান বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।




# চৰাইবাহীত অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত ঘাঁহ শস্য বিষয়ক প্ৰশিক্ষণ শিবিৰ

**ই-সংবাদ, লাহৰীঘাট, ১৭ মাৰ্চঃ** সম্প্ৰতি ৰাজ্যত গাখীৰ উৎপাদন বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে গো-পালকসকলক বিভিন্নধৰণেৰে আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰিছে । গো-পালকসকলৰ গাখীৰ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত অপৰিহাৰ্য্য বিষয়টো হৈছে পশুধনৰ ঘাঁহ। আনহাতে, বৰ্তমান সময়ত কৃষকসকলে ব্যৱসায়ভিত্তিত ঘাঁহৰ খেতি কৰিও স্বাৱলম্বী হ'ব পাৰে। সেয়ে একবৰ্ষীয় আৰু বহুবৰ্ষীয় ঘাঁহ শস্যৰ খেতি ব্যৱসায়ভিত্তিত কৰি স্বাৱলম্বী কেনেকৈ হ'ব পাৰি সেই সন্দৰ্ভত আজি অসম কৃষি বিশ্ববিদ্যালয় যোৰহাটৰ উদ্যোগত আৰু মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত ঘাঁহশস্য বিষয়ক লৈ মৰিগাঁও জিলাৰ চৰাইবাহীত মহাবাহু এগ্ৰ' ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ ফাৰ্মত এদিনীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। সৰ্বভাৰতীয় সমন্বয়ৰক্ষী ঘাঁহশস্য গৱেষণা প্ৰকল্প, কৃষি বিশ্ববিদ্যালয় যোৰহাট আৰু কৃষি বিজ্ঞান কেন্দ্ৰ মৰিগাঁৱৰ সৌজন্যত কৃষক আৰু গো-পালকসকলক লৈ এদিনীয়া ঘাঁহশস্য বিষয়ত হোৱা প্ৰশিক্ষণ শিবিৰটোত যোৰহাট কৃষি বিশ্ববিদ্যালয় ঘাঁহশস্য জ্যেষ্ঠ বিজ্ঞানী ডঃ সেউজী বৰা নেওগ, প্ৰাণজিৎ ভড়ালী আৰু মৰিগাঁও পশুপালন আৰু চিকিৎসা বিষয়া ডাঃ নিলোৎপল কাকতিয়ে এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাবে উপস্থিত থাকি ৩৫ জন লোকক প্ৰশিক্ষণ প্ৰদান কৰে। লগতে প্ৰশিক্ষণৰ শেষত মানপত্ৰও প্ৰদান কৰা হয়। গো-পালক আৰু ঘাঁহশস্য কৃষকসকলে ঘৰৰ চৌপাশতে ক্ষুদ্ৰ মাটিতে বছৰৰ সকলো সময়তে পশুধনক পৰ্যাপ্ত আৰু উৎকৃষ্ট মানৰ ঘাঁহৰ খেতি কৰি সঠিক দুগ্ধ উৎপাদনত সহায়ৰ লগতে বাণিজ্যিকভাৱেও যাতে লাভৱান হ'ব পাৰে, এই সজাগ কৰা উদ্দেশ্যৰে অনুষ্ঠিত হোৱা প্ৰশিক্ষণ শিবিৰটোত মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ডাঃ ৰিজুস্মিতা শৰ্মা ডেকা, জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মা, কৃষি বিজ্ঞান কেন্দ্ৰৰ পশু বিশেষজ্ঞ ডাঃ সুভাষ কলিতা, দিপাংকৰ বৰা, মহাবাহু এগ্ৰ' কৃষক উৎপাদক প্ৰতিষ্ঠানৰ অধ্যক্ষ মানস নাথ, মুখ্য কাৰ্যবাহী বিষয়া ডিবেন্দ্ৰ কুঃ হাজৰিকাৰ লগতে মহাবাহুৰ কেবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

# ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৭ মাৰ্চঃ** ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ দ্বাৰা কামৰূপ জিলাৰ বাবে নিয়োজিত নিৰ্বাচনী পৰ্যবেক্ষকদ্বয় ক্ৰমে অনুসূচীত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালিকা কুলশ্ৰী নাথ আৰু অসম ক্ষুদ্ৰ সঞ্চয় সঞ্চালকালয়ৰ সঞ্চালক অৰূপ কুমাৰ শৰ্মা আজি কামৰূপ জিলাত উপস্থিত হয়। দুয়োগৰাকী নিৰ্বাচনী পৰ্যবেক্ষকে সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ উপস্থিতিত নিৰ্বাচনী প্ৰক্ৰিয়াৰ লগত জড়িত সহকাৰী ৰিটাৰ্ণিং বিষয়াসকলৰ লগত এখন বৈঠকত মিলিত হোৱাৰ উপৰি মনোনয়ন-পত্ৰ পৰীক্ষা ব্যৱস্থাও নিৰীক্ষণ কৰে। উল্লেখ্য যে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ অংশস্বৰূপে আজি মনোনয়ন দাখিল কৰা প্ৰাৰ্থীসকলৰ মনোনয়ন-পত্ৰসমূহ পৰীক্ষা কৰা হয় তথা বৈধভাৱে মনোনীত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হয়। আজিৰ বৈঠকত কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত কমল বৰুৱা, সুজাতা গগৈ, কামৰূপ জিলাৰ নিৰ্বাচনী বিষয়া ড০ ভূপালী কাশ্যপৰ লগতে সহকাৰী ৰিটাৰ্ণিং নিৰ্বাচনী বিষয়াসকল উপস্থিত থাকে।

# তামুলপুৰ জিলাৰ জনসংযোগ বিভাগৰ কৰ্মচাৰীৰ অকাল বিয়োগ

**ই-সংবাদ, তামুলপুৰ, ১৭ মাৰ্চঃ** মহকুমা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়, তামুলপুৰৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী পিংকুমণি ৰাজবংশীৰ ১৬ মাৰ্চৰ সন্ধিয়া ৭.১০ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। কিছুদিনৰ আগৰেপৰা তেওঁ মূৰৰ অত্যন্ত বিষত আক্ৰান্ত হৈ আছিল। তাৰবাবে গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত তেওঁ চিকিৎসাধীন হৈ থকা অৱস্থাতে শৰীৰৰ অধিক অৱনতি ঘটি মৃত্যুমুখত পৰে। ২০০৯ চনৰ ৭ জুলাইত চাকৰিত যোগদান কৰা পিংকুমণি ৰাজবংশীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪১ বছৰ। মৃত্যুৰ সময়ত তেওঁ স্বামীৰ উপৰি এগৰাকী জীয়ৰী আৰু এটি পুত্ৰ সন্তানক এৰি যায়।

# চাউলীয়াবড়ীত ৪ কিঃমিঃ পথত বিগত ছবছৰে থমকি ৰৈছে নিৰ্মাণ কাৰ্য



**ই-সংবাদ, ভৱানীপুৰ, ১৭ মাৰ্চঃ** ভৱানীপুৰৰ চাউলীয়াবড়ী গাঁৱৰ মাজেৰে যোৱা ভৱানীপুৰ-ভুএগ্ৰাপাৰা গড়কাপ্তানী পথ আৰু মধ্যম কৰ্দৈগুৰী গাঁও সংযোগী মুঠ ৫ কিলোমিটাৰ দৈৰ্ঘৰ পথছোৱাৰ ৪ কিলোমিটাৰ দৈৰ্ঘৰ পথৰ অংশই অঞ্চলটোৰ ৰাইজক বাৰুকৈয়ে বিপৰ্যস্ত কৰি অহা পৰিলক্ষিত হৈছে। স্থানীয় ৰাইজে পথছোৱাৰ মাথোঁ এক কিলোমিটাৰ অংশৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিছত বিগত ছবছৰে বাকী পথ অংশৰ নিৰ্মাণৰ কাম থমকি ৰোৱাৰ কাৰণ জানিব বিচাৰিছে। উল্লেখ্য, তেতিয়াৰ গড়কাপ্তানী পথ বিভাগৰ দ্বাৰা ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পঞ্চম অসম বিত্তীয় বৰ্ষ আঁচনিৰ অধীনত মঞ্জুৰীপ্ৰাপ্ত ধনেৰে ৫ কিলোমিটাৰ দৈৰ্ঘৰ পথছোৱাৰ মাথোন চাউলীয়াবড়ী গাঁৱৰ মাজেৰে যোৱা এক কিলোমিটাৰ দৈৰ্ঘৰ পথ অংশৰ নিৰ্মাণহে ব্লক টেপিং পদ্ধতিৰে সম্পূৰ্ণ কৰি তোলা হৈছিল। আনহাতে, বৰ্তমানৰ কেবিনেট মন্ত্ৰী তথা তেতিয়াৰ অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা অসম হাউচফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে ২০২০ চনৰ ছেপ্টেম্বৰ মাহৰ ১৬ তাৰিখে এক অনুষ্ঠানৰ জৰিয়তে ততাতৈয়াকৈ উক্ত অৰ্দ্ধনিৰ্মিত পথছোৱাকেই উদ্বোধন কৰিছিল। কিন্তু লক্ষণীয়ভাৱে গাঁওখনৰ সোঁ-মাজেৰে যোৱা এক কিলোমিটাৰ পথ অংশ গাঁওখনৰ পশ্চিম প্ৰান্তলৈকে সম্পূৰ্ণৰূপে ব্লক টেপিঙৰ সহায়ত পকীকৰণ হোৱাৰ পিছতে হোৱা উদ্বোধনৰ ছবছৰ পিছতো উক্ত পথ অংশৰে পশ্চিম দিশলৈ সংযোজিত অৱশিষ্ট পথ অংশৰ নিৰ্মাণৰ কাম এতিয়ালৈকে অসম্পূৰ্ণ হৈ থকাত স্থানীয় ৰাইজ স্তম্ভিত হৈ পৰিছে।স্থানীয় ৰাইজে পথ নিৰ্মাণত সংঘটিত দুৰ্নীতি আৰু অবৈধ বুজাপৰাৰ বাবেই পথ নিৰ্মাণৰ কাম স্থবিৰ হৈ থকাৰ অভিযোগ কৰিছে। স্থানীয় ৰাইজে পথছোৱাৰ অৱশিষ্ট ৪ কিলোমিটাৰ দৈৰ্ঘৰ নিৰ্মাণকাৰ্যই বৃহত্তৰ অঞ্চলটোত যোগাযোগৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন অনাৰ লগতে এনে কাৰ্য অঞ্চলটোৰ উন্নয়ণৰ ক্ষেত্ৰতো প্ৰচুৰ সহায়ক হ'লহেতেন বুলিও মত পোষণ কৰিছে। বৰ্তমান বানাক্ৰান্ত অঞ্চলটোৰ মুকলি পথাৰৰ মাজেৰে যোৱা পথছোৱাৰ সোঁমাজতে দুটা বৃহৎ পুখুৰীসদৃশ কুৰৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে বৰ্তমান খৰালি মাহত দুয়োটা পুখুৰীৰ কাষৰ পথৰুৱা উপ-পথেৰে আহ-যাহ কৰি আহিছে যদিও বাৰিষাকালি অৰ্দ্ধনিৰ্মিত পথছোৱাৰে সৈতে সমগ্ৰ পথ অংশই বানত ডুব যোৱাত গাঁওখনৰ কৃষিজীৱী লোকসকল কৃষিকাৰ্য সম্পাদনৰ ক্ষেত্ৰত চৰম আহুকালৰ সন্মুখীন হোৱাৰ কথা সদৰি কৰিছে। এনেবোৰ কাৰণতে গাঁওখনৰ ৰাইজে বিশেষকৈ শালিধানৰ কৃষিকাৰ্যৰপৰা কেইবাবছৰো বিৰত থাকিবলগীয়া হোৱাৰ অভিযোগ উত্থাপন হৈছে।

# ছমৰীয়া সত্ৰৰ দৌল উৎসৱৰ সামৰণি, হোলী গীতেৰে মুখৰিত চৌদিশ

**ই-সংবাদ, বকো, ১৭ মাৰ্চঃ** নৱ-বৈষ্ণৱ ধৰ্মৰ পীঠস্থান দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰৰ দৌল উৎসৱৰ দেওবাৰে সামৰণী পৰে। উল্লেখ্য, সত্ৰীয়া সংস্কৃতিৰ অন্যতম অবিচ্ছেদ্য এই দৌল উৎসৱৰ অংশ হিচাপে দেওবাৰে অৰ্থাৎ অন্তিম দিনাৰ বিয়লি সুৱৰি উৎসৱ পালন কৰে ছমৰীয়া সত্ৰবাসীয়ে। গুৰুজনাই দেখুৱাই থৈ যোৱা আদৰ্শক সৰোগত কৰিয়ে সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে ছমৰীয়া সত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয় দৌল উৎসৱৰ। দৌল উৎসৱৰ অন্তিম দিনা সুৱৰি যাত্ৰা উপলক্ষে সত্ৰৰ মূল নামঘৰৰপৰা ভাগৱত আসন উলিয়াই সত্ৰৰ গায়ন-বায়ন আৰু ভকতবৃন্দই আবিৰ ছটিয়াই সত্ৰ গাঁৱৰ মাজেৰে পথাৰলৈ শোভাযাত্ৰা উলিয়ায়। এই সুৱৰি যাত্ৰাত অংশ লোৱা ভকতবৃন্দ, বাপ-বান্ধৱ, আই-মাতৃৰ কৃষ্ণ বন্দনা তথা হোলী গীতত মুখৰিত হৈ পৰে সত্ৰৰ চৌপাশ। পথাৰৰ মাজৰ নিৰ্দিষ্ট আসনত ভাগৱত স্থাপন কৰি ভকত-বৈষ্ণৱে তাল-খোল লৈ থিয়নাম পৰিৱেশনেৰে সৃষ্টি কৰে এক আধ্যাত্মিক পৰিৱেশৰ। পুনৰ তাৰপৰা ভাগৱত লৈ ভকত সমাজে সত্ৰীয়া পৰম্পৰা হেঙাৰধৰা অনুষ্ঠানৰ জৰিয়তে নামঘৰৰ মণিকূটত ভাগৱত স্থাপন কৰি হৰিধ্বনিৰে ছমৰীয়া সত্ৰৰ ফাল্গু উৎসৱৰ তিনিদিনীয়া কাৰ্যসূচীৰ সামৰণী পেলায়।

# চামগুৰিৰ আমনিত অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, পুৰণিগুদাম, ১৭ মাৰ্চঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি অঞ্চলৰ আমলখি গাঁও পঞ্চায়তৰ সন্মুখৰ এখন বন্ধ হোৱা দোকানত আজি পুৱা এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি অঞ্চলৰ আমলখি গাঁও পঞ্চায়তৰ সন্মুখৰ এখন বন্ধ দোকানত তথা এখন টিঙৰ চালিৰ তলত আজি পুৱা স্থানীয় একাংশ লোকে এজন অচিনাক্ত লোকৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ প্ৰায় ৬০ বছৰীয়া অচিনাক্ত লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিতাললৈ প্ৰেৰণ কৰে। স্থানীয় লোকে জানিবলৈ দিয়া মতে, উক্ত অচিনাক্ত লোকজনে উক্ত বন্ধ দোকান তথা টিঙৰ চালিখনৰ তলত আজি কিছুদিন ধৰি জীৱন-যাপন কৰি আছিল। আনহাতে, আজি উদ্ধাৰ কৰা অচিনাক্ত লোকজনৰ মৃতদেহটো বৰ্তমানলৈকে চিনাক্ত হোৱা নাই বুলি আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়ে।

# মাৰ্ঘেৰিটাত জনজাতি ঐক্যমঞ্চৰ সংবাদমেল

**ই-সংবাদ, ১৭ মাৰ্চ, মাৰ্ঘেৰিটাঃ** আজি মাৰ্ঘেৰিটাত জনজাতি ঐক্যমঞ্চৰ এখন গুৰুত্বপূৰ্ণ সংবাদমেল অনুষ্ঠিত কৰে। জনজাতি ঐক্যমঞ্চই টিৰাপ ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি একাংশ অজনজাতি লোকে বেদখল কৰাৰ ঘটনাকে ধৰি কেইবাটাও দাবী সন্দৰ্ভত এই যৌথ সংবাদমেলত উল্লেখ কৰে। ট্ৰাইবেল বেল্ট এণ্ড ব্লকসমূহৰ ভূমি সুৰক্ষিত কৰি জনজাতীয় লোকসকলক সুৰক্ষা দিবলৈ দাবী জনায়। অহা ৩ এপ্ৰিলত জনজাতি ঐক্যমঞ্চই এখন জনজাতীয় অভিৱৰ্তন মাৰ্ঘেৰিটাত অনুষ্ঠিত কৰিব বুলিও আজি সংবাদমেলত উল্লেখ কৰে। উক্ত সংবাদমেলত উপস্থিত থাকে টিৰাপ স্বায়ত্বশাসিত জিলা দাবী পৰিষদ, চিংফৌ নেশ্যনেল কাউন্সিল, পান চিংফৌ ষ্টুডেন্ট ইউনিয়ন, অল মানটাই স্পিকিং ষ্টুডেন্ট ইউনিয়ন, চেমা ষ্টুডেন্ট ইউনিয়ন, জনজাতি মহাসংঘ অসম, টাই ফাকে ষ্টুডেন্ট ইউনিয়ন, টিএমপিকে ষ্টুডেন্ট ইউনিয়ন, মেচ কছাৰী ষ্টুডেন্টসহ বহুসংখ্যক জনজাতীয় নেতৃত্ব। পৰিষদে টিৰাপ ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি অজনজাতি লোকে বেদখল কৰাক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। পৰিষদে অতি শীঘ্ৰে ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি অবৈধ বেদখল মুক্ত কৰি জনজাতীয় লোকসকলক সুৰক্ষিত কৰিবলৈ চৰকাৰ-প্ৰশাসনৰ প্ৰতি দাবী জনায়।

# মঙলদৈত অসম সাহিত্য সভাৰ ‘মন জুৰুৱা অনুষ্ঠান’

**ই-সংবাদ বিশেষ, মঙলদৈ, ১৭ মাৰ্চঃ** ‘সমালোচনাই অসম সাহিত্য সভাক প্ৰাণশক্তি প্ৰদান কৰিছে, প্ৰয়োজনত সংশোধন প্ৰক্ৰিয়াৰে সভাক সজাই তোলা হ'ব। ইউনিক'ডত অসমীয়া লিপিক বহুল মান্যতা দিয়াৰ লক্ষ্যেৰে প্ৰতিগৰাকী শিশুৰ মনস্তত্ত্ব অধ্যয়নৰে পিতৃ-মাতৃয়ে মাতৃভাষাৰ জ্ঞান প্ৰদান কৰক, অসমীয়া ধ্ৰুপদী সাহিত্যৰ জগতখনত মনোনিৱেশ কৰাই পিতৃ মাতৃয়ে সন্তানক জীৱিকামুখী নকৰি জীৱনমুখী কৰি তুলিব লাগিব’।- এই বক্তব্য অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ। আজি মঙলদৈস্থিত দৰং জিলা সাহিত্য সভা প্ৰকল্পত অসম সাহিত্য সভাৰ মন জুৰুৱা অনুষ্ঠানত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে তেওঁৰ ভাষণত অসম সাহিত্য সভাক ব্যক্তিকেন্দ্ৰিক উত্থানৰ বাবে ব্যৱহাৰ নকৰিবলৈ সকীয়াই দি কয় যে, এইবাৰৰ প্ৰতিজন কাৰ্যনিৰ্বাহক সদস্যই এশজনকৈ আজীৱন সভ্য অন্তৰ্ভুক্তিৰে সাংগঠনিক আৰু আৰ্থিক দিশত সভাক অধিক শক্তিশালী কৰিব। দৰং জিলা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই শুভেচ্ছামূলক ভাষণত সভাৰ তৰফৰ পৰা বিশ্বকোষৰ নতুন প্ৰকাশ আৰু পুনৰ মুদ্ৰণ কৰা, জিলাই জিলাই আজীৱন সভ্য সন্মিলন অনুষ্ঠিত কৰা, অসম সাহিত্য সভাৰ অধিৱেশনলৈ প্ৰতিজন সভ্যই নিমন্ত্ৰণ লাভ কৰাৰ ব্যৱস্থা কৰিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে জাতীয় চেতনাৰে সমৃদ্ধ সকলো ব্যক্তিয়ে অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ পদ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইফালে, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই শৃংখলিত পদ্ধতিৰে সকলোকে সন্মান সহকাৰে অসম সাহিত্য সভা মজিয়ালৈ আদৰণি জনোৱাৰ ব্যৱস্থা কৰাৰ সমান্তৰালকৈ অসম সাহিত্য সভাৰ বঁটাৰ মৰ্যাদা লাঘৱ কৰিবলৈ দিয়া নহ'ব বুলি তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদান কৰে। দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় নাথৰ সভাপতিত্বত হোৱা 'মন জুৰুৱা অনুষ্ঠান'ত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক যাদৱ শৰ্মা, প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক অৱনীমোহন চহৰীয়া, প্ৰাক্তন উপ-সভাপতি ইদ্ৰিছ আলীয়ে বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশীয়ে আঁত ধৰা সভাখনত অসম সাহিত্য সভাৰ ধনভৰালী মণিৰাম লাহন, সচিব অশোক কুমাৰ সেনাপতি, গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক সঞ্জীৱ কুমাৰ শৰ্মা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য শংকুসিদ্ধ নাথ, স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতা, শিক্ষাবিদ ৰবীন দাস, প্ৰাক্তন সাংগঠনিক সম্পাদক ৰাণা আলম, মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ প্ৰাক্তন সম্পাদক ছহিৰ ভূঞা, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন জিলা প্ৰতিনিধি মহেন্দ্ৰ কুমাৰ নাথ, ডাঃ মৃণ্ময় কুমাৰ নাথ, ভূপেন শইকীয়া, কৰুণাকান্ত শৰ্মা, মুকুটৰাজ শৰ্মা প্ৰমুখ্যে সাহিত্য সভাৰ ভালেসংখ্যক বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

# টিহুত অভিনেত্ৰী প্ৰাঞ্জলা দত্তৰ অভিনন্দন গ্ৰন্থ 'বৰ্ণিল জীৱনৰ সোণোৱালী সুৱাস' উন্মোচন

**ই-সংবাদ, বৰমা, ১৭ মাৰ্চঃ** টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদৰ উদ্যোগত আজি অসমৰ অভিনয় জগতৰ জনপ্ৰিয় অভিনেত্ৰী প্ৰাঞ্জলা দত্তৰ অৰ্চনা ঠাকুৰীয়া আৰু নিৰুপমা হালৈ সম্পাদিত 'বৰ্ণিল জীৱনৰ সোণোৱালী সুৱাস' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। শংখ, ঘণ্টা, উৰুলি আদি মাংগলিক পৰিৱেশত গ্ৰন্থখন উন্মোচন কৰে টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদৰ সভানেত্ৰী ড০ কমলা ডেকাই। উন্মোচনী ভাষণত তেওঁ কয় যে এখন গ্ৰন্থ বা কিতাপৰ জন্ম মানে এখন হৃদয়ৰ জন্ম হোৱা। কিতাপৰ পৰা আমি বহুত কথাই শিকিব পাৰো। সমবেত সংগীতৰে আৰম্ভ হোৱা টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদৰ সভানেত্ৰী ড০ কমলা ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জনপ্ৰিয় অভিনেত্ৰীগৰাকীক টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদ, টিহু শাখা লেখিকা সমাৰোহ সমিতি আৰু নমাটি সাংস্কৃতিক মহাসভাৰ তৰফৰ পৰা গামোচা, কিতাপৰ টোপলা, জাপি, মমেন্ট, শৰাই, অভিনন্দন পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতেই অৰ্চনা ঠাকুৰীয়াৰ 'নেদেখা বিন্দুৰ সিপাৰ' নামৰ কবিতা পুথিখন উন্মোচন কৰে জনপ্ৰিয় অভিনেত্ৰী প্ৰাঞ্জলা দত্তই। টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদৰ সম্পাদিকা কণিকা শৰ্মাই আঁত ধৰা সভাখনত অভিনেত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত অভিনয় জগতৰ তিতা-কেঁহা আদি অভিজ্ঞতাৰ কথা বৰ্ণনা কৰে। বিগত ২৭ বছৰ অভিনয় জগতত কাম কৰি আজি অভিনেত্ৰীৰ স্বীকৃতি পোৱা বুলি উল্লেখ কৰে তেওঁ। আজিৰ পৰা তেওঁৰ বায়'ডাটা হ'ব 'বৰ্ণিল জীৱনৰ সোণোৱালী সুৱাস' নামৰ গ্ৰন্থখন। শেষত অভিনেত্ৰীগৰাকীয়ে এটি সংলাপ পৰিৱেশন কৰে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদৰ কাৰ্যকৰী সভানেত্ৰী জয়মতী তালুকদাৰে। কাকুতি প্ৰাৰ্থনা পৰিৱেশন কৰে টিহু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা সাবিত্ৰী বেজবৰুৱাই আৰু ঘোষা পাঠ কৰে নমাটি সাংস্কৃতিক মহাসভাৰ মুখ্য সম্পাদক অৰ্চনা ঠাকুৰীয়াই। টিহুৰ জনপ্ৰিয় কণ্ঠশিল্পী হেমন্ত তালুকদাৰ, হীৰামণি হালৈ, জোনালী দেৱীয়ে গীত পৰিৱেশন কৰাৰ লগতে লাচিত পাঠকে কবিতা পাঠ কৰে। সভাত টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদৰ উপদেষ্টা অনিমা দেৱী, নমাটি শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী আদ্যৰাণী মজুমদাৰ প্ৰমুখ্যে ভালেসংখ্যক লোক উপস্থিত থাকে। ইয়াৰ পূৰ্বে শিক্ষাবিদ, সাহিত্যিক, গীতিকাৰ, কণ্ঠশিল্পী ড০ লক্ষহীৰা দাসৰ মৃত্যুত এক মিনিট সময় ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰা হয়।

# বামুণঝাৰত হৰি মন্দিৰৰ সোণালী জয়ন্তী উৎযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, দুনী, ১৭ মাৰ্চঃ** পশ্চিম দৰঙৰ বামুণঝাৰৰ অন্যতম ধৰ্মীয় উপাসনাস্থলী দক্ষিণ বামুণঝাৰত হৰি মন্দিৰ। ৫০ বছৰ গৰকা হৰি মন্দিৰটোৰ সোণালী জয়ন্তী ৰাইজে অনুষ্ঠিত কৰিবলৈ লৈছে। প্ৰয়াত গৌৰীকান্ত নাথ আৰু আহিনা নাথ সোঁৱৰণি ক্ষেত্ৰ, দক্ষিণ বামুণঝাৰত অহা ২৯, ৩০ আৰু ৩১ মাৰ্চত বৰ্ণাঢ্য কাৰ্যসূচীৰে আনুষ্ঠিত হ'ব সোণালী জয়ন্তী। প্ৰথম দিনৰ প্ৰথম কাৰ্যসূচী মূল মন্দিৰত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হ'ব। ইয়াৰ পাছতে প্ৰভাতী আৰতী, ধৰ্মধ্বজা উত্তোলন কৰা হ'ব। ধৰ্মধ্বজা উত্তোলন কৰিব দক্ষিণ বামুণঝাৰ খেলৰ সভাপতি ৰমেশ নাথে। ইয়াৰ পাছতে উন্মোচন কৰা হ'ব মন্দিৰৰ মূল তোৰণ। সমান্তৰালভাৱে স্মৃতি তৰ্পণ, ক্ষেত্ৰ উন্মোচনৰ লগতে কৰা হ'ব বৃক্ষৰোপণ। দিনৰ ভাগত অনুষ্ঠিত হ'ব ভাগৱত পাঠ। আবেলি অনুষ্ঠিত হ'ব স্মৃতিচাৰণ সভা আৰু সম্বৰ্ধনা অনুষ্ঠান। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত প্ৰদৰ্শন কৰা হ'ব খুজুৱী নাম। দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পাছতে ভাগৱত শোভাযাত্ৰা অনুষ্ঠিত হ'ব। ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক বসুন্ধৰ শইকীয়াই। দিনৰ ২ বজাত অৱসৰপ্ৰাপ্ত শিক্ষক বলেন্দ্ৰ কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব লোক কৃষ্টিৰ গৱেষক তৰুণ আজাদডেকা। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব পদ্মশ্ৰী দ্ৰোণ ভূঞাৰ লগতে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে। সন্ধিয়া অনুষ্ঠিত হ'ব এক সাংস্কৃতিক অনুষ্ঠান। অন্তিম দিনা পুৱা মন্দিৰৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হ'ব কাৰ্যসূচী। বন্তি প্ৰজ্বলনৰ পাছতে আৰম্ভ হ'ব সমূহীয়া চাফাই। দিনৰ ১০ বজাত ধৰ্মধ্বজা অৱতৰণেৰে হৰি মন্দিৰৰ সোণালী জয়ন্তী অনুষ্ঠানৰ সামৰণি পৰিব।

# ডিব্ৰুগড়ত চন্দ্ৰপ্ৰভা শইকীয়ানীক স্মৰণ ডিব্ৰুগড়ত মহিলা সমিতিৰ

**ই-সংবাদ, ডিব্ৰুগড়, ১৭ মাৰ্চঃ** অসমৰ এগৰাকী বিদূষী মহিলা পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীক ডিব্ৰুগড়ত শ্ৰদ্ধাৰে স্মৰণ কৰে শতিকাপ্ৰাচীন সংগঠন ডিব্ৰুগড় জিলা মহিলা সমিতিয়ে। এই উপলক্ষে ১৬ মাৰ্চত সংগঠনটোৱে উন্নয়ন এলেকা সমন্বয় মহিলা সমিতিৰ সহযোগত উন্নয়ন এলেকা প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীৰ বন্তি প্ৰজলনেৰে শুভাৰম্ভ কৰে জিলা মহিলা সমিতিৰ সভাপতি দিপালী শইকীয়াই। সভাপতি শইকীয়াই বিদূষী মহিলাগৰাকীৰ জীৱন আৰু কৃতিৰ লগতে সাম্প্ৰতিক সময়ত তেওঁৰ আদৰ্শৰ প্ৰয়োজনৰ সম্পৰ্কত এক তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। সমন্বয় মহিলা সমিতিৰ সভাপতি অঞ্জু কাকতিৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড০ পল্লৱী ডেকা বুজৰবৰুৱাই চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বৈপ্লৱিক জীৱন সত্বা সম্পৰ্কে এক সাৱলীল ভাষণ প্ৰদান কৰি কয় যে নাৰীয়ে প্ৰথমতে নিজক চিনি পাব লাগিব,




তেতিয়াহে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ দিৱস পতাৰ সাৰ্থকতা থাকিব। পদ্মশ্ৰী চন্দ্ৰপ্ৰভাৰ আদৰ্শৰে মহিলা সমিতিৰ স'তে অনাগত দিনত তেওঁ কাম কৰি যাব বুলিও ভাষণত উল্লেখ কৰে। সভাত ডিমৌ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মামণি গগৈ বৰগোহাঁয়ে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ সাহিত্য-জীৱন সম্পৰ্কে আলোকপাত কৰি বক্তব্য আগবঢ়ায়। সভাত ৰেডিঅ' জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী বিষয়া স্বপ্নালী ভূঞাই নিজৰ অনুভৱ ব্যক্ত কৰে। ডিব্ৰুগড় চহৰকে ধৰি বিভিন্ন প্ৰান্তৰ অৰ্ধশতাধিক মহিলা উপস্থিত থকা উক্ত সভাত শিশু শিল্পী ৰেইনি ফুকনৰ জ্যোতি সংগীতে সকলোকে আপ্লুত কৰে। সভাৰ আৰম্ভণিতে মহিলা সমিতিৰ সদস্যাসকলে এক সমূহীয়া প্ৰাৰ্থনা কাৰ্যসূচীৰ সম্পাদনৰ লগতে প্ৰেক্ষাগৃহৰ চৌহদত গছপুলি ৰোপণৰ কাৰ্যসূচীৰে অনুষ্ঠান শুভাৰম্ভ কৰে স্থানীয় বিশিষ্ট ব্যক্তি কনক হাজৰিকাই।

# দৰঙৰ দিমীলা নদীৰ মথাউৰি নিৰ্মাণত দুৰ্নীতি-অনিয়ম

**ই-সংবাদ, দুনী, ১৭ মাৰ্চঃ** দৰঙৰ দিমীলা নদীৰ মথাউৰি নিৰ্মাণত দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। নৈৰ বালিৰে মথাউৰিৰ কাম কৰাৰ অভিযোগ ঠিকাদাৰৰ বিৰুদ্ধে। বহু ঠাইত নদীৰ ভিতৰ ভাগৰ পৰাই মাটি কাটি মথাউৰিত দিয়া পৰিলক্ষিত হৈছে। মুলতঃ জলসম্পদ বিভাগৰ বিষয়া-অভিযন্তাৰ দায়িত্বহীনতাৰ সুযোগ লৈছে ঠিকাদাৰে। প্ৰাককলন উলংঘা কৰি কাৰ্যতঃ বান মুক্ত ছিপাঝাৰৰ আশাত চেঁচাপানী ঢালিছে। নদীখনৰ কোনো কোনো অংশত খহনীয়াৰ ক্ষেত্ৰত অতি বিপজ্জনক স্থানত নৈৰ গৰাতে মথাউৰি নিৰ্মাণ কৰা পৰিলক্ষিত হৈছে। ঠায়ে ঠায়ে পূৰ্বৰ মথাউৰিৰ ওপৰতে মাটি পেলাই নিৰ্মাণ কৰা হৈছে নতুন মথাউৰি। নিৰ্মীয়মান মথাউৰিত নদীখনৰ ভিতৰ ভাগৰ বালি-মাটি ব্যৱহাৰ কৰাৰ লগতে পাল মৰা কামেৰে মথাউৰিটো নিৰ্মাণ কৰিবলৈ বিচৰাত সচেতন ৰাইজ স্তম্ভিত হৈছে। বিশেষকৈ ভালুকৰ সাঙি সদৃশ পাণ্ডাঘাটত স্থাপন কৰা দুনী বোৰতী জলসিঞ্চন প্ৰকল্পৰ আঠখন পানী দুৱাৰে বাৰিষা পানীৰ স্বাভাৱিক গতিত ভেটাৰ সৃষ্টি কৰে। ফলত জলসিঞ্চন আঁচনিখনৰ সন্মুখ অংশত কাল ৰূপ ধাৰণ কৰি সমগ্ৰ নামনি অংশত জলপ্ৰলয়ৰ সৃষ্টি কৰে নদীখনে। এনে দিশৰ প্ৰতি লক্ষ্য ৰাখি অতিমাত্ৰা পানী যাতে জলসিঞ্চন আঁচনিখনৰ দুই কাষে বৈ যাব পাৰে তেনে সুযোগ ৰাখি কোটি টকীয়া নিৰ্মীয়মান মথাউৰিটো নিৰ্মাণ কৰিব লাগিছিল। তাকে নকৰি অভিযন্তা আৰু ঠিকাদাৰে বিপজ্জনক স্থানখিনিত জলসিঞ্চন আঁচনিখনৰ কাষেৰে মথাউৰিটো নিৰ্মাণ কৰিবলৈ লোৱাত সম্ভাব্য বিপদৰ আশংকাত ভুগিছে স্থানীয় ৰাইজ। আনহাতে, জলসিঞ্চন বিভাগে নদীখনৰ পূব-দক্ষিণ পাৰত নিৰ্মাণ কৰা পুৰণি মথাউৰিটো ইতিমধ্যে বহু স্থানত খহনীয়াৰ কবলত পৰিছে। আশ্চৰ্যজনকভাৱে সেই পুৰণি মথাউৰিটোৰ ওপৰতে মাটি-বালি দি নতুন ৰূপ দিয়াৰ চেষ্টা কৰিছে ঠিকাদাৰে। নৈৰ গৰাৰ পৰা চাৰি-পাঁচ ফুটো মাটি নথকা বিপজ্জনক স্থানসমূহতো পুৰণি মথাউৰিটোক নতুন ৰূপ দিবলৈ কৰা অপচেষ্টাৰ কুফল বাৰিষা কালত সমগ্ৰ অঞ্চলটোৰ ৰাইজে ভোগ কৰিবলগীয়া হ'ব বুলি আশংকা কৰিছে। আৰম্ভণি পৰ্যায়ত কৃষি ভূমি যাতে অধিক বিনষ্ট নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি মথাউৰি নিৰ্মাণ কৰিব লাগে বুলি একাংশ লোকে বিভাগক অনুৰোধ জনাইছিল। জলসিঞ্চন বিভাগে নিৰ্মাণ কৰা পুৰণি মথাউৰি অংশৰ কাষে কাষে নতুন মথাউৰিটো নিৰ্মাণ কৰা হ'ব বুলি ঠিকাদাৰ আৰু অভিযন্তাই খুটি পুতি মাটিৰ সীমা নিৰ্ধাৰণ কৰি দিছিল। তাৰ বাবে ৰাইজে বিভাগে নিৰ্ধাৰণ কৰি দিয়া স্থানৰ পৰা গছ-বাঁহ ইত্যাদি কাটি অথবা ভাঙি পেলাবলৈ সন্মতি দিছিল। সেই অনুসৰি মথাউৰিৰ কাষৰ অংশ মুকলিও কৰিছিল, কিন্তু ৰহস্যজনকভাৱে পূৰ্বৰ স্থান সলনি কৰি পুৰণি মথাউৰিটোতে মাটি জাপি ৰাইজক টুপি পিন্ধাই ঠিকাদাৰ, বিভাগীয় বিষয়া, অভিযন্তাই লুণ্ঠন কৰাৰ পৰিকল্পনা কৰা বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে এই মথাউৰিটোৰ সৈতে দুনী, বুঢ়া, চেঙেলীয়া, বোনমাঝা গাঁও পঞ্চায়তৰ কুৰিখনতকৈ অধিক গাঁৱৰ গঞা ৰাইজৰ বৃহত্তৰ স্বাৰ্থ জড়িত হৈ আছে। তাৰ পিছতো গুৰুত্বপূৰ্ণ বিষয়টো লঘু কৰি বিভাগীয় অভিযন্তাই ক্ষুদ্ৰ স্বাৰ্থৰ বাবেই ৰাইজৰ বাবে এটা জলবোমা সদৃশ মথাউৰি উপহাৰ দিবলৈ বিচৰা বুলি ৰাইজৰ মাজত চৰ্চা চলিছে। আনহাতে, মথাউৰিত কৃষি ভূমি নষ্ট হোৱা কৃষক ৰাইজক চৰকাৰে উপযুক্ত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন দিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছে ৰাইজে। উল্লেখ্য যে, প্ৰতি বছৰে বাৰিষা কালৰূপ ধাৰণ কৰা দিমীলা নদীৰ সাৰেঙৰ পৰা দুই সুঁতি মুখলৈ দুয়োপাৰে ১০ কিলোমিটাৰকৈ মথাউৰি নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছে জলসম্পদ বিভাগে। ৭০.১৭ কোটি টকা আবণ্টন দিছে সংশ্লিষ্ট বিভাগে। চলিত বৰ্ষৰ ৯ জানুৱাৰীত ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে মথাউৰি নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছিল। দিমীলা নদীৰ মথাউৰি নিৰ্মাণত হোৱা বিসংগতিয়ে মথাউৰিৰ স্থায়িত্ব সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছে।

# বিত্তীয় লেনদেনৰ সুবিধাৰ্থে চেঙাৰ বাঘমাৰাত বেংকৰ শাখা স্থাপনৰ দাবী ৰাইজৰ

**ই-সংবাদ, শিমলীতোলা, ১৭ মাৰ্চঃ** দক্ষিণ বৰপেটাৰ চেঙা সমষ্টিৰ চৰাঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত ৯ খন গাঁও পঞ্চায়ত ক্ৰমে কাছুমাৰা পঞ্চায়ত, মহচৰা পঞ্চায়ত, খোলাবান্ধা পঞ্চায়ত, আলোপতি-মাজৰ চৰ পঞ্চায়ত, বাঘমাৰা চৰ পঞ্চায়ত, ভাতনাপাইতি পঞ্চায়ত, কদমতলা পঞ্চায়ত, উজিৰৰ চৰ পঞ্চায়ত আৰু ৰামাপাৰা ধৰ্মপুৰ পঞ্চায়ত। ভোটাৰ তালিকা অনুসৰি, এই ৯ খন পঞ্চায়তৰ মুঠ ভোটাৰৰ সংখ্যা প্ৰায় এক লাখ দুই হাজাৰ। ইমান দিনে চৰাঞ্চলত যিকোনো বেংকৰ শাখা কাৰ্যালয় চৰকাৰে আজিকোপতি স্থাপন নকৰাত লেনদেনৰ সুবিধা নথকাৰ ফলত জীয়াতু ভুগীবলগীয়া হৈছে অঞ্চলবাসী ৰাইজ। একাংশ অঞ্চলত চি এছ পি (গ্ৰাহক সেৱা কেন্দ্ৰ) আছে যদিও কোনো বেংকৰ শাখা কাৰ্যালয় নাই। যাৰ ফলত ধনৰ লেনদেন কৰাৰ ক্ষেত্ৰত ৰাইজ চৰম হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছে। প্ৰায় ডেৰ লক্ষাধিক লোক বসবাস কৰা চৰাঞ্চলত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান বিশেষকৈ প্ৰতিখন পঞ্চায়তত ডাঙৰ ডাঙৰ বজাৰ গঢ় লৈ উঠিছে, য'ত প্ৰতিদিনে কেবা লাখ টকাৰ ব্যৱসায় হয় আৰু মাহেকত প্ৰায় কেবা কোটি টকাৰ লেনদেন কৰিবলগীয়া হয়। সাম্প্ৰতিক পৰিস্থিতিত চৰাঞ্চলত কেইবাটাও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, থানা, মহকুমা কৃষিবিষয়াৰ কাৰ্যালয়, বিভিন্ন স্কুল-কলেজ, বাঘমাৰা সমবায় সমিতিৰ কাৰ্যালয় থকাৰ উপৰি বাঘমাৰা চৰত নতুনকৈ স্থাপন হোৱা চেঙা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ লগতে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰে বিত্তীয় লেনদেনৰ কাম-কাজৰ বাবে উল্লেখিত জিলাসমূহৰ বিভিন্ন ঠাইত যাব লগা হয়। বিদ্যালয়ৰ মুৰব্বী তথা পৰিচালন সমিতিয়ে বিত্তীয় লেনদেন অথবা বেংক সংক্ৰান্তীয় কাম-কাজৰ বাবে গাঁঠিৰ ধন ভাঙি সদায় ৰ'দ-বৰষুণ, বতাহ নেওচি কেতিয়াবা বেংক সংক্ৰান্তীয় কাম-কাজৰ বাবে কামৰূপ জিলাৰ নগৰবেৰা, বকো শিংৰাৰ লগতে বৰপেটা জিলাৰ মন্দিয়া, বৰপেটা আৰু গোৱালপাৰা জিলাৰ ধুপধৰা, দুধনৈ আদি অঞ্চলত নদী পাৰ হৈ যাব লগা হোৱাত লেনদেনৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে চৰাঞ্চলবাসীয়ে। যাৰ ফলত চৰাঞ্চলৰ ৰাইজ আৰ্থিকভাৱে দুৰ্বল হৈ পৰিছে। চৰাঞ্চলত বেংকৰ শাখা নথকাৰ বাবে বিশেষকৈ বৃদ্ধ লোকসকলে বেংক সংক্ৰান্তীয় কাম-কাজৰ বাবে চৰম হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছে। বেংক সংক্ৰান্তীয় কাম-কাজৰ বাবে যাতে বৃহত্তৰ চৰাঞ্চলৰ ৰাইজ অইন ঠাইলৈ যাব নালাগে তাৰ প্ৰতি লক্ষ্য ৰাখি চৰাঞ্চলৰ মধ্য স্থান বাঘমাৰা চৰ গাঁও পঞ্চায়তত ষ্টেট বেংকৰ এটি শাখা কাৰ্যালয় স্থাপন কৰিবলৈ ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে দাবী জনাইছে।

# হালাকুৰাত ড্ৰাগছসহ সৰবৰাহকাৰীক আটক

**ই-সংবাদ, গোলকগঞ্জ, ১৭ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত হালাকুৰাৰ বাসীয়া দৌল মেলাত যোৱা নিশা গোলকগঞ্জ আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ এটা কুখ্যাত সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আটকাধীন লোকজন সোনাখুলি প্ৰথম খণ্ড গাঁৱৰ আব্দুল ছালামৰ পুত্ৰ আব্দুল আলম। জানিব পৰা মতে, কুখ্যাত আব্দুল আলম মেলাত চাইকেল গেৰেজ দি গোপনে ড্ৰাগছৰ ব্যৱসায় চলোৱাৰ পৰিকল্পনা কৰিছিল। মেলাৰ প্ৰথম দিনাই গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নিৰ্দেশত আৰক্ষীৰ এটা দলে নিশা আঠ বজাত অতৰ্কিতে অভিযান চলায়। অভিযানত আব্দুল আলমক তেৰটা নিষিদ্ধ ব্ৰাউন ছুগাৰৰ কণ্টেইনাৰসহ আটক কৰে। জব্দকৃত ব্ৰাউন ছুগাৰখিনিৰ ওজন প্ৰায় তেইশ গ্ৰাম। দুমাহ পূৰ্বেও আব্দুল নিষিদ্ধ ড্ৰাগছৰ গোচৰত জে'ললৈ গৈছিল। আৰক্ষীয়ে আব্দুলক সোধা-পোছাৰ অন্তত ধুবুৰী আদালতত হাজিৰ কৰি জে'ললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে হালাকুৰাৰ সোনাখুলি ড্ৰাগছৰ ঘাটিত পৰিণত হৈছে। ইপিনে, প্ৰতিবাৰেই গোলকগঞ্জ আৰক্ষীয়ে হালাকুৰালৈ গৈ অভিযান চলাই সফল হয় যদিও নিচেই কাষতে থকা হালাকুৰা তালাচী চকীৰ আৰক্ষীৰ নিৰ্লিপ্ত ভূমিকাক ৰাইজে সমালোচনা কৰিছে।

# ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ,পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ উদ্যোগত লাফাকুছিত উদ্যোগীকৰণ সজাগতা সভা

**ই-সংবাদ, তামুলপুৰ, ১৭ মাৰ্চঃ** আজি ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠান উত্তৰ পূব ক্ষেত্ৰীয় কাৰ্যালয়ৰ উদ্যোগত তথা ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান আৰু জোনালী মহিলা মীন পালন কোঃ অপাৰেটিভ সমবায় সমিতি লিমিটেডৰ সহযোগত লাফাকুছিৰ ভালাগুৰিত এদিনীয়া উদ্যোগীকৰণ সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই সজাগতামূলক সভাত অঞ্চলটোৰ মহিলাসকলক উদ্যোগীকৰণ সন্দৰ্ভত বিশেষকৈ আজি প্ৰশিক্ষণ প্ৰদান কৰা হয়। ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ পৰা অহা বিষয়ববীয়াসকলে কেনেদৰে সূক্ষ্ম উদ্যোগৰ দ্বাৰা কেনেকৈ স্বাৱলম্বী হ'ব পাৰি উক্ত বিষয় সন্দৰ্ভত অনুষ্ঠানত উপস্থিত মহিলাসকলক বিষদভাৱে অৱগত কৰায়। লগতে সূতাৰ কাপোৰ, গামোচা, পিঠাগুৰি, আছাৰ আদি উৎপাদন কৰি সূক্ষ্ম ব্যাৱসায়ৰ দ্বাৰা কেনেকৈ স্বাৱলম্বী হ'ব পাৰি মহিলাসকলক অৱগত কৰোৱা হয়। আজিৰ এই অনুষ্ঠানত ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ প্ৰশিক্ষণ সমন্বয়ক ড০ ৰত্না ভুঞা, এছ কে ঘোষ, ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ তিনি বিষয়া ক্ৰমে অপূৰ্ব শৰ্মা, প্ৰাঞ্জল কুমাৰ শৰ্মা, ধ্ৰুৱ জ্যোতি মালাকৰ, জোনালী মহিলা মীন পালন সমবায় সমিতি লিমিটেডৰ সভাপতি দিপালী দাস, সম্পাদিকা মালতি ডেকা, ছ'চাইটিৰ সঞ্চালক ধ্ৰুৱজিত মদাহীসহ অৰ্ধ শতাধিকৰো অধিক মহিলা উপস্থিত থাকে।

ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানে প্ৰদান কৰা উদ্যোগীকৰণ সজাগতা সভাৰ কাৰণে লাফাকুছিৰ মহিলাসকলে শলাগ জনায় প্ৰতিষ্ঠানটোক।

# ৰঙিয়াত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় অধিৱেশন

**ই-সংবাদ, ৰঙিয়া, ১৭ মাৰ্চঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশনখন ৰঙিয়াৰ তৰণীত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। স্থানীয় ৰজা আৰিমত্ত ক্ষেত্ৰত অহা ২১ মাৰ্চৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা অধিৱেশন উপলক্ষে পাৰভগা উচাহেৰে ৰভা, তোৰণ নিৰ্মাণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰাত দিনে নিশাই ব্যস্ত হৈ পৰিছে আদৰণি সমিতিৰ কৰ্মকৰ্তাসকল। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা স্ব-গোষ্ঠীয় লোকৰ সমাৱেশ ঘটিব লগা অধিৱেশনৰ প্ৰথম দিনা পুৱাৰ ভাগত মুখ্য তোৰণ মুকলি কৰিব আদৰণি সমিতিৰ সভাপতি ভবেশ কলিতাই। ইয়াৰ পিছতে ভাগৱত স্থাপন, বন্তি প্ৰজ্বলন আৰু প্ৰাতঃপ্ৰসংগ অনুষ্ঠিত কৰা হ'ব। আনহাতে, বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা ৩৮ খন পতাকা উত্তোলন কৰাৰ লগতে মূল পতাকা উত্তো লন কৰিব সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে। পুৱাৰ ভাগত স্মৃতি তৰ্পণ, মাল্যাৰ্পণ, অস্থায়ী কাৰ্যালয় উদ্বোধন কৰা হ'ব। প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰিব কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতাই। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব কমলপুৰৰ বিধায়ক দিগন্ত কলিতাই। দিনৰ ভাগত জনগোষ্ঠীয় বাৰ্ষিক দিনপঞ্জী উন্মোচন কৰিব জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকাই। নিশা অনুষ্ঠিত হ'বলগীয়া বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীত নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে অনুষ্ঠান পৰিৱেশন কৰিব। দ্বিতীয় দিনা পুৱাৰ ভাগত জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ হৰমোহন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া 'সাম্প্ৰতিক পৰিস্থিতিত কলিতা জনগোষ্ঠীক অনুসূচিত জনজাতিকৰণৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয় আধাৰিত আলোচনা চক্ৰত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। ইয়াৰ সমান্তৰালভাৱে গ্ৰন্থ উন্মোচন, স্ব-গোষ্ঠীয় জ্যেষ্ঠ নাগৰিকৰ সম্বৰ্ধনা অনুষ্ঠানৰ লগতে দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। আবেলি অনুষ্ঠিত হ'ব লগা প্ৰতিনিধি আৰু বিষয়বাছনি সভা উদ্বোধন কৰিব সন্মিলনৰ প্ৰাক্তন সভাপতি ডাঃ ভবেন্দ্ৰ নাথ কলিতাই। সন্ধিয়া বন্তি প্ৰজ্বলনেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। তৃতীয় তথা অন্তিম দিনা দিনৰ ভাগত অনুষ্ঠিত কৰা হ'ব মুকলি সভা। সন্মিলনৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্তবিশ্ব শৰ্মা, অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণাপ্ৰতাপ কলিতা, সাংসদ ভুৱনেশ্বৰ কলিতা, দিলীপ শইকীয়া, বিজুলী কলিতা মেধিৰ লগতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জয়ন্ত মল্লবৰুৱা, পীযুষ হাজৰিকা, প্ৰশান্ত ফুকন, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাকে ধৰি বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰিব। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই। নিশাৰ ভাগত অনুষ্ঠিত হ'ব অন্যতম আকৰ্ষণীয় সাংস্কৃতিক কাৰ্যসূচী। উক্ত অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী সুবাসনা দত্ত আৰু ধেমাজিৰ কেন্দ্ৰীয় হৰিনাম দলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে।

# ঝসকালত দিনে নিশাই মাটি খনন, কুম্ভকৰ্ণৰ নিদ্ৰাত ছাগলীয়া বন বিভাগ

**ই-সংবাদ, গোলকগঞ্জ, ১৭ মাৰ্চঃ** ধুবুৰী জিলাৰ ছাগলীয়া বন গাণনিক কাৰ্যালয়ৰ অধীনৰ পাৰৰছৰা গাঁৱত অবৈধভাৱে স্থাপন কৰা পিডিএফ নামৰ ইটা ভাটাত বন বিভাগৰ জ্ঞাতসাৰে ঝসকালৰ পৰা দিনে নিশাই মাটি কটিওৱা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, স্থানীয় ৰাইজৰ লগতে কাষৰ খেতি মাটিৰ গৰাকীৰ কোনো ধৰণৰ আপত্তি বিহীন চহী নলৈ সকলোৰে চহী জাল কৰি অবৈধভাৱে খেতি মাটিত ইটা ভাটা স্থাপন কৰিছে। তদুপৰি জনবসতিপূৰ্ণ এলেকাত প্ৰদূষণৰ নথি-পত্ৰ অবিহনে কি তথ্যৰ ভিত্তিত প্ৰশাসনে ভাটা স্থাপনৰ অনুমতি প্ৰদান কৰিছে সেই লৈও ৰহস্যৰ সৃষ্টি হৈছে। নতুনকৈ গাঁওখনত গঢ়ি উঠা ভাটাৰ ফলত কাষৰ খেতি-বাতি নষ্ট হোৱাৰ লগতে প্ৰদূষণৰ বাবে স্থানীয় ৰাইজৰ স্বাস্থ্যৰ প্ৰতিও ভাবুকি আহি পৰিছে। ইপিনে, মাটি কটিওৱা ট্ৰেক্টৰৰ দৌৰাত্মাই স্থানীয় ৰাইজক জলা-কলা খুৱাইছে। ঝসকালত দিনে নিশাই অবৈধভাবে চলিছে মাটি খনন। ছাগলীয়া বন বিভাগক মেনেজ কৰি কৰ ফাঁকি দি মাটি খনন কৰি যোগান ধৰি আহিছে ইটা ভাটাত। এই ক্ষেত্ৰত ছাগলীয়া বন বিভাগৰ অধিকাৰী উপাধিৰ ফৰেষ্টাৰজনে নেতৃত্ব গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। যাৰ ফলত দৈনিক চৰকাৰী ৰাজকোষৰ পৰা লাখ লাখ টকা সৰকি গৈ আছে। গ্ৰামাঞ্চলৰে দিনে নিশাই ট্ৰেক্টৰসমূহ চলাচল কৰি থকাত পথচাৰীসকল যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি অতি শীঘ্ৰে পাৰৰছৰা গাঁৱৰ ইটা ভাটা বন্ধ কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# মৰিয়নিত বিজেপিৰ যোগদান কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, মৰিয়নি, ১৭ মাৰ্চঃ** পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে নিজ শক্তি বৃদ্ধিৰ বাবে তৎপৰ হৈ পৰিছে শাসকীয় বিজেপি দল। মৰিয়নিৰ সোণোৱাল চাহ বাগিচাত যোৱা দেওবাৰে অনুষ্ঠিত হয় বিজেপি বিশাল যোগদান কাৰ্যসূচী। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দুই শতাধিক নেতা কৰ্মীয়ে বিজেপি দলত যোগদান কৰে। যুৱ ছাত্ৰ পৰিষদৰ মৰিয়নি আঞ্চলিকৰ সভাপতি প্ৰিয়াংশু বৰুৱাৰ নেতৃত্বত যুৱ ছাত্ৰ পৰিষদৰ নেতা-কৰ্মীয়ে যোগদান কৰে গেৰুৱা দলত। লগতে কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু কংগ্ৰেছ দলৰ কেবাজনো সদস্যই বিজেপি দলত যোগদান কৰে বুলি জানিব পৰা গৈছে।

# কামৰূপৰ লাহেশ্বৰী গ্ৰেজিং ৰিজাৰ্ভত বনৰীয়া ম'হৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, শুৱালকুছি, ১৭ মাৰ্চঃ** কামৰূপৰ হাজো বন বিভাগৰ অন্তৰ্গত লাহেশ্বৰী চৰ তথা গ্ৰেজিং ৰিজাৰ্ভৰ দক্ষিণ দিশত ব্ৰহ্মপুত্ৰৰ এটি সুঁতিত এটা বনৰীয়া ম'হৰ মৃতদেহ স্থানীয় গো-পালকসকলে উদ্ধাৰ কৰি বন বিভাগ তথা নদী আৰক্ষীক খবৰ দিয়ে। প্ৰাপ্ত তথ্য অনুসৰি, হাজো বন বিভাগৰ অন্তৰ্গত লাহেশ্বৰী গ্ৰেজিং ৰিজাৰ্ভত মহাবাহু ব্ৰহ্মপুত্ৰৰ বানপানীত উটি অহা কেইবাটাও বনৰীয়া ম'হে বিগত কেইবছৰ ধৰি উক্ত চৰ অঞ্চলত বিচৰণ কৰি আছিল। কিন্তু আজি হঠাতে ইয়াৰে এটা বনৰীয়া ম'হৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় গো-পালকসকলৰ পৰা জানিব পৰা মতে, বিস্তীৰ্ণ অঞ্চলৰে আগুৰি থকা ব্ৰহ্মপুত্ৰ মাজৰ লাহেশ্বৰী চৰত আৰু কেইবাটাও বনৰীয়া ম'হৰ মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় গো-পালকসকলে। গো-পালকসকলৰ অভিযোগ, একাংশ অসাধু লোকে লাহেশ্বৰী চৰত কৰা খেতিত দিয়া ৰাসায়নিক দ্ৰব্যৰ সেৱনৰ ফলতে বনৰীয়া ম'হটোৰ মৃত্যু হয়। আনহাতে, বন বিভাগৰ অৱহেলা আৰু ব্যৰ্থতাৰ বাবেই ম'হকেইটাৰ মৃত্যু হোৱা বুলি অভিযোগ কৰে স্থানীয় গো-পালকসকলে। কিয়নো স্থানীয় গো-পালকসকলে লিখিতভাৱে অভিযোগ দিয়াৰ পিছতো ম'হকেইটাৰ সংৰক্ষণৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল বন বিভাগে। আনহাতে, লাহেশ্বৰী গ্ৰেজিং ৰিজাৰ্ভত হাজো বন বিভাগৰ বনাঞ্চলিক বিষয়াৰ নেতৃত্বত এটি দল ঘটনাস্থলীত উপস্থিত হৈ মৃত ম'হটো নিৰীক্ষণ কৰে। পিছত হাজো বন বিভাগে পশু চিকিৎসকৰ এটা দল আনি মৃত বনৰীয়া ম'হটোৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ লগতে মৃত ম'হটো সেই স্থানৰ সমীপতে সমাধিস্থ কৰা হয় বুলি হাজো বন বিভাগে জানিবলৈ দিয়ে।

# নিজম পৰিল বটদ্ৰৱা, পৰম্পৰাগত ভকত সেৱাৰে দৌলযাত্ৰা মহোৎসৱৰ সামৰণি

**ই-সংবাদ,বেবেজীয়া, ১৭ মাৰ্চঃ** বিগত পাঁচোটা দিনে অগণন লোকৰ সমাগমেৰে লোকাৰণ্য হৈ পৰা দ্বিতীয় বৈকুণ্ঠধাম স্বাভাৱিকভাৱেই নিজম পৰিল। এতিয়া মাথোঁ গুৰুজনাৰ পৱিত্ৰ ওপজা ভূমিৰ চৌদিশে এক শান্ত-সৌম্য তথা নিমাওমাও পৰিৱেশ। অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান শ্ৰীশ্ৰী বটদ্ৰৱা থানত যোৱা ১৩ মাৰ্চ বৃহস্পতিবাৰৰ পৰা আড়ম্বৰপূৰ্ণভাৱে উদযাপিত শ্ৰীশ্ৰী কৃষ্ণৰ দৌলযাত্ৰা মহোৎসৱৰ পৰম্পৰাগত ভকত বিদায় অনুষ্ঠানেৰে সোমবাৰে আনুষ্ঠানিকভাৱে সামৰণি পৰে। এই বিখ্যাত দৌলযাত্ৰা মহোৎসৱৰ অন্তিম দিনাও বিশেষ নাম-কীৰ্তনত ঐতিহ্যমণ্ডিত কীৰ্তনঘৰত বহু সংখ্যক লোকে নাম-প্ৰসংগত ভাগ লৈ হৰিনাম কীৰ্তনত অংশগ্ৰহণ কৰে। ইয়াৰ বিপৰীতে বহু সংখ্যক, লোকে বিগত দিনকেইটাৰ দৰেই অন্তিম দিনাও পৱিত্ৰ আকাশীগংগাৰ তীৰৰ লগতে হাটিবহাৰ পাৰত নিজে ৰান্ধি মিলিজুলি এসাঁজ খোৱাৰ উদ্দেশ্যৰে সমবেত হোৱা দেখা যায়। উল্লেখ্য যে বটদ্ৰৱা থানৰ পৰম্পৰা অনুসৰি দুপৰীয়া ভাগত বিগত পাচঁদিনত কীৰ্তনঘৰ, পদশিলা, পাতশিলা, দৌলমন্দিৰ আদিত তীৰ্থযাত্ৰীৰ সেৱাত নিহিত হৈ থকা বিভিন্ন স্থানৰ ভকত-বৈষ্ণৱসকলক থান পৰিচালনা সমিতিৰ তৰফৰ পৰা আনুষ্ঠানিক বিদায় সম্ভাষণ জনোৱা হয়। থান পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, কাৰ্যকৰী সভাপতি প্ৰভাত কলিতা আৰু সাধাৰণ সম্পাদক টিকেন্দ্ৰজিৎ দেৱ গোস্বামীৰ লগতে বিষয়ববীয়াসকলে প্ৰতিগৰাকী ভকতক আন্তৰিকতাৰে বিদায় জনায়। এই চেগতে থান পৰিচালনা সমিতিয়ে বৰদোৱাৰ দৌলযাত্ৰা মহোৎসৱলৈ অহা প্ৰতিজন ভক্তপ্ৰানক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে বিশেষভাৱে অতি কষ্ট স্বীকাৰ কৰি দিনে-নিশাই সেৱা আগবঢ়োৱা নগাঁও আৰক্ষী, জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, বিজুলী বিভাগ, অগ্নিনিৰ্বাপক বাহিনী, সংবাদসেৱী তথা বিভিন্ন প্ৰান্তৰ পৰা আহি স্বেচ্ছাই সেৱা আগবঢ়োৱা যুৱ সেৱকসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ইফালে, বিগত পাঁচটি দিনত পুতি গন্ধময় হৈ পৰা বটদ্ৰৱা থান, দৌল মন্দিৰ, সতীৰাধিকা মন্দিৰ চৌহদ অতি তৎপৰতাৰে বিজ্ঞানসন্মতভাৱে পৰিষ্কাৰ কৰাৰ জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক ৰাইজে আহ্বান জনাইছে।

# চাহ খেতিত কীটনাশক ব্যৱহাৰ সঠিক উপায়ৰ সন্দৰ্ভত সজাগতা সভা

**ই-সংবাদ, তিনিচুকীয়া, ১৭ মাৰ্চঃ** অসমৰ ভিতৰত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বিশেষকৈ ব্ৰিটিছ আমোলৰ পৰাই বহুকেইখন চাহ বাগিচা গঢ় লৈ উঠিছে। ইয়াৰ লগে লগে নিজৰ নিজৰ কৃষিভূমিতো খেতিয়কসকলে চাহ গছ ৰোপণ কৰি লাভৱান হোৱাৰ উপৰি আৰ্থিক দিশত টনকিয়াল হ'ব পাৰিছে। অসম চৰকাৰেও ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যাসমূহ দূৰ কৰাৰ বাবে সময়ে সময়ে আলাপ-আলোচনাৰ মাধ্যমেৰে আগবাঢ়ি যোৱাৰ উদাহৰণ আছে। অসম চৰকাৰৰ খাদ্য সুৰক্ষা আয়ুক্তালয়ৰ এটি সঁজাতি দলৰ সৈতে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলাৰ তালাপ আঞ্চলিক সমিতিৰ কাৰ্যালয়ত চাহ উৎপাদকৰ বাবে কীটনাশক ব্যৱহাৰৰ সঠিক উপায়ৰ সন্দৰ্ভত এখনি সজাগতা সভা অনুষ্ঠিত হয়। সভাত ক্ষুদ্ৰ চাহ খেতিয়ক ৰাইজে উৎপন্ন কৰা চাহৰ গুণগত মানৰ সুৰক্ষাৰ বাবে অসম চৰকাৰে নিৰ্ধাৰণ কৰা কীটনাশকৰ প্ৰকাৰ আৰু প্ৰয়োগ সম্পৰ্কীয় এক বিস্তৃত আলোচনা কৰা হয়। সভাত জিলাখনৰ তালাপ আঞ্চলিকৰ অন্তৰ্গত সৰু-বৰ সকলো চাহ খেতিয়ক উপস্থিত থকা পৰিলক্ষিত হয়। উল্লেখ্য যে, অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ চাহে পাশ্চাত্যৰ বহুকেইখন দেশত বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। উন্নত মানৰ চাহ উৎপাদন কৰি অনাগত দিনত ক্ষুদ্ৰ চাহ খেতিয়কৰ বাবে এক ভাল বাৰ্তা কঢ়িয়াই অনাৰ উপৰি চাহিদাৰ লগতে চাহৰ উচিত মূল্য যে পাব সেয়া নিশ্চিত বুলিও সভাই মত পোষণ কৰে।

# গেদাৰবৰিত অখণ্ড ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন

**ই-সংবাদ, বেৰেজীয়া, ১৭ মাৰ্চঃ** নগাঁও জিলাৰ বেৰেজীয়াৰ কিছু নিলগৰ ১নং গেদাৰবৰি যুৱীয়া নামঘৰ প্ৰাংগণত অহা ৩০ আৰু ৩১ মাৰ্চত দুদিনীয়া কাৰ্যক্ৰমণিকাৰে দক্ষিণ-পূব হাতীচোং আঞ্চলিক ৰাইজৰ সৌজন্যত ৩৩ সংখ্যক বাৰ্ষিক অখণ্ড ভাগৱত পাঠ আৰু ব্যাখ্যা মহোৎসৱৰ আয়োজন কৰা হৈছে। এই মৰ্মে, সুব্ৰত শইকীয়াক সভাপতি, তৰুণ শইকীয়াক কাৰ্যকৰী সভাপতি, মাখন বৰা, ৰামেশ্বৰ বৰা আৰু শুভ শইকীয়াক উপ-সভাপতি, দৰ্শন মহন্তক সাধাৰণ সম্পাদক তথা মাধবানন্দ শইকীয়া, জ্যোতিপ্ৰসাদ শইকীয়া, কৌশিক শইকীয়া আৰু বিকুজ্যোতি শইকীয়াক সহকাৰী সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হয়। প্ৰকাশিত কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা ৬ বজাত ঊষা কীৰ্তন, ৮ বজাত ধৰ্মধ্বজা উত্তোলন আৰু ৮.৩০ বজাত ভাগৱত আদৰণিৰ অন্তত ৯ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যাৰ উদ্বোধন কৰিব বিশিষ্ট শিক্ষাবিদ ৰাণা প্ৰকাশ বৰাই। ইয়াৰ পিছতে শুভাৰম্ভ হ'বলগীয়া ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানত আৰম্ভণিৰ পাঠাচাৰ্য হিচাপে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সম্পাদক বিপুল শইকীয়া আৰু বেৰেজীয়াৰ বিনন্দ শইকীয়া উপস্থিত থকাৰ বিপৰীতে ব্যাখ্যাকাৰক হিচাপে কিংকৰ খাটনিয়াৰ, ৰূপাকান্ত দাস, জ্ঞানী জছবীৰ সিং, সমীৰণজ্যোতি হাজৰিকা আৰু পংকজ তামুলীয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ইফালে, দ্বিতীয় দিনা পুৱা ১১ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যাৰ সামৰণি পৰাৰ পিছতে ঘোষা, নাম-প্ৰসংগ, প্ৰসাদ বিতৰণ আদিৰ অন্তত বিয়লি ৫ বজাত ধৰ্মধ্বজা অৱতৰণৰ দ্বাৰা দুদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## লাহোৱালত বিহুনাচ, ঢোল বাদ্য কৰ্মশালা সামৰণি

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৭ মাৰ্চঃ** লাহোৱাল মন ব'হাগী বিহুৱা দলৰ উদ্যোগত ১০ মাৰ্চৰ পৰা বকুল মাজ গাঁৱৰ জ্যোতিমঞ্চত আৰম্ভ হোৱা বিহুনাচ আৰু ঢোল বাদ্য কৰ্মশালাখনি দেওবাৰে সফল সামৰণি পৰে। দেওবাৰে এই উপলক্ষে এক সামৰণি প্ৰদৰ্শনী অনুষ্ঠানো সম্পন্ন হয়। অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত শতাধিক নাচনী আৰু ঢুলীয়াই তেওঁলোকৰ নাচ আৰু ঢোলবাদ্য প্ৰদৰ্শন কৰে উপস্থিত ৰাইজৰ আগত। প্ৰদৰ্শনী অনুষ্ঠানৰ পিছতেই প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিহুনাচৰ প্ৰশিক্ষক লটাশিল বিহুৱাণী নীহাৰিকা শইকীয়া আৰু ঢোলৰ প্ৰশিক্ষক উজ্জ্বল মৰাণক কৰ্মশালা পৰিচালনা সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অসমৰ আগশাৰীৰ বৰবিহুৱতী নিবেদিতা বৰা, মন ব'হাগী সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি ৰঞ্জন হাজৰিকা, সম্পাদক উৎপল হাজৰিকা, সাংস্কৃতিক কৰ্মী তথা বিহুৱা সঞ্জীৱ হাজৰিকা, নিলোৎপল গগৈ, কৰ্মশালা পৰিচালনা সমিতিৰ সভাপতি নিশান্ত কোঁৱৰ, সম্পাদক চানদ্বীপ চেতিয়াকে ধৰি মন ব'হাগী বিহুৱা দলৰ সদস্যসকলে অংশগ্ৰহণ কৰে। সাংবাদিক মুক্তামণি হাজৰিকাই আঁত ধৰা এই অনুষ্ঠানত অঞ্চলটোৰ যথেষ্টসংখ্যক লোকে অংশগ্ৰহণ কৰে।

## মদাৰখাতত 'সীতা হৰণ বালী বধ' ভাওনা সম্পন্ন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৭ মাৰ্চঃ** মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টি হৈছে ভাওনা সংস্কৃতি। ভাওনা সংস্কৃতিয়ে অসমীয়া জাতিক অধিক প্ৰান্তৰন্ত কৰি তুলিছে। মহাপুৰুষ দুজনাৰ এই সোণসেৰীয়া সৃষ্টিক জীয়াই ৰখাৰ লগতে নৱ-প্ৰজন্মক চিনাকী কৰি দিয়াৰ উদ্দেশ্য দেওবাৰে ডিব্ৰুগড় জিলাৰ মদাৰখাত গোহাঁই গাঁৱত অনুষ্ঠিত হয় 'সীতা হৰণ বালী বধ' ভাওনা। উক্ত নাট ভাওনা পৰিচালনা কৰে ভাওনা জগতৰ শ্ৰেষ্ঠ অভিনেতা, পৰিচালক তথা কুহুমযোগনীয়া গাঁও যোৰহাটৰ যুৱক মিণ্টু বৰাই। তদুপৰি দোহাৰ পৰিচালনা কৰে শংকৰদেৱ সাংস্কৃতিক মঞ্চৰ কুহুমযোগনীয়াৰ শিল্পীসকলে। সফলভাৱে সমাপ্তি লাভ কৰা অনুষ্ঠানভাগিয়ে ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়।

# লাহৰীঘাটত আমছুৰ উদ্যোগত বিশ্ব শান্তিৰ বাবে দোৱা,সমূহীয়া ইফটাৰ

**ই-সংবাদ, লাহৰীঘাট, ১৭ মাৰ্চঃ** ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ৰমজান মাহ উপলক্ষে বিগত তিনিবছৰ ধৰি মৰিগাঁও জিলা আমছুৰ উদ্যোগত আৰু লাহৰীঘাট আঞ্চলিক আমছুৰ সহযোগত বিশ্ব শান্তি ভাতৃত্ববোধৰ উদ্দেশ্যৰে বিশাল ইফটাৰ পাৰ্টি অনুষ্ঠানৰ আয়োজন কৰি আহিছে। পবিত্ৰ ৰমজান মাহ উপলক্ষে এইবেলিও সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছু মৰিগাঁও জিলাৰ আমছু উদ্যোগত আৰু লাহৰীঘাট আঞ্চলিক আমছুৰ সহযোগত লাহৰীঘাট ডাক বাংলা(আই বি)ত দেওবাৰে বিয়লি বিশ্ব শান্তিৰ বাবে দোৱা আৰু সমূহীয়া ইফটাৰ পাৰ্টি সম্পন্ন কৰা হয়। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ লগতে বিভিন্ন ধৰ্মালম্বী লোকসকলে ইফটাৰ গ্ৰহণৰ পূৰ্বে সকলোৱে একত্ৰিত হৈ মহান সৃষ্টি কৰ্তা আল্লাহ/ভগৱানৰ ওচৰত বিশ্বৰ শান্তি বাবে সমূহীয়াকৈ দোৱা প্ৰাৰ্থনা কৰে। কালিৰ এই বিশ্ব শান্তিৰ সমূহীয়া দোৱা অনুষ্ঠানত ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ লগতে বিভিন্ন ধৰ্মাৱলম্বী পাঁচ শতাধিক লোকে অংশগ্ৰহণ কৰি শান্তিপূৰ্ণভাৱে ইফটাৰ গ্ৰহণ কৰে। উক্ত ইফটাৰ পাৰ্টিত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় সমিতিৰ সহঃ সাঃ সম্পাদক, সাংস্কৃতিক সম্পাদক, প্ৰচাৰ সম্পাদকৰ লগতে জিলা আমছুৰ সভাপতি, উপ-সভাপতি, সম্পাদকদ্বয়, প্ৰাক্তন আমছু কৰ্মীকে প্ৰমুখ্যে কৰি জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৰাইজৰ লগতে লাহৰীঘাট আঞ্চলিক আমছু সদস্যসকল উপস্থিত থাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# হাজোৰ নতুন হাইৱেত ভয়ংকৰ পথ দুৰ্ঘটনা

**ই-সংবাদ, হাজো, ১৭ মাৰ্চঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বংশৰৰ পৰা অভয়পুৰ সংলগ্ন নৱনিৰ্মিত চাৰিলেনযুক্ত ঘাই পথত নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। শিলভৰ্তি এখন ডাম্পাৰে মহযিয়াই নিয়ে এখন মাৰুতি ৰাগনাৰ বাহন। নিশা প্ৰায় দহ মান বজাত সংঘটিত পথ দুৰ্ঘটনাটো ইমানেই ভয়াৱহ আছিল যে চাৰিচকীয়া বাহনখনৰ চালকজন থিতাতে নিহত হয়। নিহত লোকজন হাজো আৰক্ষী থানাৰ অন্তৰ্গত পানীপাৰা গাঁৱৰ প্ৰয়াত মমত চন্দ্ৰ মেধিৰ পুত্ৰ হৰকুমাৰ মেধি বুলি জানিব পৰা গৈছে। নিহত হৰকুমাৰৰ পৰিয়ালে জনোৱা অনুসৰি, নিশা প্ৰায় আঠ মান বজাত হৰকুমাৰ মেধিয়ে ব্যৱসায় সূত্ৰে এক বিশেষ কাম থকা বুলি নিজৰ এএছ-০১ এবি০১০৪৯ নম্বৰৰ ৰাগনাৰ বাহনখনেৰে নৱনিৰ্মিত চাৰিলেনযুক্ত ঘাই পথলৈ গৈছিল। পাছত নিশা প্ৰায় দহ মান বজাত নিজ গৃহলৈ বুলি আহি থকা অৱস্থাত বিপৰীত দিশৰ পৰা আহি থকা শিলভৰ্তি এখন ডাম্পাৰে সমুখৰ পৰা প্ৰচণ্ড জোৰত খুন্দা মৰাত ৰাগানাৰখনৰ চালকৰ আসনত বহি থকা হৰকুমাৰ মেধিৰ থিতাতে মৃত্যু হোৱাৰ লগতে চাৰিচকীয়া বাহনখনৰ সমুখ ভাগ সম্পূৰ্ণ ৰূপে ভাঙি চুৰমাৰ হয়। ঘটনা সংঘটিত হোৱাৰ পাছত ডাম্পাৰৰ চালকজন পলাই যায় যদিও ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ নিহত হৰকুমাৰ মেধিৰ মৃতদেহ আৰু ৰাগনাৰখন হাজো থানালৈ আনে যদিও দুৰ্ঘটনাগ্ৰস্ত ডাম্পাৰখন শুৱালকুছি থানালৈ লৈ যায়। আনহাতে, নিহত হৰকুমাৰৰ পৰিয়ালৰ লোকে হৰকুমাৰক কোনো লোকে পৰিকল্পিতভাৱে হত্যা কৰি দুৰ্ঘটনাৰ ৰূপ দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অব্যাহত ৰাখিছে তদন্ত।

# হোজাইত দুদিনীয়া কৃষি মেলা আৰম্ভ

**ই-সংবাদ, মোৰাঝাৰ, ১৭ মাৰ্চঃ** হোজাই জিলা কৃষি বিভাগ তথা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে 'কৃষক মেলা' আৰম্ভ হৈছে। হোজাই জিলা কৃষি বিষয়া আলতাফ হুছেইনৰ সভাপতিত্বত হোজাই বিধানসভা সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষে আনুষ্ঠানিকভাৱে আজি এই 'কৃষক মেলা' উদ্বোধন কৰে। অনুষ্ঠানত উপস্থিত থাকে সহকাৰী আয়ুক্ত ৰেখাশ্ৰী লেখাৰু, নগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বৈজ্ঞানিক নীৰঞ্জন ডেকা, সমাজ সেৱক উমা শংকৰ গোস্বামী আৰু কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকল। সমাৰোহখনিত জিলাখনৰ কৃষকসকলৰ পথাৰত উৎপাদিত উন্নতমানৰ কৃষি সামগ্ৰীৰ প্ৰদৰ্শনৰ লগতে কৃষি যান্ত্ৰিকীকৰণৰ বিভিন্ন সা-সঁজুলিৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়। উল্লেখ্য যে, সফল কৃষকৰ লগত বিভাগীয় বিষয়া আৰু কৃষি বিজ্ঞানীৰ অন্তৰংগ মত বিনিময় অনুষ্ঠান 'কৃষক মেলা'ৰ অন্য এক আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰে। কৃষক মেলাত বিভিন্ন প্ৰদৰ্শনীমূলক শিবিৰত কৃষক উৎপাদন সংস্থা, ইকো টেক এগ্ৰ মিল, হোজাই এগ্ৰো প্ৰডিউছৰ কোম্পানী লিমিটেড, পি এম কে এছ ৰাই জলসিঞ্চন, IFFCO সাৰ কোম্পানী, মা বৰভূঞা নাৰ্চাৰী, মহিলা আত্মসহায়ক গোট, মেছাৰ্ছ ফাৰ্মাৰ চেণ্টাৰ, এম এছ ৰহমান এণ্টাৰপ্ৰাইজ আৰু ৰাহুল বীজ ভাণ্ডাৰ আদিয়ে অংশগ্ৰহণ কৰে। আজি প্ৰথম দিনা কৃষক-বিজ্ঞানীৰ মাজত মত বিনিময় অনুষ্ঠানত প্ৰগতিশীল কৃষক বাদল দাস, হৰমোহন নাথ, হজৰত আলী কেশৰ তালুকদাৰ তথা কেবাজনো প্ৰগতিশীল খেতিয়কে বিজ্ঞানী নিৰঞ্জন ডেকাৰ লগত কৃষি বিষয়ক আলোচনা কৰে। দুই শতাধিক কৃষক উপস্থিত থকা উক্ত অনুষ্ঠানৰ কৃষি প্ৰদৰ্শনী প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে বিজ্ঞানী নিৰঞ্জন ডেকা আৰু সহকাৰী আয়ুক্ত ৰেখাশ্ৰী লেখাৰু। কাইলৈ এই মেলাৰ সামৰণি পৰিব আৰু প্ৰগতিশীল কৃষকক বঁটা প্ৰদান কৰা হ'ব।

## ৰমণী ডেকাক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব

# ৰাইজৰ দলৰ নলবাৰীৰ তদৰ্থ সমিতি গঠন

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৭মাৰ্চঃ** ৰাইজৰ দলৰ নলবাৰী জিলা তদৰ্থ সমিতিখন আজি পুনৰ গঠন কৰা হয়। ৰমণী ডেকাক ভাৰপ্ৰাপ্ত সভাপতি, ইফটিকাৰ হুছেইন, বিশ্বজিৎ ভাগৱতী, আয়ুব আলী, দ্বীপজ্যোতি কলিতাক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰি গঠন কৰা তদৰ্থ সমিতিখনক এপ্ৰিল মাহৰ ভিতৰত এখন পূৰ্ণাংগ জিলা সমিতি গঠন কৰাৰ দ্বায়িত্ব অৰ্পণ কৰা হয়। ৰাইজৰ দলৰ সাধাৰণ সম্পাদক চিন্ময় বড়াৰ উপস্থিতিত অনুষ্ঠিত আজিৰ ৰাজ্যিক সভাত উপস্থিত থাকি নলবাৰী জিলাৰ কৰ্মীসকলে অনাগত সময়ত দলৰ সাংগঠনিক ভেটি সবল কৰাৰ বাবে সংকল্প গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। এই সমস্ত বিষয় আজি এক বিবৃতিযোগে 'ই-সংবাদ'ক জনাইছে ৰাইজৰ দলৰ তত্বাৱধায়ক, তথ্য আৰু প্ৰচাৰ বিভাগৰ দায়িত্বৱাহী দিবাংগ সৌৰভ গগৈয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# উৰিয়ামঘাটত 'প্ৰজন্মৰ' উদ্যোগত বিহু নাচ, ঢোল বাদন আখৰা

**ই-সংবাদ, সৰুপথাৰ, ১৭ মাৰ্চঃ** গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ উৰিয়ামঘাটত আজিৰে পৰা 'প্ৰজন্ম'ৰ উদ্যোগত বিহু নাচ আৰু ঢোল বাদনৰ আখৰা আৰম্ভ হয়। দহদিনীয়াকৈ আৰম্ভ হোৱা আখৰা অনুষ্ঠানটিৰ আঁত ধৰে স্থানীয় উদ্যমান যুৱক তথা আছুৰ জিলা উপ-সভাপতি বিকাশ বৰাই। অনুষ্ঠানটিত উদ্বোধনী ভাষণ আগবঢ়াই শিক্ষক তথা উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সভাপতি প্ৰতাপ গগৈয়ে কয় যে বিহু আখৰা আৰু ঢোল বাদন আখৰাটিয়ে অসম-নাগালেণ্ড সীমান্তৰ এই প্ৰান্তীয় অঞ্চলটোৰ বৰ্ণিল জাতি-জনগোষ্ঠীৰ মাজত অনৈক্যৰ মাজত ঐক্য, ভাতৃত্ববোধ, শান্তি-সম্প্ৰতি গঢ়ি তোলাত উদ্ধনি যোগাব। তেওঁ লগতে কয় যে আজি আখৰালৈ অহা প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে গাঁৱত বাপোতিসাহোন বিহুটি ৰাইজৰ চোতালত উদযাপন কৰাত আগভাগ লোৱাৰ লগতে উৰিয়ামঘাট ৰঙালী বিহু কেন্দ্ৰীয় সন্মিলনৰ মঞ্চত স্থানীয় এটি দল গঢ়ি তোলাত উদ্যোক্তাসকলে গুৰুত্ব আৰোপ কৰক। আখৰাটিৰ মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অভিনেত্ৰী তথা ডি ৰাই বিহুৱাণী মণিকাঞ্চন কোঁৱৰ আৰু ঢোল বাদনত সহযোগ কৰে মনোৰঞ্জন বৰা, লোহিত শইকীয়া, তপন চুতীয়া, দ্বীপ শইকীয়া, দিব্য বৰুৱা আৰু কৃষ্ণ শইকীয়াই। অৰ্ধশতাধিক শিক্ষাৰ্থী উপস্থিত থকা অনুষ্ঠানটোত উপস্থিত থাকে স্থানীয় শিক্ষক ছবিৰাম শইকীয়া, কুলধৰ গগৈ, উৰিয়ামঘাট শাখা সাহিত্য সভাৰ উপ-সভাপতি তথা শিক্ষক লক্ষ্মণ চেত্ৰী, উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সম্পাদক, ভূপেন শইকীয়া, সাংবাদিক উদিপ বৰা, তৰুণ কোঁৱৰ, পেঁপা বাদক যোগে বৰাকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# গেলেকী আঞ্চলিক শৈক্ষিক বিকাশ ন্যাস গঠন

**ই-সংবাদ, গেলেকী, ১৭ মাৰ্চঃ** বিগত ১৬ মাৰ্চত গেলেকীস্থিত বাণীকান্ত গগৈৰ বাসগৃহত বিশিষ্ট সমাজকৰ্মী, প্ৰাক্তন অধ্যক্ষ সুৰেশ চেতিয়া সভাপতিত্বত এখন ৰাজহুৱা বৈঠকৰ সিদ্ধান্তমৰ্মে গেলেকী আঞ্চলিক শৈক্ষিক বিকাশ ন্যাস নামেৰে এখন ন্যাস গঠন কৰা হয়। ন্যাসৰ কাৰ্যবাহী সচিব তথা বিশিষ্ট কবি, শিক্ষক গুণ মৰাণে গেলেকী অঞ্চলৰ বিভিন্ন শিক্ষা অনুষ্ঠানত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বৌদ্ধিক, নৈতিক দিশৰ সামগ্ৰিক বিকাশৰ বাবে বিভিন্ন শৈক্ষিক কৰ্মশালা, আলোচনা, চেমিনাৰ আদি অনুষ্ঠিত কৰাৰ লগতে গেলেকী অঞ্চলৰ জনজীৱনলৈ প্ৰভূত অৱিহণা আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলৰ নামত শৈক্ষিক বঁটা প্ৰদানৰ যোগেদি মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক আৰ্থিক সহায়তা আদি আগবঢ়াবলৈ গেলেকী আঞ্চলিক শৈক্ষিক বিকাশ ন্যাসে আগন্তুক দিনত আগবাঢ়ি যাব বুলি জানিবলৈ দিয়ে। বৈঠকত উপস্থিত থাকি সমাজকৰ্মী, লেখক হেমন্ত ৰাজখোৱাই গেলেকী অঞ্চলত শৈক্ষিক ন্যাস এখনৰ অত্যন্ত প্ৰয়োজন আছিল, যিখন বহু দিনৰ মূৰত গঠন হৈছে যদিও ই বৰ ভাল হৈছে বুলি মন্তব্য কৰে। তেওঁ ন্যাসৰ পুঁজি সংগ্ৰহ তথা কাম-কাজসমূহৰ বিষয়ে আলোকপাত কৰে আৰু তেওঁৰ মাতৃৰ নামত এটা শৈক্ষিক বঁটা ন্যাসৰ যোগেদি মেধাৱী ছাত্ৰ-ছাত্ৰীৰ নামত প্ৰতিবছৰে প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। বৈঠকত উপস্থিত থাকি সমাজকৰ্মী, শিক্ষক মঃ আব্দুল হেলিমে শৈক্ষিক ন্যাসৰ প্ৰয়োজন প্ৰতিটো অঞ্চলত অতিকৈ প্ৰয়োজন বুলি উল্লেখ কৰি গেলেকীতো এখন শৈক্ষিক ন্যাস গঠনৰ সিদ্ধান্তত আনন্দিত হোৱা বুলি উল্লেখ কৰি ন্যাসে আগন্তুক দিনত কৰিবপৰা কৰ্মসূচীৰ বিষয়ে কিছু কথা আগবঢ়ায়। বৈঠকত সমাজকৰ্মী, প্ৰাক্তন প্ৰধান শিক্ষক বীৰেণ শইকীয়াই গেলেকীত এখন শৈক্ষিক ন্যাস গঠনৰ সিদ্ধান্তটো শুনি তেওঁ ব্যক্তিগতভাৱে অত্যন্ত সুখ অনুভৱ কৰিছে বুলি উল্লেখ কৰি গুণ মৰাণৰ উদ্যোগক ভূয়সী প্ৰশংসা কৰি ন্যাসে আগন্তুক দিনত গেলেকী অঞ্চলৰ প্ৰতিখন শৈক্ষিক অনুষ্ঠানক ন্যাসৰ পৰিসৰৰ ভিতৰত লৈ আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়ায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সমাজকৰ্মী তথা গেলেকী উচ্চতৰ মাধ্যমিক জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মামণি গগৈ দুৱৰাই শৈক্ষিক ন্যাসে মেধাৱী ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান কৰা উপৰিও বিভিন্নধৰণৰ কৰ্মশালা, আলোচনা আদিৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ আচাৰ-আচাৰণ, চৰিত্ৰ, ব্যক্তিত্ব নিৰ্মাণৰ ওপৰত বিশেষ গুৰুত্ব দিয়াত তীক্ষ্ণ দৃষ্টি দিবলৈ আহ্বান জনায়। বৈঠকত সমাজকৰ্মী, শিক্ষক ললিত গগৈয়ে গেলেকী অঞ্চলৰ শৈক্ষিক দিশৰ কেতবোৰ নেতিবাচক দিশৰ কথা উল্লেখ কৰি তাৰ সমাধানৰ কিছু দিশৰ বিষয়ে আঙুলিয়াই দি আগন্তুক দিনত ন্যাসৰ যোগেদি কৰিব পৰা কামৰ কথা উল্লেখ কৰে। সভাত বক্তব্য ৰাখি সমাজকৰ্মী, শিক্ষক ৰাম নায়কে গেলেকীত এখন এনেধৰণৰ শৈক্ষিক ন্যাসৰ গঠনৰ কথা মাজে-সময়ে আলোচনা হৈ থাকিলেও আজি কাৰ্যকৰী সিদ্ধান্ত লোৱা বাবে সন্তুষ প্ৰকাশ কৰি এই প্ৰচেষ্টা হাতত লোৱা বাবে গুণ মৰাণক ধন্যবাদ জ্ঞাপন কৰি তেওঁ আগন্তুক দিনত ন্যাসৰ প্ৰয়োজন হ'বলগা পুঁজি সংগ্ৰহৰ বিষয়ে কিছু কথা অৱগত কৰে। সমাজকৰ্মী, শিক্ষয়িত্ৰী দিপালী ৰাধিকাই গঠন হ'ব লগা ন্যাসৰ যোগেদি কৰিবলগীয়া শৈক্ষিক কাম-কাজসমূহ প্ৰথমে নিৰ্দিষ্ট কৰি ল'বলৈ আহ্বান জনায়। আনহাতে, গেলেকী অঞ্চলৰ মেধাৱী যুৱক ডঃ অম্লানজ্যোতি গগৈয়ে গঠন হ'বলগা ন্যাসৰ যোগেদি গেলেকী অঞ্চলৰ বিভিন্ন ক্ষেত্ৰত সুনাম কঢ়িয়াই অনা সকলো ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী তথা ব্যক্তিকো যাতে ন্যাসে কৃতজ্ঞতামূলক সন্মান যাচিব পাৰে তাৰপ্ৰতি লক্ষ্য ৰাখিবলৈ আহ্বান জনায়। শেষত সৰ্বসন্মতিক্ৰমে সোণাৰাম বৰুৱা, বীৰেণ শইকীয়া, সুভাষ ৰাজখোৱাক উপদেষ্টা, সুৰেশ চেতিয়াক সঞ্চালক, মামণি গগৈ দুৱৰা আৰু হেমন্ত ৰাজখোৱাক যুটীয়াভাৱে কাৰ্যবাহী সঞ্চালক, বাণীকান্ত গগৈক সচিবপ্ৰধান, আব্দুল হেলিমক কোষাধ্যক্ষ, গুণ মৰাণক কাৰ্যবাহী সচিব, ৰাম নায়ক, দিপালী ৰাধিকা আৰু প্ৰবাল বৰঠাকুৰক প্ৰচাৰ সচিব, ডঃ অম্লানজ্যোতি গগৈক মুখপাত্ৰ, ললিত গগৈ, শুভ্ৰ জ্যোতি গগৈ আৰু জ্যোতি ফুকনক সাংগঠনিক সচিব হিচাপে লৈ গেলেকী আঞ্চলিক শৈক্ষিক বিকাশ ন্যাস গঠন কৰা হয়। ন্যাসটোৱে শৈক্ষিক বিকাশত যোগাত্মক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

# কলগাছিয়াৰ শওপুৰত ভূত বাংলাত পৰিণত কোটিটকীয়া আৱাসিক আদৰ্শ বিদ্যালয়

**ই-সংবাদ, কলগাছিয়া, ১৭ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত শওপুৰৰ কৰাৰকুৰ বেকী দলংৰ কাষত অৱস্থিত ভাৰত চৰকাৰৰ এম এছ ডি পি আঁচনি তথা বৰ্তমানৰ প্ৰধান মন্ত্ৰী জনকল্যাণ বিকাশ যোজনাৰ অধীনত প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে আৱাসিক আদৰ্শ বিদ্যালয়। ২০১৯ চনত তদানীন্তন মন্ত্ৰী ৰঞ্জিত দত্তই বৰপেটা লোকসভাৰ তদানীন্তন সাংসদ আব্দুল খালেক আৰু জনীয়াৰ বিধায়ক ড° হাফিজ ৰফিকুল ইছলামৰ উপস্থিতিত আধাৰশিলা স্থাপন কৰিছিল বিদ্যালয়খনৰ। পৰৱৰ্তী সময়ত উক্ত স্থানত থকা কেইবাগৰাকী স্থানীয় দৰিদ্ৰ পৰিয়ালৰ ঘৰ-দুৱাৰ উচ্ছেদ কৰি বিদ্যালয়খন স্থাপন কৰা হৈছিল। কিন্তু আজিলৈ সেই দৰিদ্ৰ পৰিয়ালসমূহক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হোৱা নাই। তথাপি ৰাইজে একমাত্ৰ বিদ্যালয়খনৰ আশাত সকলো পাহৰি চৰকাৰলৈ অপেক্ষা কৰি আছে। ইফালে, উক্ত বিদ্যালয়খনৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম দুবছৰ পূৰ্বে সম্পন্ন হৈছে যদিও পাঠদানৰ কাৰণে আনুষ্ঠানিকভাৱে মুকলি কৰা হোৱা নাই। ফলত ঘাঁহ-বন গজি ভূত বাংলাত পৰিণত হ'বলৈ আৰম্ভ কৰিছে।



স্থানীয় ৰাইজে অতি শীঘ্ৰে বিদ্যালয়খনত পাঠদান কাৰ্যসূচী আৰম্ভ কৰিবলৈ চৰকাৰক দাবী জনাইছে। উল্লেখযোগ্য যে জনীয়াৰ বিধায়ক ড° হাফিজ ৰফিকুল ইছলামে বিদ্যালয়খন শুভাৰম্ভ কৰিবলৈ বিধান সভাৰ মজিয়াত দাবী উত্থাপন কৰিছিল যদিও বৰ্তমান চৰকাৰখনে কোনো গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা নাই। চলিত শিক্ষাবৰ্ষৰপৰা বিদ্যালয়খনত আনুষ্ঠানিকভাৱে পাঠদান কাৰ্যসূচী শুভাৰম্ভ নকৰিলে স্থানীয় ৰাইজ আৰু দল-সংগঠনে মিলি তীব্ৰ গণ আন্দোলন গঢ়ি তুলিব বুলি অসম চৰকাৰক ভাবুকি প্ৰদান কৰিছে।

# এপ্ৰিলৰ পৰা যোৰহাট-মাজুলী সংযোগী দলঙৰ কাম পুনৰ আৰম্ভ নকৰিলে আন্দোলনৰ হুংকাৰ যুৱ-ছাত্ৰ পৰিষদৰ

**ই-সংবাদ, মধ্য মাজুলী, ১৭ মাৰ্চঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মাজুলী জিলা সমিতিৰ প্ৰথম বৰ্ধিত কাৰ্যনিৰ্বাহক সভাখন কালি কমলাবাৰীস্থিত মানিক ভৱনৰ জিলা কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভুঞাই সভাপতিত্ব কৰা সভাখনৰ আঁতধৰে জিলাৰ সাধাৰণ সম্পাদক সীমান্ত বৰাই। সভাখনত জিলা সমিতিৰ অধীনৰ প্ৰায়সমূহ আঞ্চলিক সমিতি ক্ৰমে গড়মূৰ, কমলাবাৰী, দক্ষিণপাট, আঁহতগুৰি, পূব মাজুলী, ভোগপুৰ-বেঙেনাআটী আঞ্চলিক সমিতিৰ প্ৰতিনিধিসকল উপস্থিত থাকি সাংস্কৃতিক, সামাজিক, সাংগঠনিক দিশত সংগঠনটোক আগন্তুক দিনত শক্তিশালীভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মন্তব্য আগবঢ়ায়। ইফালে, সভাখনত অংশগ্ৰহণ কৰি জিলাৰ উপদেষ্টা ক্ৰমে জগত হাজৰিকা, মাখন শইকীয়া, ভৰেন কাকতি, অলিন হাজৰিকা, জিলাৰ উপ-সভাপতি পবিত্ৰ বৰা, জিলাৰ যুটীয়া সম্পাদক ৰাজীৱ ভূঞা, সাংস্কৃতিক সম্পাদক নৃপেন কলিতাই নতুন সমিতিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে মাজুলীত সংগঠনটোৰ সামগ্ৰিক বিকাশ, প্ৰসাৰ আৰু শক্তিশালী কৰাৰ ক্ষেত্ৰত পৰামৰ্শমূলক মন্তব্য আগবঢ়ায়। সেই অনুসৰি সভাত ক্ৰমে চলিত ২০২৫ বৰ্ষটো সংগঠনটোক সাংগঠনিকভাৱে শক্তিশালী কৰাৰ বৰ্ষ হিচাপে সভ্যভৰ্তিৰ যোগেদি বিভিন্ন শাখা গঠন কৰা আৰু মাজুলীৰ সৰ্বস্তৰতে সাংগঠনিক প্ৰসাৰ-প্ৰচাৰৰ বাবে বৰ্তমান সংগঠন নথকা অঞ্চলসমূহতো শাখা-আঞ্চলিক গঠন কৰা, মাজুলীৰ সাংস্কৃতিক ক্ষেত্ৰখন আগবঢ়াই নিয়াৰ স্বাৰ্থত ৰাজহুৱা অভ্যৰ্থনা সমিতি গঠন কৰি আগন্তুক ৰঙালী বিহু উদ্‌যাপন কৰা, নামনি মাজুলী অঞ্চলত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা, ৰাভা দিৱস, জ্যোতি দিৱস উদ্‌যাপন কৰা, প্ৰতিখন আঞ্চলিকে ৰঙালী বিহুত নিজৰ অঞ্চলৰ স্থানীয় জ্যেষ্ঠসকলক সম্বৰ্ধনা জ্ঞাপন কৰা, মাজুলী স্বাস্থ্যক্ষেত্ৰৰ সামগ্ৰিক উন্নয়নৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ আৰু মাজুলীৰ ভৌগোলিক সুৰক্ষা সুনিশ্চিতকৰণৰ দাবী জনোৱাৰ উদ্দেশ্যে শীঘ্ৰে পৰিষদৰ এটা সঁজাতি দলে প্ৰথমে জিলা চিকিৎসালয় আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ কৰ্তৃপক্ষক লগ ধৰা, আগন্তুক এপ্ৰিল মাহৰপৰা যোৰহাট-মাজুলী সংযোগী দলঙৰ কাম পুনৰ আৰম্ভ কৰাৰ প্ৰস্তুতি নকৰিলে পৰিষদৰ উদ্যোগত স্থানীয় ৰাইজ তথা মাজুলীবাসীৰ সহযোগত কাৰ্যসূচী ৰূপায়ণ কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে, সভাতে গড়মূৰ আঞ্চলিক সমিতিয়ে নৱ-নিৰ্বাচিত জিলা সমিতিৰ সমূহৰ বিষয়ববীয়া, আঞ্চলিকসমূহৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে গড়মূৰ আঞ্চলিকৰ সাধাৰণ সম্পাদক বিতোপন ভূঞাই আঁতধৰা উক্ত অনুষ্ঠানটোত আঞ্চলিকৰ সভাপতি যাদৱ বৰা আৰু সাধাৰণ সম্পাদক বিতোপন ভূঞা স্বাক্ষৰিত একোখনকৈ সম্বৰ্ধনা-পত্ৰই সকলোকে আদৰণি জনায়। ইফালে, জিলাৰ সাধাৰণ সম্পাদক সীমান্ত বৰায়ো সভাৰ আৰম্ভণিতে পৰিষদৰ জ্যেষ্ঠসকলক একোখনকৈ গামোচাৰে আদৰণি জনাই সকলোৰেপৰা আশীৰ্বাদ গ্ৰহণ কৰে।

## এটা পথে জ্বলাকলা খুৱাইছে নামতিআলিবাসীক

**ই-সংবাদ, গেলেকী, ১৭ মাৰ্চঃ** শিৱসাগৰ জিলাৰ আমগুৰি বিধানসভা সমষ্টি তথা বৰ্তমান নতুনকৈ অন্তৰ্ভুক্ত হোৱা শিৱসাগৰ বিধানসভা সমষ্টিৰ নামতিআলি গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ নং ৱাৰ্ডৰ এখন গাঁৱৰ এটা চুবুৰীত চৰকাৰৰ তথাকথিত উন্নয়নে ঢুকি পোৱা নাই। নামতিআলি গাঁও পঞ্চায়তৰ ১০ নং ৱাৰ্ডৰ পুৰণি লোণপুৰীয়া নুনিয়াপট্টীৰ এটা পথে বছৰ বছৰ ধৰি জীয়াতু ভুগাই আহিছে সৰ্বসাধাৰণ লোকৰ লগতে কণ কণ স্কুলীয়া ছাত্ৰ-ছাত্ৰীক। বৰ্তমান অসম গণ পৰিষদৰ দখলত থকা সমষ্টি আৰু ৱাৰ্ডটোৰ এই দুৰ্দশাই এবাৰ পুনৰ প্ৰমাণ কৰিছে উন্নয়নৰ প্ৰকৃত স্বৰূপ। সমষ্টিটোৰ বিধায়ক প্ৰদীপ হাজৰিকাই নিৰ্বাচনৰ পূৰ্বে এই ঠাইৰ লোকক আহি যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে বুলি স্থানীয় লোকে মন্তব্য কৰিছে।

## কলগাছিয়াত ভয়ংকৰ অগ্নিকাণ্ডত জাহ গ'ল একেটা পৰিয়ালৰ চাৰিটাকৈ গৃহ

**ই-সংবাদ, কলগাছিয়া, ১৭ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বলাইপাথাৰ গাঁৱত সোমবাৰে বিয়লিত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। গাঁওখনৰ আব্দুল ছামাদৰ ঘৰত বিদ্যুৎ শ্বৰ্ট ছাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈ মুহূৰ্তৰ ভিতৰতে জুইৰ শিখা চাৰিওফালে বিয়পি পৰি আব্দুছ ছামাদৰ চাৰিটাকৈ আৱাসগৃহ, দুটা পশুধনৰ লগতে ঘৰসমূহত থকা সমগ্ৰ আচবাব-পত্ৰ পুৰি ছাই হয়। অগ্নিকাণ্ডৰ ফলত পৰিয়ালটোৰ ভঁড়ালৰ ধান, চাউল, গুৰুত্বপূৰ্ণ নথি-পত্ৰ, নগদ ধন, ৰন্ধন গেছৰ টেংকী আদি ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত প্ৰায় ২০ লক্ষাধিক টকাৰ ক্ষতি হোৱা বুলি ভুক্তভোগী আব্দুছ ছামাদে জানিবলৈ দিছে। উল্লেখযোগ্য যে অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগে লগে কলগাছিয়াৰ অগ্নিনিৰ্বাপক বাহিনীক স্থানীয় ৰাইজে খবৰ দিয়ে



যদিও উপযুক্ত ৰাস্তা-পদূলী নথকাত অগ্নিনিৰ্বাক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বেই সমগ্ৰ ঘৰ-দুৱাৰ জুইত জাহ যায়। এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। ভুক্তভোগী পৰিয়ালটোৰ বাবে স্থানীয় ৰাইজে চৰকাৰৰ ওচৰত আৰ্থিক সাহায্যৰ দাবী জনাইছে।

# মাজুলীৰ বিজেপি নেতা লোকনাথ কুটুমৰ আকস্মিক মৃত্যু

**ই-সংবাদ, মধ্য মাজুলী, ১৭ মাৰ্চঃ** ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলাৰ প্ৰাক্তন জিলা সভাপতি তথা মাজুলীৰ চুমৈমাৰী গাঁৱৰ নিৱাসী লোকনাথ কুটুমৰ আকস্মিক বিয়োগে মাজুলীত গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, বৰ্তমান বিজেপিৰ অসম প্ৰদেশৰ ৰাজ্যিক সদস্য, অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সাংস্কৃতিক কৰ্মী লোকনাথ কুটুমক অসুস্থতাৰ পৰিপ্ৰেক্ষিতত আজি মাজুলী জিলা চিকিৎসালয়ত ভৰ্তি কৰিছিল। উচ্চ ৰক্তচাপজনিত কাৰণত ভৰ্তি কৰোৱা প্ৰবীণ ৰাজনীতিকগৰাকীক মাজুলী জিলা চিকিৎসালয়ৰ চিকিৎসকৰ দলে সুস্থ কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল যদিও আজি নিশা ৯ মান বজাত জিলা চিকিৎসালয়তে শেষ নিশ্বাস ত্যাগ কৰে। কুটুমৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে মাজুলী জিলা বিজেপিত গভীৰ শোকৰ ছাঁ পৰিছে। লোকনাথ কুটুমৰ মৃত্যুত মাজুলীৰ বিধায়ক ভুৱন গাম, মাজুলী জিলা বিজেপিৰ প্ৰাক্তন সভাপতি বীৰেণ শইকীয়া, মাজুলি জিলা বিজেপিৰ বৰ্তমানৰ সভাপতি দীপক গোস্বামীয়ে কুটুমৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে, লোকনাথ কুটুমৰ মৃত্যুত মাজুলীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে শোকপ্ৰকাশ কৰিছে। মাজুলী জিলা আপকু, মাজুলী মহাবিদ্যালয়, মাজুলী জিলা বিজেপি, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়, চামগুৰি সত্ৰ ৰাৱণাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকা, মাজুলী জিলা সাহিত্য সভা, মধ্য মাজুলী জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক অমূল্য বৰা, প্ৰাক্তন শিক্ষক চক্ৰধৰ বৰুৱা প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে গভীৰ শোকপ্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত প্ৰয়াত লোকনাথ কুটুমৰ বয়স প্ৰায় ৭৮ বছৰ হৈছিল বুলি জানিব পৰা গৈছে।

# আইপিএল চাবলৈ বিশেষ প্লেন ৰিচাৰ্জ কৰিব লাগিব ক্ৰিকেট প্ৰেমীয়ে

**মুম্বাই, ১৭ মাৰ্চঃ** আইপিএল আৰম্ভ হ'বলৈ আৰু মাত্ৰ মাজত পাঁচটা দিন। ইতিমধ্যে ক্ৰিকেটৰ মহাৰণক লৈ সমগ্ৰ দেশত বিয়পি পৰিছে উত্তেজনা, প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে ফ্ৰেঞ্চাইজি সমূহেও। ইতিমধ্যে স্থানীয় আৰু বিদেশী তাৰকাসকলে তেওঁলোকৰ দলত যোগদান কৰিছে। কোনটো দল ভাল, কোন আগবাঢ়ি আছে, এই ছিজনৰ কি আচৰিত হ'ব পাৰে সেই সন্দৰ্ভত অনুৰাগীৰ মাজত জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। অৰশ্যে আইপিএল আৰম্ভ হোৱাৰ পূৰ্বে অনুৰাগীৰ বাবে এটা বেয়া খবৰ। এইবাৰ আৰু বিনামূলীয়াকৈ উপলব্ধ নহ'ব আইপিএলৰ মেচ। দুবছৰৰ অন্তত ভাৰতত বিনামূলীয়া লাইভ ষ্ট্ৰীমিং বন্ধ কৰি দিলে ৰিলায়েন্স জিঅ'ই। দৰ্শকে ২০২৩ চনৰ পৰা জিঅ' চিনেমা এপত বিনামূলীয়াকৈ আইপিএল চোৱাৰ সুযোগ লাভ কৰি আহিছিল। যোৱা ছিজনত জিঅ'চিনেমাৰ জৰিয়তে প্ৰায় ৬২ কোটি লোকে এই প্ৰতিযোগিতা উপভোগ কৰিছিল। কিন্তু এইবাৰ ৰিলায়েন্স জিঅ' কৰ্তৃপক্ষই সেই সেৱা বন্ধ কৰি দিছে। এতিয়াৰ পৰা যদি আইপিএল চাব বিচাৰে তেন্তে টকা খৰচ কৰিব লাগিব। কেইমাহমানৰ আগতে ৰিলায়েন্স জিঅ'ই ডিজনী হটষ্টাৰৰ সৈতে বান্ধ খাইছিল, যাৰ ফলত দুয়োটা প্লেটফৰ্ম একত্ৰিত হৈ 'জিঅ'হটষ্টাৰ' গঠন কৰা হৈছিল। নতুন মঞ্চত সম্প্ৰচাৰ হ'ব আইপিএল। অৰশ্যে ইয়াৰ বাবে আপুনি চাবস্ক্ৰাইব কৰিব লাগিব। জানিব পৰা মতে, ৰিলায়েন্স জিঅ'ই আইপিএলৰ বাবে বিশেষ ৰিচাৰ্জ প্লেন আনিবলৈ ওলাইছে। অৰশ্যে বিনামূলীয়াকৈ আইপিএল চোৱাৰ সুযোগ হেৰুৱাই নিৰাশ হৈ পৰে অধিকাংশ ক্ৰিকেট অনুৰাগী।




আইপিএলৰ পূৰ্বে এনেদৰে অনুশীলনত ব্যস্ত আৰচিবিৰ বিৰাট কোহলিৰ

## লাভৰ আশা কৰি লোকচানৰ ঘৰত পাকিস্তান ক্ৰিকেট ব'ৰ্ড!

# চেম্পিয়নছ ট্ৰফীৰ আয়োজন কৰি ৮৬৯ কোটি টকাৰ লোকচান পিচিবিৰ

**ইছলামাবাদ, ১৮ মাৰ্চঃ** চেম্পিয়নছ ট্ৰফীৰ আয়োজন কৰি বৃহৎ আৰ্থিক লোকচানৰ সন্মুখীন হ'বলগীয়া হ'ল পাকিস্তান ক্ৰিকেট ব'ৰ্ড। ২৯ বছৰৰ পাছত পাকিস্তানৰ মাটিত অনুষ্ঠিত হোৱা এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত পিচিবিয়ে নিজৰ স্থিতি শক্তিশালী কৰাৰ পৰিকল্পনা কৰিছিল যদিও বাস্তৱত ইয়াৰ বিপৰীতহে ঘটিল। প্ৰতিযোগিতাখনৰ আয়োজনত তেওঁলোকে বিপুল খৰচৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু পাকিস্তান দলটোৰ নিৰাশাজনক প্ৰদৰ্শনে ব'ৰ্ডৰ দুৰ্দশা আৰু অধিক বৃদ্ধি কৰিছে। হাইব্ৰিড মডেলৰ বাবে পাকিস্তানে ঘৰুৱা মাটিত মাত্ৰ এখন মেচ খেলিবলৈ সক্ষম হৈছিল, য'ত নিউজিলেণ্ডৰ হাতত পৰাস্ত হ'বলগীয়া হয়। ভাৰতৰ বিৰুদ্ধে খেলখন খেলিবলৈ ডুবাইলৈ যাবলগীয়া হৈছিল, আৰু বৰষুণৰ বাবে বাংলাদেশৰ বিৰুদ্ধে খেলখন বাতিল কৰা হৈছিল। ফলত পাকিস্তান দলটোৱে এখনো মেচত জয়ী নোহোৱাকৈ গ্ৰুপ পৰ্যায়ৰ পৰা বাহিৰ হবলগীয়াত পৰে। খবৰ অনুসৰি, পিচিবিয়ে চেম্পিয়নছ ট্ৰফীৰ আয়োজনৰ বাবে প্ৰায় ১৮ বিলিয়ন পাকিস্তানী টকা ব্যয় কৰিছিল, যিটো তেওঁলোকৰ পৰিকল্পিত বাজেটতকৈ ৫০ শতাংশ বেছি। এই বৃহৎ ব্যয় ৰাৱালপিণ্ডি, লাহোৰ আৰু কৰাচীৰ ষ্টেডিয়াম সংস্কাৰৰ বাবে কৰা হৈছিল। তদুপৰি প্ৰতিযোগিতাখনৰ আয়োজনৰ বাবে ব'ৰ্ডে পৃথকে পৃথকে ৪ কোটি ডলাৰ ব্যয় কৰিছে। অৰশ্যে টিকট বিক্ৰী আৰু পৃষ্ঠপোষকতাৰ পৰা তেওঁলোকে মাত্ৰ ৬০ লাখ ডলাৰহে উপাৰ্জন কৰিছিল। মুঠতে পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ লোকচান হৈছে ৮৬৯ কোটি টকা। বিত্তীয় সংকটৰ সৈতে মোকাবিলা কৰিবলৈ পিচিবিয়ে ঘৰুৱা টি-২০ প্ৰতিযোগিতাত মেচ মাচুল ৯০ শতাংশ হ্ৰাস কৰিছে। ৰিজাৰ্ভ খেলুৱৈৰ মেচ মাচুলও ৮৭.৫ শতাংশ হ্ৰাস কৰা হৈছে, য'ত পূৰ্বে তেওঁলোকে ৪০ হাজাৰ টকা লাভ কৰিছিল, এতিয়া তেওঁলোকক মাত্ৰ ১০ হাজাৰ টকাহে দিয়া হৈছে। তদুপৰি খৰচ কমোৱাৰ বাবে ক্ৰিকেটাৰসকলক পঞ্চ তাৰকাযুক্ত হোটেলৰ পৰিৱৰ্তে সাধাৰণ মানসম্পন্ন হোটেলৰ আবণ্টন দিয়া হৈছে।

# ফাইনেলত কে ৰাই চি বনাম উদয় সংঘ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৭ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ অনুষ্ঠিত হ'বলগীয়া ফাইনেলত উদয় সংঘই খুটিকটীয়া ইয়ুথ ক্লাব (কে ৰাই চি ) ৰ বিৰুদ্ধে খিতাপ লাভৰ যুঁজত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক মৃনাল কুমাৰ হাজৰিকাই জানিবলৈ দিয়া মতে, এই প্ৰতিযোগিতাৰ আজিৰ ছেমিফাইনেলত কে ৰাই চিয়ে ৰংমন একাডেমীক ৬৭ ৰাণত আৰু উদয় সংঘই দুই নং মোল্লাপট্টীৰ এন এফ চি স্প'ৰ্টছ ক্লাবক পাঁচ উইকেটত হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথমখন ছেমিফাইনেলত কে ৰাই চিয়ে ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১৭৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰংমনে ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ১০৯ ৰাণহে সংগ্ৰহ কৰে।

# অস্মিতা চিটী লীগ হকীত মিছা চেম্পিয়ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৭ মাৰ্চঃ** নগাঁও জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু মিছা হকী একাডেমী, খেল' ইণ্ডিয়া চেণ্টাৰৰ উদ্যোগত ছাই, ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰণালয় তথা ৰাজ্যিক ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত খেল' ইণ্ডিয়া অস্মিতা চিটী লীগৰ কলিয়াবৰৰ মিছা হাইস্কুল খেলপথাৰত আজি অনুষ্ঠিত মহিলা হকী প্ৰতিযোগিতাত মিছা হকী একাডেমীয়ে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। শোণিতপুৰ, নগাঁও, মিছা হকী একাডেমী আৰু বঢ়মপুৰ দলে যোগদান কৰা এই প্ৰতিযোগিতাৰ ফাইনেলত মিছা হকী একাডেমীয়ে শোণিতপুৰ জিলা মহিলা দলক পেনাল্টি শ্বুট আউট ( টাইব্ৰেকাৰ ) যোগে সামগ্ৰিকভাৱে ৫-৩ ( ১-১ ) গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ নিৰ্ধাৰিত সময়ৰ সাত মিনিটতে মিছা হকী একাডেমীৰহে অংকিতা ভগতে গ'লটো দিয়াৰ বিপৰীতে শোণিতপুৰ দলটোৰহে বাইশ মিনিটত পূৰ্ণিমা কৰ্মকাৰে সমতাসূচক গ'লটো দিয়ে। পেনাল্টি শ্বুট আউটত মিছা হকী একাডেমীৰহে অংকিতা ভগত, সুমন কুমাৰী থাপা, অঞ্জলি ভগত আৰু আমিনা খাটুনে গ'ল স্ক'ৰ কৰাৰ বিপৰীতে শোণিতপুৰ জিলা হকী দলটোৰহে পূৰ্ণিমা কৰ্মকাৰ আৰু স্নেহা তাঁতীয়েহে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম হয়। তৃতীয়স্থানৰ খেলত নগাঁও মহিলা দলটোৱে বঢ়মপুৰ হকী দলক ১-০ গ'লত পৰাজিত কৰে। এই প্ৰতিযোগিতাৰ অন্তত জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক তথা ক্ৰীড়া সংগঠক প্ৰভাত চন্দ্ৰ বৰাই আঁত ধৰা সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে কলিয়াবৰৰ সহকাৰী আয়ুক্ত নৱ কুমাৰ পেগু, বিশিষ্ট অতিথিৰূপে জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱা, মিছা হাইস্কুলৰ প্ৰধান শিক্ষক জিতেন বৰুৱা, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, ৰনেণ শৰ্মা আৰু দীপক বৰুৱাৰ লগতে সন্মানীয় অতিথিৰূপে শাৰীৰিক শিক্ষাৰ নিৰ্দেশক ৰূপক শইকীয়া, ৰিংকুমণি বৰা, গৌতম বৰুৱা, পি চি বৰা, বিক্ৰমজিৎ পাল, জুৰি বসুমতাৰী, পংকজ বসুমতাৰী, মণ্টু দাস, পাৰ্কিল আলম, অভিমণ্যু ভগত আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়। খেলসমূহ জয়প্ৰকাশ গুপ্তা, বিক্ৰমজিৎ পাল, ৰমেশ চাহু, ৰোহিত ঠাকুৰ, পংকজ বসুমতাৰী আৰু সুৰজ ঠাকুৰ আদিয়ে পৰিচালনা কৰে। প্ৰতিযোগিতাখনি আজি পুৱা অসম হকীৰ সম্পাদক তপন কুমাৰ দাসে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনস্তৰি